N.H. COLLEGE
PATACHARKUCHI

# প্ৰাগ্‌জ্যোতি




সম্পাদক
মনোজ কুমাৰ শৰ্মা

# প্ৰাগ্‌জ্যোতি

নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী
বছৰেকীয়া প্ৰকাশ
পঞ্চদশ সংখ্যা
২০০২-২০০৩ বৰ্ষ

*With due honour, love and best wishes........*
*To.*

........................................

........................................

*From*

*Editor*

# PRAGJYOTI

Nirmal Haloi College Magazine
15th Annual Publication
2002-2003 session

তত্বাৱধায়ক
শ্ৰীপ্ৰণৱ দাস

সম্পাদক
শ্ৰীমনোজ কুমাৰ শৰ্মা

নির্মল হালৈ মহাবিদ্যালয় আলোচনী
পঞ্চদশ সংখ্যা
২০০২-২০০৩ বৰ্ষ

## সম্পাদনা সমিতি

সভাপতি ঃ
ড° ৰমেশ চন্দ্ৰ শৰ্মা

তত্বাৱধায়ক ঃ
শ্ৰীপ্ৰণৱ দাস

সম্পাদক ঃ
শ্ৰীমনোজ কুমাৰ শৰ্মা

সদস্য ঃ
শ্ৰীনিৰ্মল চন্দ্ৰ শইকীয়া, প্ৰৱক্তা
শ্ৰীসদা দাস, প্ৰৱক্তা
শ্ৰীমনোজ কুমাৰ শৰ্মা, প্ৰৱক্তা
শ্ৰীকুশল দাস, গ্ৰন্থাগাৰিক
শ্ৰীবনমালী শৰ্মা, ছাত্ৰ
শ্ৰীগিৰীন্দ্ৰ গোস্বামী, ছাত্ৰ

বেটুপাত ঃ
শ্ৰীনিৰেণ তালুকদাৰ
অংগ-সজ্জা ঃ
শ্ৰীপ্ৰণৱ দাস
শ্ৰীমনোজ কুমাৰ শৰ্মা

মুদ্ৰণ ঃ
অভিনৱ ডি.টি.পি. এণ্ড পূৰালী অফচেট প্ৰিণ্টাৰ্চ
পাটাছাৰকুছি, ৭৮-১৩২৬

## কৃতজ্ঞতাৰ শৰাই

২০০২-২০০৩ বৰ্ষৰ 'প্ৰাগ্‌জ্যোতি' খন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱা নিম্নোলিখিত ব্যক্তি সকললৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ —
বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা বৰ্তমানৰ অধ্যক্ষ ড° বীৰেন্দ্ৰ ডেকা, উপাধ্যক্ষ শ্ৰীযুত নিৰ্মল চন্দ্ৰ শইকীয়া, প্ৰাক্তন অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ শৰ্মা, প্ৰথিতযশা সাহিত্যিক, সাংবাদিক মাননীয়া অনুৰাধা শৰ্মাপূজাৰী, অসমৰ কাব্য জগতৰ সুপৰিচিত কবি নীলিম কুমাৰ, 'প্ৰাগ্‌জ্যোতি'ৰ তত্বাৱধায়ক শ্ৰীপ্ৰণৱ দাস, মহাবিদ্যালয়ৰ মাননীয় অধ্যাপক-অধ্যাপিকা সকল, 'প্ৰাগ্‌জ্যোতি' সম্পাদনা সমিতিৰ সমূহ সদস্য, সাংবাদিক নৱজ্যোতি পাঠক, লাচিত বৰ্মন, মুন গোস্বামী, নৰকান্ত কলিতা, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দ, বেটুপাতৰ শিল্পী নিৰেণ তালুকদাৰ, অভিনৱ ডি.টি.পি. এণ্ড পূৰালী অফচেট প্ৰিণ্টাৰ্চৰ সমূহ কৰ্মকৰ্তা, সমূহ লেখক-লেখিকা আৰু সমূহ শুভাকাংখী তথা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ -

সম্পাদক, প্ৰাগ্‌জ্যোতি
নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

# শ্ৰদ্ধাঞ্জলি

সু সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়া,
সুগায়িকা প্ৰতিমা পাণ্ডে বৰুৱা,
অভিনেত্ৰী আইদেউ সন্দিকৈ,
ইলা কাকতি,
দেশ আৰু দহৰ হকে প্ৰাণ বিসৰ্জন দিয়া
ব্যক্তিসকল,
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন
ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু মহাবিদ্যালয়ৰ লগত
প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে জড়িত যিসকল জ্ঞাত
অজ্ঞাত ব্যক্তিয়ে যোৱা সময়চোৱাত বৈকুণ্ঠ
প্ৰয়াণ কৰিলে তেওঁলোকলৈ আমি শ্ৰদ্ধাঞ্জলী
নিবেদন কৰিলোঁ।

— সম্পাদক

## শুভেচ্ছা বাণী



প্ৰতি
মনোজ কুমাৰ শৰ্মা
সম্পাদক, প্ৰাগজ্যোতি
নিৰ্মল হালৈ মহাবিদ্যালয়

স্নেহাস্পদেষু,

এখন মহাবিদ্যালয়ৰ আলোচনীখনৰ জৰিয়তে সেই শিক্ষানুষ্ঠানটিৰ শৈক্ষিক আৰু সাংস্কৃতিক চিন্তা আৰু পৰিবেশৰ চিত্ৰ প্ৰকাশিত হোৱাই নহয়, সেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ স্বকীয় প্ৰতিভা প্ৰকাশৰ প্ৰধান বাহকো হৈ উঠে আলোচনীখন।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ 'প্ৰাগজ্যোতি' আলোচনীখন প্ৰকাশৰ আগমুহূৰ্তত নিজৰ চিন্তা-চৰ্চা নিবেদন কৰি সৃষ্টিশীলতাৰ বিশাল পথাৰখনত খোজ দিয়া এইসকল ছাত্ৰ-ছাত্ৰী, শিক্ষকবৃন্দক অভিনন্দন জনাবলৈ পাই আনন্দিত হৈছোঁ।

'প্ৰাগজ্যোতি' হৈ উঠক আমাৰ সমাজ জীৱনত বিয়পি পৰা অপসংস্কৃতিৰ বিপৰীতে এক উচ্চ কণ্ঠৰ!

নীলিম কুমাৰ
৩০ জুলাই ২০০৪

JAYANAGAR, MALIGAON,
GUWAHATI-781011
Ph # (0361) 570659

## ঃ সূচী-পত্ৰ ঃ


❖ সম্পাদকৰ কলমেদি

❖ সম্পাদনা সমিতি

**প্ৰবন্ধ শিতান**

| | | |
|---|---|---|
| ❖ বহুমুখী প্ৰতিভাৰ অধিকাৰী - ড° ভবেন্দ্ৰ নাথ শইকীয়া | দীপাংকৰ শৰ্মা | ১ |
| ❖ ৰামায়ণৰ উৎস আৰু সংস্কৃত সাহিত্যত ইয়াৰ প্ৰভাৱ | ড° প্ৰবোধ চন্দ্ৰ গোস্বামী | ৩ |
| ❖ অসমীয়া জাতীয়তাবাদৰ সংকট আৰু জনগোষ্ঠীৰ আন্দোলন | প্ৰণৱ দাস | ৫ |
| ❖ এইড্‌চ - মৃত্যুৰ বিভীষিকা | ৰাতুল হুচেইন | ৯ |
| ❖ এলবাৰ্ট আইনষ্টাইন - এক মহান প্ৰতিভা | ভাস্কৰ দাস | ১০ |
| ❖ অন্তৰংগ আলাপত অনুৰাধা শৰ্মা পূজাৰী | | ১১ |

**গল্প শিতান**

| | | |
|---|---|---|
| ❖ আনন্দ আৰু শোকৰ এধাৰি মিশ্ৰিত চকুলো | বৰ্ণালী শৰ্মা | ১৩ |
| ❖ অনুশোচনা | মণি কলিতা | ১৫ |
| ❖ বেদনা | নিতু কলিতা | ১৬ |
| ❖ গল্প ঃ এ. কে. ৫৬ | গৌতম দত্ত | ১৮ |
| ❖ জীৱনৰ যাত্ৰাপথত | মনোজ কুমাৰ শৰ্মা | ২১ |

**কবিতা শিতান**

| | | |
|---|---|---|
| ❖ আইনা | নীলিম কুমাৰ | ২৪ |
| ❖ মোক মাতা মোৰ সোণালী মৌ-মাখি | সমীৰ তাতী | ২৫ |
| ❖ একোচিৰা ধানৰ দৰে | হীৰেণ ভট্টাচাৰ্য্য | ২৫ |
| ❖ দুপৰ বেলাৰ জোন | প্ৰাঞ্জল কলিতা | ২৬ |
| ❖ প্ৰেমৰ অস্তিত্বত | জোনালী শৰ্মা | ২৬ |
| ❖ মোৰ হেৰোৱা অতীত | বিনীতা গোস্বামী | ২৭ |
| ❖ এয়া কেনে মৃত্যু | পুলক দেৱ শৰ্মা | ২৭ |
| ❖ এটি সপোনৰ প্ৰতীক্ষাত | ৰাজু দাস | ২৮ |
| ❖ আশাৰ ফুল | গণেশ বৰ্মন | ২৮ |

| | | |
|---|---|---|
| সপোন | কবিতা দেৱী | ২৯ |
| আতংক | ভাস্কৰ ৰয় | ২৯ |
| আকাশ | বৰ্ণালী শৰ্মা | ৩০ |
| শান্তি বিচাৰি | ভাস্কৰ দাস | ৩০ |
| আত্ম সমৰ্পন | বৰ্ণালী বৰ্মন | ৩১ |
| শৃংখলিত প্ৰহৰ | বন্দনা ৰয় | ৩১ |
| স্বপ্ন সমাধি | অনুপ ডেকা | ৩২ |
| মানৱতাৰ চৰম বিপৰ্যয় | মণি কলিতা | ৩৩ |
| শৰৎ | দেৱজিৎ কলিতা | ৩৩ |
| অনুভৱ | জুনুমা ৰয় | ৩৪ |
| এটি কবিতা নিৰীহ জনতাৰ | মনোজ কুমাৰ শৰ্মা | ৩৪ |
| অনুভৱ- মাথো মোৰ স্মৃতি | তৰালি দেৱী | ৩৫ |
| পৰিৱৰ্তন | হৰেশ্বৰ ৰাজবংশী | ৩৫ |


## English Section


| | | |
|---|---|---|
| Baro-Bhuya : Its role in formation of Economic Structure of Assam upto sixteeenth century. A.D. | Tapan Kalita | 36 |
| The concept of Love in contemporary Indian Philosophy | Tapan Kakati | 39 |
| Scouting and Guiding | Sabitri Bezbarua | 41 |
| Yevency Yakovlev the time of the subject of Artistic Creativity | Kishore Kr. Sarma | 43 |

| | |
|---|---|
| প্ৰাক্তন আলোচনী আৰু সাধাৰণ সম্পাদকৰ নামৰ তালিকা | ৪৫ |
| ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক সকল | ৪৬ |
| ছাত্ৰ একতা সভাৰ সম্পাদক সকল | ৪৭ |
| ফটোত মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন মুহূৰ্ত্ত | ৪৮ |
| মহাবিদ্যালয়ৰ প্ৰতিভা | ৪৯ |
| বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | ৪৯ - ৫৯ |


# সম্পাদকৰ কলমেদি



“মহা জীৱনৰ মহা সাধনাৰ
আশাৰ গ[illegible]লি তুমি
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুন্যভূমি।”

- এক -

**সাহিত্য জাতিৰ দাপোন স্বৰূপঃ-** এক জাগ্ৰত জীৱন্ত মহোপকাৰী জ্ঞানৰ ভঁড়াল হৈছে সাহিত্য। মানসিক শক্তিৰ দ্বাৰা সৃজন হোৱা এক জ্ঞানামৃতৰ পোহৰ পূৰ্ণ জগতৰ নিচিনা। যাৰ সহায়ত মানুহ জাতি সৃষ্টিৰ আন বস্তুতকৈ শ্ৰেষ্ঠ আৰু মহৎ। সাহিত্যৰ অন্যতম উদ্দেশ্য হ'ল দেশৰ মানুহৰ মাজত সৃষ্টি হোৱা অনৈক্যৰ বীজানু সমূহ ধ্বংস কৰি জাতিটোক ঐক্যবদ্ধ আৰু শক্তিশালী কৰি গঢ়ি তোলা। মাক্সিম গৰ্কিৰ ভাষাৰে ক'বলৈ গ'লে— মানুহক অধ্যয়ন কৰিব জানিলে প্ৰকৃত জ্ঞান লাভ হয় আৰু উপলব্ধিয়েই প্ৰকৃত সাহিত্য সৃষ্টিৰ মূল উপাদান।

সাহিত্যৰ জন্ম সত্যৰ অন্বেষণ, সত্যৰ চৰ্চা আৰু সত্যৰ পূজাৰ বাবে। নিৰ্বিঘ্নে উদাহৰণ হ'ব কালিদাস, শংকৰ-মাধৱ অথবা শেক্সপীয়েৰ ইত্যাদি। এতিয়া বিদেশৰ পৰা খোজ দিওঁ— ১০৫০ চনত জন্ম লাভ কৰা ৰুবায়েট ৰচিয়তা ও'মৰ খৈয়ামৰ সাহিত্যৰ পৰা আৰম্ভ কৰিলে মধ্যযুগীয়া বিশ্ব সাহিত্যৰ সৰ্বকালৰ শ্ৰেষ্ঠ কবি আৰু নাট্যকাৰ ৰূপে পৰিচিত হ'ব উইলিয়াম শেক্সপীয়েৰ (১৫৬৪)। মেকবেথ, জুলিয়াছ চিজাৰ, অ'থেলো, ৰোমিও' জুলিয়েট, হেমলেট ইত্যাদিৰে বিশ্ব সাহিত্যত বহু যুগৰ দলিল ৰচনা কৰা শেক্সপীয়েৰৰ পূৰ্ব্বৱতী ডান্টেৰ 'ডিভাইন কমেডি' স্বীকৃত অমৰ সৃষ্টি ৰূপে। পৰৱৰ্তী কালৰ ডেনিয়েল ডিফো, গ্যেটে, আলেকজেণ্ডাৰ পুস্কিন, অ'হেনৰী, আলফ্ৰেণ্ড টেনিচন , এন ফ্ৰাংক, কালমাৰ্ক্স, খলিল জিব্ৰান, জৰ্জ বাৰ্ণাড শ্ব, জন কীটচ্, মেক্সিম গৰ্কি, জৰ্জ বেলছ ইত্যাদিয়ে সাহিত্য জগতলৈ প্ৰেৰণ কৰা তৰাবোৰ জিলিকি উঠিছিল চিৰদিনৰ বাবে........ মই মৰিলেও দিন গ'লে ৰাতি হ'ব, জোন বেলি ওলাই থাকিব। ল'গতে উজ্বল হৈ থাকিব এই তৰাবোৰ।

এতিয়া নিজৰ দেশলৈ আহোঁ। সংস্কৃত সাহিত্যৰ সন্তান স্বৰূপ ভাৰতীয় ভাষা উপভাষা সমূহৰ সাহিত্য বিশ্বৰ হয়তো প্ৰায়বোৰ দেশতকৈয়ে চহকী। যিটো সময়ত বিশ্ব অন্ধকাৰত লীন হৈ আছিল তেতিয়া ভাৰতীয় উন্নত সভ্যতাৰ প্ৰতিনিধিত্ব কৰিছিল— ৰামায়ন , মহাভাৰত, বেদ, উপনিষদ, গীতা আদিয়ে। ২১ টা সংবিধান স্বীকৃত ভাষাই নিজৰ অৱস্থানত নিকপ্‌কপীয়াকৈ স্থিতি বাহাল ৰাখিছে। তুলসী দাস, মীৰা বাই, ভক্তি যোগ, জ্ঞান যোগৰ ৰচিয়তা স্বামী বিবেকানন্দ, বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ, মুন্সী প্ৰেমচান্দ, পণ্ডিত জৱাহৰলাল আদিৰ পৰা অম্ৰিতা প্ৰীতম, জুম্পা লাহিড়ীলৈ ভাৰতীয় লেখকসকলে সাহিত্যৰ মাজেৰে প্ৰকাশিত কৰিছে জীৱনাদৰ্শ।

সংস্কৃত ৰামায়নৰ পৰা প্ৰথমবাৰৰ বাবে অনুবাদ কৰি অসমীয়া ভাষাৰ নিজস্বতা ৰক্ষা কৰা মাধৱ কন্দলী, ভট্টদেৱ, শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমন্ত মাধৱদেৱ, অনন্ত কন্দলী আদিৰ বিষয়ে দোহাৰিবৰ প্ৰয়োজন নাই। অসমীয়া ভাষাক চহকী কৰাৰ অহোপুৰুষাৰ্থ কৰা সকলৰ ওচৰত এইখিনিতে কৃতজ্ঞতা জনাইছোঁ। লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, পাৰ্বতী প্ৰসাদ বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, নলিনীবালা দেৱী, অমূল্য বৰুৱা, অম্বিকাগিৰী ৰায় চৌধুৰী, আনন্দৰাম ঢেকিয়াল ফুকন, কৃষ্ণকান্ত সন্দিকৈ, ৰঘুনাথ চৌধুৰী, ৰজনীকান্ত বৰদলৈ, হেমচন্দ্ৰ গোস্বামী ইত্যাদি প্ৰত্যেক গৰাকী অসমীয়া ভাষাৰ উন্নতিৰ হকে চিন্তা কৰা সাহিত্যিক সকল প্ৰশংসাৰ প্ৰাত্ৰ।

- দুই -

**জিলিকাব লুইতৰে পাৰ**

**সাম্প্ৰতিক যুৱ-মানসিকতা সম্পৰ্কতঃ-** যুৱকসকলে দেশৰ ভৱিষ্যত। মানৱ সমাজৰ মাজত যুৱ সমাজ এখন বিশিষ্ট সমাজ। এই বিশিষ্ট সমাজখনৰ ভূমিকাওঁ বিশিষ্ট হোৱাটো পৃথিৱীয়ে বিচাৰে। সম্প্ৰতি যুৱ মানসিকতা আৰু চিন্তা চৰ্চাই বিশ্বৰ দৰবাৰত এক সাৰ্বজনীন পৰ্যালোচনাৰ বিষয় হৈ পৰিছে। ইয়াৰ মূল কাৰণ বৰ্তমান সমাজত যুৱ মানসিতকাই

স ম্পা দ ক ৰ

ক ল মে দি

এনে এটা পৰ্যায়লৈ পৰ্য্যবেশিত হৈছেগৈ যে ইয়ে শান্তি প্ৰিয় ব্যক্তি বিশেষৰ মনত প্ৰবল ভাবুকিৰ সঞ্চাৰ কৰিছে। দেশৰ ভৱিষ্যতৰ হাত ধৰোতা যুৱ শক্তিৰ মানসিকতাই হ'ল এখন দেশৰ সমাজ জীৱনৰ শান্তি-সম্প্ৰীতি তথা ঐক্যৰ মূল ভেটি। ইয়াত সামান্য আউল লাগিলেই সমাজৰ মূল ভেটিত গঢ়া খহনীয়া লগাৰ সম্ভাৱনা প্ৰকট হৈ উঠে। আৰু তেতিয়াই সমাজ ব্যৱস্থাত আহি পৰে অন্যায়, অত্যাচাৰ, উৎপীড়ন, অশান্তি, অনৈক্য, অৰাজতকতা। বৰ্তমান যুৱক সকলৰ সহজ লভ্য ধনৰ বাবে যি স্পৃহা ইয়ে সচেতন ব্যক্তি মাত্ৰেই চিন্তাৰ বিষয় হৈ পৰিছে। পঢ়া-শুনাৰ প্ৰতি গুৰুত্ব নিদিয়া, শিক্ষাৰ প্ৰতি ধাউতি নথকা সন্তীয়া সংস্কৃতিক আকোঁৱালি লোৱা এই নতুন চামটোৱে কেনেকুৱা ভৱিষ্যত গঢ়িব। তেতিয়া নতুনকৈ প্ৰশ্ন তুলিবলৈ বাধ্য হোৱা যায় ভৱিষ্যতৰ ধবজা বাহক কোন? এই যুৱক সকল নে? দোষ কাক দিয়া হ'ব? নতুন চামটোক, ঘুনে ধৰা সমাজ ব্যৱস্থাটোক, নতুনক জানিবলৈ চেষ্টা নকৰা অভিভাৱক সকলক নে বিশ্বায়নৰ কৱলৰ শিক্ষা ব্যৱস্থাটোক? এই গোটেই কথাবোৰ মুকলি মূৰীয়াকৈ আলোচনা কৰাৰ প্ৰয়োজন এইবাবেই হৈছে যে এওঁলোকৰ ওপৰতেই দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। নৈতিক চৰিত্ৰৰ অধঃপতন ঘটিলে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক কোনো ক্ষেত্ৰতেই সুফল আশা কৰিব পৰা নাযায়। আৰু সেয়েহে এই বিষয়ত সুস্থ জনমত এটা গঢ়ি তোলাৰ বৰকৈ প্ৰয়োজন বোধ হৈ পৰিছে।

তথাপিও আমাৰ আশা, এই যুৱক সকলেই জিলিকাব এদিন লুইতৰ পাৰ..... ...

-তিনি

**ৰঙালী বিহু আৰু অসমীয়া সমাজ ঃ-**

**"বহাগ মাথো এটি ঋতু নহয়।**
**নহয় বহাগ এটি মাহ,**
**অসমীয়া জাতিৰ ই আয়ুস ৰেখা**
**গণ জীৱনৰ ই সাহ।"**

অসমীয়া সমাজ জীৱনত ৰঙালী বিহুৰ ভূমিকা আছে। অসমৰ সংস্কৃতি গঢ়ি উঠিছিল লুইতক কেন্দ্ৰ কৰি। নদ-নদীৰে ভৰপূৰ অসমৰ সংস্কৃতি লুইতপৰীয়া সংস্কৃতি। বিহুগীতত ফুল-পাত ,বয়-বস্তু, আচৰণ-বিচৰণ সকলোবোৰতে লুইতক আশ্ৰয় কৰি গঢ়ি উঠা চহা জীৱনৰ স্বাভাৱিকতা প্ৰকাশিত হৈছে। গীতবোৰত আছে সৰল-সহজ ডেকা-গাভৰুৰ অকৃত্ৰিম আৰু স্বতঃস্ফুৰ্ত্ত ভাবোচ্ছাসৰ মনোৰম প্ৰকাশ।

ঋতু পৰিৱৰ্তন সৈতে বিহুৰ যিহেতু সম্পৰ্ক আছে। গতিকে বিহু মূলতে ঋতু উৎসৱ। পৃথিৱীয়ে ন ন সাজ-পাৰ পিন্ধে নাইবা পাত সৰি নওঠা আৰু ফুল সৰি নিৰাভৰণ হৈ পৰে। বহাগত নৱবৰ্ষৰ আৰম্ভণি। সেয়েহে বাসন্তী প্ৰকৃতিয়ে ন জোন, ন পানী, ন ন ফুল পাতক আদৰণি জনাই নতুন বছৰটোক আহ্বান কৰে। ঋতুৰ প্ৰভাৱত বুঢ়ী ধৰিত্ৰী গাভৰু হয়; উদুলি-মুদুলি হৈ গাভৰু ধৰিত্ৰীয়ে ককাল ভঙা নাচোনৰ ঢৌ তোলে। প্ৰকৃতিৰ বিমোহন ৰূপে মানুহৰ মনত প্ৰেম পূৰ্বৰাগৰ হেন্দোলনি, সুৰৰ মোহিনীৰে মাদকতা সৃষ্টি কৰে। বিহুৱেই অসমীয়া জাতিৰ প্ৰাণ; অসমীয়া জাতিৰ প্ৰাণৰ প্ৰতিটো স্পন্দন,প্ৰতিটো নিশ্বাস-প্ৰশ্বাস, প্ৰতিটো অনুভূতি, জীৱনৰ কামনা-বাসনা, আগ্ৰহ, হেঁপাহ বিহুৰ বুকুতেই চিৰ প্ৰবাহিত, চিৰ প্ৰতিফলিত হৈ আহিছে।

-চাৰি-

**ৰূপালী জয়ন্তী বৰ্ষ আৰু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ-** সময় পাখি লগা কাড়। চাওঁতে চাওঁতে দিনবোৰ কেনেকৈ পাৰ হ'ল কোনেও ক'বই নোৱাৰিলে। পাটাছাৰকুছিৰ মজিয়াত কিছুমান সমাজক ভাল পোৱা, সমাজক বুকুৰ আপোন কৰি লোৱা মানুহৰ প্ৰচেষ্টাত ১৯৭৯ চনত গঢ়ি উঠিছিল নিৰ্মল হালৈ মহাবিদ্যালয়। আজি আমাৰ বাবে সেইবোৰ এক ইতিহাস হৈ থাকিব। সেয়া নিৰ্মল হালৈ মহাবিদ্যালয়ৰ পচিশ বছৰীয়া ইতিহাস। এটা দুটাকৈ নিৰ্মল হালৈ মহাবিদ্যালয়ে আজি পচিশটা বছৰত ভৰি দিলে আৰু নিৰ্মল হালৈ মহাবিদ্যালয়ত মোৰ তিনিটা বছৰ। তিনিটা বছৰৰ অভিজ্ঞতাৰে মই নিৰ্মল হালৈ মহাবিদ্যালয়ক কিছুখিনি জানিব পাৰিছো।নিৰ্মল হালৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ আৰু ছাত্ৰ-ছাত্ৰীৰ মেধা শক্তিৰ বাবে অসমবাসীয়ে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ স্থান উচ্চত ৰাখিছে।

স ম্পা দ ক ৰ

ক ল মে দি

আজি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যি সফলতা দেখুৱাইছে তাৰবাবে আজি পাটাছাৰকুছিবাসী ৰাইজে গৌৰৱ কৰে। আজি পচিশ বছৰে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ উন্নতিৰ হকে, সামাজিক সমস্যাৰ বিৰুদ্ধে যুঁজ দি আহিছে। আৰু এয়া পচিশ বছৰ পিছতো অটুট থাকিব বুলি আমাৰ বিশ্বাস। আজি পচিশ বছৰৰ ইতিহাস আগত ৰাখি সকলো ছাত্ৰ-ছাত্ৰীয়ে যদি স্বদেশ, স্বজাতি আৰু নিজৰ সমাজখনৰ হকে চিন্তা চৰ্চা অব্যাহত ৰাখে তেন্তে নিৰ্মল হালৈ মহাবিদ্যালয় উন্নতিৰ জখলাৰে আগবাঢ়ি গৈ উল্লেখযোগ্য মহাবিদ্যালয় হিচাপে পৰিগণিত হব।

-পাঁচ-

**প্ৰাগ্‌জ্যোতি সম্পৰ্কত ঃ-** 'প্ৰাগ্‌জ্যোতি ' নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰীয়ে এই মুখপত্ৰখনৰ জৰিয়তে সাফল্য লাভৰ দৃষ্টান্ত ও প্ৰতিষ্ঠা লাভ কৰা দেখা পোৱা যায়।

তথাপিও আশা কৰা মতে 'প্ৰাগ্‌জ্যোতি 'খনক সৰ্বাংগসুন্দৰ কৰাত অসুবিধাৰ সম্মুখীন হ'ব লগা হৈছে। ইয়াৰ কাৰণ হ'ল- সময়মতে লেখা নোপোৱা, উন্নত মানদণ্ড সম্পন্ন লেখাৰ অভাৱ ইত্যাদি। কিন্তু এই অভাৱৰ মাজেৰে হলেও 'প্ৰাগ্‌জ্যোতি 'ৰ প্ৰায় প্ৰতিটো বাৰ্ষিক সংখ্যাই তাৰ স্বকীয়তা আৰু বিশিষ্টতা দাবী কৰি আহিছে।

মহাবিদ্যালয়ত বহু প্ৰতিভা সম্পন্ন সাহিত্যানুৰাগী ব্যক্তি থকা আমাৰ দৃষ্টিগোচৰ হৈছে। তেওঁলোকে এই দিশত কেনেদৰে সাংগঠনিক প্ৰয়াস চলাই প্ৰতিভা সমূহক পোহৰলৈ অনাত সহযোগিতা আগবঢ়াব সেইটোহে গুৰুত্বপূৰ্ণ কথা।

এই সংখ্যাৰ 'প্ৰাগ্‌জ্যোতি ' যদি সৰ্বাংগসুন্দৰ হোৱা বুলি ভাবে, সেই কৃতিত্ব আপোনালোকৰ আৰু অজানিতে কিবা ভুল ৰৈ গ'ল তাৰবাবে জগৰীয়া সম্পাদক। তাৰবাবে আমি এই চেগতে মাৰ্জনা বিচাৰিলোঁ।

'প্ৰাগ্‌জ্যোতি 'ৰ প্ৰকাশৰ ক্ষেত্ৰত যিসকল ব্যক্তি, শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰীয়ে সহযোগ আগবঢ়ালে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ। এই সংখ্যাৰ 'প্ৰাগ্‌জ্যোতি 'য়ে সকলোৰে পৰা মৰম আৰু সমাদৰ লাভ কৰিব— ইয়াকে আশা কৰিলোঁ।

-ছয়-

**ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান ঃ— 'প্ৰাগ্‌জ্যোতি '**— নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মুখপত্ৰ খনৰ মাধ্যমেৰে এইয়া আমাৰ সামান্য প্ৰচেষ্টা। আমি আকৌ লাহে লাহে এনে এটা বাস্তৱ পৰিস্থিতিত উপস্থিত হৈছো য'ত আকৌ এটা প্ৰভাতৰ প্ৰয়োজন, তমসো মা জ্যোতিৰ্গময়। প্ৰয়োজন শান্তিৰ।' আমাক শান্তি লাগে'। কিন্তু কোনে দিব শান্তি? শান্তি এটা গছত ওলমি থকা ফল নহয় যে কোনোবাই আহি পাৰি দিব। আমি যদি নিজেই নিজক চিনি পাওঁ, আমি প্ৰত্যেকেই বিশ্বৰ প্ৰতিজন সহোদৰক, ভাই-ভনীক, পিতৃ-মাতৃক যদি চিনি পাওঁ, তেতিয়া জানো আমাক বেলেগকৈ কিবা শান্তিৰ প্ৰয়োজন আছে? শান্তি আমি নিজেই আনিব লাগিব আমাৰ নিজৰ মনত। চিঞৰি চিঞৰি কলেই নহ'ব—'আমাক শান্তি লাগিব'। 'বন্দুকৰ শব্দত ৰাতি পুঁৱাইনে? ওহো নুপুৱাই। পুঁৱাই সেই চৰাইটোৰ মাতত, যি কুটি খায় ৰাতিৰ আন্ধাৰবোৰ লাহে লাহে' । শান্তি... শান্তি... শান্তি...। যিটো আমি নিজেই কৰিব পাৰো। প্ৰত্যেক জনেই সেইটো কাৰোবাক এখন বেনাৰেৰে বিচৰাটো লজ্জাৰ কথা। এলেহুৱা, ভীৰু, কাপুৰুষৰ ভাষা-'শান্তি লাগে'। আমাৰ প্ৰত্যেক জনৰ প্ৰতিজ্ঞা হোৱা উচিত — আমি শান্তি ঘূৰাই আনিম।আমাৰ চৌদিশ শান্তিৰে মংগলময় হওঁক..... । সংস্কৃত নাট্য সাহিত্যৰ সামৰণিৰ দৰে ক'বলৈ গ'লে—

......... গাঁই গৰুবিলাক গাখীৰতী হওঁক,মেঘে ঠিক সময়তে বৰষুণ দিয়ক,পৃথিৱী সকলো সময়তে শস্য সম্পন্না হওক,মানুহৰ মনত আনন্দ লগাই বতাহ বলক.........

তাৰেই শুভ কামনাৰে -

**মনোজ কুমাৰ শৰ্মা**

## সম্পাদনা সমিতি


নিৰ্মল চন্দ্ৰ শইকীয়া
সদস্য (প্ৰৱক্তা)


প্ৰণৱ দাস
তত্বাৱধায়ক


মনোজ কুমাৰ শৰ্মা
সদস্য (প্ৰৱক্তা)


কুশল দাস
সদস্য (গ্ৰন্থাগাৰিক)


সদা দাস
সদস্য (প্ৰৱক্তা)


মনোজ কুমাৰ শৰ্মা
সম্পাদক


গিৰীন্দ্ৰ গোস্বামী
সদস্য (ছাত্ৰ)


বনমালী শৰ্মা
সদস্য (ছাত্ৰ)

# বহুমূখী প্ৰতিভাৰ অধিকাৰী — ড° ভবেন্দ্ৰ নাথ শইকীয়া।

শ্ৰী দীপাংকৰ শৰ্মা
স্নাতক, প্ৰথম বৰ্ষ

মই সুপ্ত শীতল গ্ৰহ হোৱাতকৈ এটা
উজ্জ্বল উল্কা হ'ম, আৰু
সেই উল্কাৰ প্ৰতিটো কণা
দীপ্ত হৈ থাকিব। ............ মই
কেৱল বাচি
থাকিবলৈ সময় নষ্ট
নকৰোঁ। সেইখিনি সময়
মই কামত লগাম।।

এক গুৰু-গম্ভীৰ অথচ সৰলতাপূৰ্ণ ব্যক্তিত্বৰে অধিক মহীয়ান হৈ উঠিছিল সৃষ্টিশীলতাৰ অনন্য স্বাক্ষৰ ড° ভবেন্দ্ৰ নাথ শইকীয়া। এক অবিস্মৰণীয় সৃজনী প্ৰতিভা আৰু সাধনাৰে অসমৰ সাহিত্য সংস্কৃতিক সমৃদ্ধ কৰি মহীয়ান হোৱা আগশাৰীৰ কথা শিল্পী ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জন্ম হয় ১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীত নগাঁৱত। তেওঁৰ পিতৃৰ নাম আছিল বিদুৰ শইকীয়া আৰু মাতৃৰ নাম আছিল চম্পাবালা শইকীয়া। ড° শইকীয়াই লৰালিতে দাৰিদ্ৰৰ লগত যুঁজ কৰিবলগীয়া হৈছিল আৰু অভাৱ অনাটনৰ মাজেৰে পাৰ হৈছিল তেওঁৰ শৈশৱ।

ড° শইকীয়াদেৱে ১৯৪৮ চনত নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ পাছত ১৯৫০ চনত প্ৰথম বিভাগত ইণ্টাৰমিডিয়েট পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫২ চনত কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত বি.এছ.চি. পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত ১৯৫৫/৫৬ চনত উত্তীৰ্ণ হয়। ১৯৬১ চনত লণ্ডনৰ ইম্পেৰিয়েল কলেজৰ পৰা বিজ্ঞান আৰু প্ৰযুক্তিৰ ডিপ্লমা লাভ কৰে, আকৌ ১৯৬১ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা "ইলেকট্ৰন ডিফ্ৰেকচন" শীৰ্ষক গবেষণা পত্ৰৰ বাবে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে।

তেওঁ ১৯৬৫ চনত প্ৰীতি শইকীয়াৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। কালক্ৰমত সংগীতা আৰু ৰশ্মি নামেৰে দুটি কন্যা সন্তানৰ জন্ম হয়।

তেওঁ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপাধ্যক্ষ আছিল। মাহেকীয়া শিশু আলোচনী 'সফুঁৰা'ৰ তেওঁ সম্পাদক আছিল আৰু পষেকীয়া আলোচনী প্ৰান্তিকৰ মুখ্য সম্পাদক। ড° শইকীয়া গুৱাহাটী বিশ্ব বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ৰীডাৰ আছিল লগতে গুৱাহাটী বিশ্ববিদ্যালয়তে অসমীয়া ভাষাত কলেজীয়া পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হিচাপে প্ৰচুৰ কষ্ট কৰিছিল। এই কাম তেওঁ ইমান নিষ্ঠাৰে কৰিছিল যে তেওঁ যিকোনো বিষয়ৰে পাঠ্যপুথিৰ ভাষা আৰু বানানৰ ভুল শুধৰাই দিব লগীয়া হৈছিল আৰু নিজৰ কৰ্তব্য নিখুঁতভাৱে কৰিছিল। এতিয়া বিভিন্ন বিষয়ৰ সুকীয়া সুকীয়াকৈ বৈজ্ঞানিক পৰিভাষাৰ গ্ৰন্থ ওলাইছে। কিন্তু আগতে অসমীয়া ভাষাত বৈজ্ঞানিক প্ৰবন্ধ-পাতি লিখোতে তেওঁৰ দিনতে প্ৰকাশিত বৈজ্ঞানিক পৰিভাষাৰ অপেক্ষাকৃত ভাৱে ক্ষুদ্ৰ পুথিখনৰ পৰাহে বেছি সহায় পাইছিল। গতিকে শিক্ষাবিদ হিচাপে তেওঁৰ অৱদান কাহানিও নুই কৰিব নোৱাৰি। অৰ্থাৎ তেওঁ এজন সফল শিক্ষাবিদ আছিল।

তেওঁ সংগীত নাট একাডেমী, ভাৰত সাহিত্য একাডেমীৰ কাৰ্যবাহী আৰু সাধাৰণ পৰিষদৰ সদস্য, ইউনেস্ক'ৰ লগত সহযোগিতাৰ বাবে গঠিত ভাৰতীয় ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য, জ্যোতি চিত্ৰবন ছ'চাইটিৰ অধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয় কোৰ্টৰ সদস্য, পুণেৰ ভাৰতীয় ফিল্ম-টেলিভিচন ইনষ্টিটিউটৰ ছ'চাইটিৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁ বেলৰে সেৰা আয়োগ, গুৱাহাটীৰ অধ্যক্ষও আছিল।

ড° শইকীয়া ৰাজ্যৰ এগৰাকী প্ৰথম শ্ৰেণীৰ লেখক হিচাপে স্বীকৃত। ২০০১ চনৰ জানুৱাৰী মাহলৈকে প্ৰকাশিত গ্ৰন্থৰ সংখ্যা ২৯ খন। তেওঁৰ বহু ৰচনা ইংৰাজী, বাংলা, হিন্দী আদি ভাষালৈ অনুদিত হৈছে। ড° শইকীয়াৰ প্ৰকাশিত গল্প সংকলনৰ ভিতৰত প্ৰহৰী, সেন্দুৰ, আকাশ, সান্ধ্য-ভ্ৰমণ, শৃংখল, বৃন্দাবন আদিয়ে প্ৰধান। তেওঁৰ উপন্যাস আতংকৰ শেষত, অন্তৰীপ, ৰম্যভূমি ইত্যাদি। শইকীয়াৰ কৰ্মময় জীৱন হাঁহি-কান্দোনৰ সোণালী স্বাক্ষৰ। তেওঁৰ শিশু সাহিত্য মৰমৰ দেউতা, শান্ত-শিষ্ট, হৃষ্ট-পুষ্ট, মহাদুষ্ট আদি উল্লেখযোগ্য। শইকীয়া দেৱৰ আত্মজীৱনী জীৱনবৃত্ত ১৯৯৯ চনত প্ৰকাশ পায়। তেওঁৰ অনুদিত গ্ৰন্থ শৃঙ্খল (বাংলা), আকাশ (হিন্দী,বাংলা), Letters (শৃঙ্খলৰ ইংৰাজী) আদি।

ড° ভবেন্দ্ৰ নাথ শইকীয়া অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ ব্যক্তি আছিল। তেওঁৰ ভ্ৰাম্যমান মঞ্চৰ নাট্য সম্ভাৰ

হ'ল "ৰামধেনু , মণিকূট, নীলকণ্ঠ, দীনবন্ধু, শতাব্দী, গধূলী,বৃন্দাবন, পাণ্ডুলিপি, স্বৰ্ণজয়ন্তী" ইত্যাদি। শইকীয়াদেৱে "জোনাক ৰাতি" নামৰ মঞ্চ নাটখনৰ মাঁথো আঠটা দৃশ্যলৈকেহে লিখিব পাৰিলে।

ড° শইকীয়াই বহুকেইখন অনাতাৰ নাটো ৰচনা কৰি থৈ গৈছে। কোলাহ'ল, দুৰ্ভিক্ষ, আৰু ইতিহাস নাট কেইখন আকাশবাণীয়ে ৰাষ্ট্ৰীয় নাট হিচাপে সম্প্ৰচাৰ কৰে। ড° শইকীয়াই সাতখন অসমীয়া আৰু এখন হিন্দী ছবিও পৰিচালনা কৰে। তেওঁ অজস্ৰ নাটক, প্ৰবন্ধ, উপন্যাস, শিশু সাহিত্যৰে ছন্দৰ মন্দাকিনী ধাৰা ধৰাৰ বুকুলৈ নমাই আনি অনিন্দ্য সুন্দৰ লেখনিৰ ঝংকাৰেৰে অসমৰ লগতে গোটেই ভাৰততে সাহিত্য জগতত হেন্দোলনি তোলে।

ড° শইকীয়া আছিল কৰ্মযোগী। সেইবাবেই তেওঁ ইমান বিপুল সম্ভাৰ দি যাব পাৰিলে। আছলতে তেওঁ আছিল পৰিকল্পিত ভাৱে কৰ্মত প্ৰবৃত্ত এজন সাধক। কোন বছৰত তেওঁ কি কাম কৰিব তেওঁ ঠিক কৰি থৈছিল। সেই অনুক্ৰমে তেওঁ দৈনন্দিন কৰ্মসূচী ৰক্ষা কৰি গৈছিল। অনুপ্ৰেৰণা মাত্ৰ এটা। সেয়া হ'ল নিৰ্দিষ্ট লক্ষ্য। তেওঁ পুৰা যিটো উৎসাহেৰে কামত লাগে সেই উৎসাহ দিনটোৰ শেষৰ ফালেও থাকে। কামত ইমান শৃংখলা, অধ্যৱসায় আৰু সময়ৰ সদ্ব্যৱহাৰৰ প্ৰতি সচেতনতা আৰু আন এজন অসমীয়া মানুহৰ গাত দেখা নাযায়। শইকীয়া ডাঙৰীয়াই কৈছিল - "মই ঘৰুৱা কামলৈ ভয় নকৰোঁ, কৰিবও পাৰো যথেষ্ট পৰিমাণে কিন্তু এইবোৰ কৰি থাকিলে মোৰ আচল কামৰ ক্ষতি হয়।

জীৱন কালতে কিম্বদন্তীত পৰিণত হোৱা এগৰাকী বহুমুখী প্ৰতিভাশালী ব্যক্তি আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া। প্ৰতিভাধৰ ব্যক্তি শইকীয়াই ১৯৭৬ চনত সাহিত্য একাডেমী বঁটা, ১৯৮৫ চনত "অগ্নিস্নান" চলচিত্ৰৰে শ্ৰেষ্ঠ চিত্ৰ নাট্যকাৰৰ বঁটা, ১৯৯০ মেগৰ শৈক্ষিক ন্যাসৰ দ্বাৰা "অসম উপত্যকা সাহিত্য বঁটা"ৰে সন্মানিত, ২০০০ চনত "কমল কুমাৰী" ৰাষ্ট্ৰীয় ঁটা আদিৰে বিভূষিত হয়।

ড°শইকীয়ই কৰ্কট ৰোগত আক্ৰান্ত হৈ ২০০৩ চনৰ আগষ্ট মাহৰ ১৩ তাৰিখে মৃত্যু ঘটে। শইকীয়াই আমাৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰলৈ যি দান দি গ'ল, পিচৰ চাম অসমীয়াক বাট দেখুওৱাত যি পথ প্ৰদৰ্শক ৰূপে চিহ্নিত হৈ ৰব। সৃষ্টিৰ বিশাল ক্ষেত্ৰখনত সুপ্ৰতিষ্ঠিত হৈ সমাজৰ জয়মাল্য পিন্ধি সুকীয়া কৃতিত্বৰে আজি ড° শইকীয়াই মৃত্যুৰেও মৃত্যুকেই জিনিবলৈ সক্ষম হ'ল।

শব্দৰে ক'বলৈ টান হৈছে। অসমৰ সাহিত্য, শিক্ষা, চলচিত্ৰ, থিয়েটাৰ ইমান বিলাক ক্ষেত্ৰ যে একেলগে শূণ্য হৈ গ'ল সেই কথা ভাবিলে মনত আঘাত লাগে। এতিয়া এই শূণ্য স্থানবিলাক কোনে পূৰণ কৰিব?

—00—

যিটো অনিবাৰ্য তাৰ লগত তৰ্কবা কাজিয়া কৰি লাভ নাই। পূবৰ পৰা বৈ অহা ফেৰফেৰীয়া চেঁচা বতাহৰ লগত তৰ্ক কৰাৰ একমাত্ৰ উপায় হ'ল এটা গৰম চোলা পিন্ধা।

— জেমছৰাছেল ল'ৱেল

মানুহৰ জীৱনত মাত্ৰ তিনিটা ঘটনা ঘটে। জন্ম, জীৱন আৰু মৃত্যু। জন্মৰ কথা মানুহে নিজে গম নাপায়। মানুহৰ মৃত্যু হয় যন্ত্ৰনাৰ মাজত। জীৱনটো ভালদৰে যাপন কৰিবলৈ মানুহে পাহৰি থাকে।

— জাঁ দোলাক্ৰয়াৰ





# বিষয় ঃ- ৰামায়ণৰ উৎস আৰু সংস্কৃত সাহিত্যত ইয়াৰ প্ৰভাৱ

ড° প্ৰবোধ চন্দ্ৰ গোস্বামী
মূৰব্বী প্ৰৱক্তা, সংস্কৃত বিভাগ,
নিৰ্মল হালৈ মহাবিদ্যালয়।

গ্ৰীক্ সাহিত্যত যিদৰে ইলিয়াদ আৰু ওদিছি মহাকাব্যই এক বিশেষ স্থান দখল কৰি আহিছে ঠিক তেনেদৰে ভাৰতীয় ভাষা সাহিত্যতো ৰামায়ণ আৰু মহাভাৰতে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। ভাৰতীয় সাহিত্যত ৰামায়ণক 'আদিকাব্য' (অলংকৃত প্ৰথম কাব্য) আৰু ৰচক বাল্মীকি মুনিক 'আদিকবি' বুলি কোৱা হয়। ভাৰতীয় পৰম্পৰা অনুযায়ী ৰামায়ণৰ আগতে কোনো কাব্য ৰচনা হোৱা নাছিল আৰু বাল্মীকিৰ আগতে কোনো লৌকিক কবিও নাছিল। ৰামায়ণ কেৱল এখন জনপ্ৰিয় লৌকিক কাব্য বা অলংকৃত মহাকাব্য বুলিয়েই প্ৰসিদ্ধ নহয় বৰঞ্চ ভাৰতীয় জনসমাজত এখন অতি নীতিগৰ্ভশাস্ত্ৰ হিচাপে ই গুৰুত্ব লাভ কৰিছে। ৰামায়ণ মহাকাব্য প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ আধাৰশিলাৰূপেও স্মৰণীয় তথা বৰণীয়। আনহাতে এই মহাকাব্যত বিজৰিত শিক্ষাসমূহৰ এক প্ৰমূল্যও আছে। বাল্মীকি ৰামায়ণত প্ৰায় ২৪,০০০ (চৌবিশ হাজাৰ) শ্লোক পোৱা যায়। এই মহাকাব্যত কাণ্ডৰ সংখ্যা ৭ টা, সেয়া হ'ল বালকাণ্ড/আদিকাণ্ড, অযোধ্যা কাণ্ড, অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰাকাণ্ড, যুদ্ধকাণ্ড/লংকাকাণ্ড, আৰু উত্তৰকাণ্ড।

ৰামায়ণৰ উৎসঃ ৰামায়ণক আদিকাব্য বোলাৰ কাৰণৰূপে আৰু ৰামায়ণৰ উৎপত্তিৰ বিষয়ে বালকাণ্ডৰ দ্বিতীয়সৰ্গত এটি আখ্যান পোৱা যায়। এদিনাখন শিষ্য ভৰদ্বাজৰ সৈতে বাল্মীকি মুনিয়ে তমসা নৈত স্নান কৰিবলৈ গৈছিল। স্নান কৰিবলৈ ধৰোঁতেই মুনিৰ চকুত পৰিল যে এটা ব্যাধে ক্ৰৌঞ্চৰাই যুগলৰ মতাচৰাইটোক শৰ মাৰি বধ কৰিলে। তেতিয়া মাইকী ক্ৰৌঞ্চ চৰাইজনীয়ে বেজাৰত চট্‌ফটাই কান্দিবলৈ ধৰিলে। ক্ৰৌঞ্চ চৰাইজনীৰ হৃদয়বিদাৰক কৰুণ বিননিয়ে বাল্মীকি মুনিৰ তপস্যাসমাহিত অন্তৰতশোকৰ জোৱাৰ তুলিলে আৰু মুনিৰ অন্তৰত পুঞ্জীভূত হোৱা শোকখিনি শ্লোকাকাৰে মুখেৰে প্ৰকাশ হৈ ওলাল-

মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতম্।।

(বালকাণ্ড, ২/১৫)

(হে ব্যাধ! তই (সংসাৰত) কোনোদিনেই প্ৰতিষ্ঠালাভ কৰিব নোৱাৰিবি, যিহেতু কামনা বাসনাত বিভোৰ হোৱা ক্ৰৌঞ্চযুগলৰ এটা তই বধ কৰিছ।)

এই কথাখিনি ধ্বন্যালোকত এনেদৰে কোৱা হৈছে - 'ক্ৰৌঞ্চদ্বন্দ্ব বিয়োগোত্থঃ শোকঃ শ্লোকত্বমাগত ঃ।' শোকত অভিভূত হোৱা মুনিয়ে নিজেই কৰ নোৱাৰিলে তেওঁৰ মুখেৰে কি নো প্ৰকাশ হ'ল । ব্যাকুল মুনিয়ে নিজকে প্ৰশ্ন কৰিলে - 'কিমিদং ব্যাহৃতং ময়া।' শোকত ম্ৰিয়মান মুনিয়ে আশ্ৰমলৈ আহি বিভোৰ হৈ সেই কথা চিন্তা কৰি থাকিল। তেনে সময়ত ব্ৰহ্মা তাত আহি উপস্থিত হ'ল আৰু শোকাকুল মুনিয়ে ব্ৰহ্মাৰ আগত পুনৰাই শ্লোকটো উচ্চাৰণ কৰিলে। তেতিয়া ব্ৰহ্মাই মুনিক কলে - হে ব্ৰহ্মণ! মোৰ ইচ্ছাতেই এই বাণী তোমাৰ কণ্ঠত ধ্বনিত হৈছে, তোমাৰ ছন্দোবদ্ধ কথাখিনি শ্লোক নামেৰেই পৰিচিত হওঁক। তুমি ঋষি নাৰদৰ মুখেৰে ভগবান ৰামৰ যি চৰিত্ৰৰ বিষয়ে জানিছা, সেইদৰেই ৰামৰ জীৱন বৃত্তান্ত বৰ্ণনা কৰি ৰামায়ন ৰচনা কৰা আৰু ৰাম কথা পৃথিৱীত প্ৰচাৰ কৰা। লগতে তেওঁ ভৱিষ্যদ্‌বাণী কৰিলে যে -

'যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱৎ ৰামায়ণীকথা লোকেষু প্ৰচাৰিষ্যতি।।

(বালকাণ্ড, ২/৩৬ - ৩৭)

(যেতিয়ালৈকে পৃথিৱীত পৰ্ব্বত আৰু নৈ থাকিব, তেতিয়ালৈকে ৰামায়ণৰ কথা মানুহৰ মাজত প্ৰচাৰ হৈ থাকিব।)

বাল্মীকি মুনিৰ দ্বাৰা ৰামায়ণ ৰচিত হ'ল আৰু তাৰ লগে লগে এই শ্লোকফাঁকিয়েই ইয়াৰ উৎস বুলি বিবেচিত হ'ল। ৰামকথাই ভাৰতীয় লোকৰ হৃদয় সম্পূৰ্ণৰূপে অধিকাৰ কৰিলে। সকলোৱে ৰামায়ণৰ অলৌকিক কাহিনী ভক্তি আৰু শ্ৰদ্ধাৰে গ্ৰহণ কৰিলে। এই গ্ৰন্থত বাহিৰে এনে এখন দ্বিতীয় গ্ৰন্থ নাই, যিখনে হেজাৰ হেজাৰ বছৰ কোটি কোটি নৰ - নাৰীৰ অন্তৰ জয় কৰি বিৰাজ কৰিব পাৰিছে। নিৰৱধি কালকো বিপুল সোঁতত ব্ৰহ্মাৰ ভৱিষ্যদ্‌বাণী পৃথিৱীত সফল হৈছে।

ৰামায়ণৰ সংস্কৰণ সমূহঃ ৰামায়ণৰ বৰ্ত্তমান চাৰিটা প্ৰামানিক সংস্কৰণ পোৱা যায় -

(১)ঔদীচ্য সংস্কৰণ।
(২)গৌড়ীয় সংস্কৰণ।

(৩)পশ্চিমোত্তৰ ভাৰতীয় সংস্কৰণ।

(৪)দাক্ষিনাত্য সংস্কৰণ।

ৰামায়ণৰ সময় ঃ ৰামায়ণৰ ভিন ভিন সংস্কৰণ আৰু পৰবৰ্ত্তী সংযোজনৰ ফলত ৰামায়ণৰ ৰচনাকাল নিৰ্ণয়ত বহুতো বিতৰ্ক আৰু বিভ্ৰান্তিৰ সৃষ্টি হৈছে। ৰামায়ণৰ ৰচনাকাল সম্বন্ধে পাশ্চাত্য পণ্ডিত সকলে নানা যুক্তি দাঙি ধৰিছে। সেই যুক্তি সমূহ হ'ল -

(১)যেকোৱি আৰু ম্যাক্‌ডোনেলৰ মতে ৰামায়ণ প্ৰাক্ বুদ্ধযুগত ৰচিত। ইয়াৰ ৰচনা কাল হ'ল ৮০০ পৰা ৫০০ খ্ৰীষ্টপূৰ্ব্বাদ্ব।

(২) এ, বি, কীথ মহোদয়ে যেকোৱি আৰু ম্যাক্‌ডোনেলৰ মত খণ্ডন কৰি এইটো সিদ্ধান্তত উপনীত হয় যে ৰামায়ণৰ ৰচনাকাল হ'ল ৪০০ খৃঃ পূঃ।

(৩)ভিণ্টাৰনিৎস আৰু বুল্‌কেৰ মতে খৃঃ পূঃ তৃতীয় শতিকাত ৰামায়ণ ৰচিত হৈছিল।

(৪)ৱেবৰ আদি পণ্ডিতেও যেকোৱিৰ মতকে স্বীকাৰ কৰি লৈছে।

সকলো যুক্তি ভালদৰে বিচাৰ কৰি অধিকাংশ ইতিহাসবিদ আৰু পণ্ডিতে অনুমান তথা স্বীকাৰ কৰে যে ৰামায়ণৰ বৰ্তমানৰ ৰূপটো খৃঃ পূঃ পঞ্চম শতিকাতেই ৰচিত হৈছে।

সংস্কৃত সাহিত্যত ৰামায়ণৰ প্ৰভাৱ ঃ সংস্কৃত সাহিত্যত ৰামায়ণৰ প্ৰভাৱ অপৰিসীম। ৰামায়ণৰ পৰবৰ্তীকালত সংস্কৃত সাহিত্যৰ বিভিন্ন ধাৰাত ইয়াৰ প্ৰভাৱ সুস্পষ্টভাৱে দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে মহাভাৰত, পুৰাণ, বৌদ্ধসাহিত্য, মহাকাব্য, খণ্ডকাব্য, ঐতিহাসিক কাব্য, চম্পূকাব্য, নাটক আদিত ইয়াৰ যথেষ্ট প্ৰভাৱ দেখা যায়।

(১) মহাভাৰতৰ বনপৰ্বত (২৫৮ - ২৮৩সৰ্গত) ৰামোপাখ্যান সবিস্তাৰে বৰ্ণিত হৈছে। দ্ৰোণপৰ্ব্ব, শান্তিপৰ্ব্বতো ৰাম কথাৰ আভাস পোৱা যায়। হৰিবংশত কোৱা আছে যে ৰামায়ণৰ ৰচনাৰ পূৰ্বে ৰামকথা চাৰণ, সূত বা কুশীলৱৰ দ্বাৰা গোৱা হৈছিল।

(২) বিষ্ণুপুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, গৰুড়পুৰাণ, অগ্নিপুৰাণ, ভাগৱতপুৰাণ, স্কন্দপুৰাণ, পদ্মপুৰাণ, বায়ুপুৰাণ, আদিত বহুধা ৰামকথাৰ পুনৰাবৃত্তি হৈছে।

(৩) আনহাতে দেৱী ভাগৱতৰ পাততো (৩য় স্কন্ধ ২৮-২৯ সৰ্গ) ৰামকথাই ভুমুকি মাৰিছে।

(৪)পালি ত্ৰিপিটকৰ অন্তৰ্গত 'জাতক'ৰ মাজত 'দশৰথ জাতকে'ও ৰামকথাকে উল্লেখ কৰিছে। বৌদ্ধকবি অশ্বঘোষ, জৈন সন্যাসী বিমলসূৰী (পউম চৰিতত) প্ৰভৃতিও ৰামায়নৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে।

(৫)বিভিন্ন মহাকাব্যত ৰামায়ণৰ প্ৰভাৱ স্পষ্টভাৱে দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে মহাকবি কালিদাসৰ ৰঘুবংশ,ভট্টিৰ ৰাৱণবধকাব্য, কুমাৰদাসৰ জানকীহৰণ , মহাকবি অভিনন্দৰ ৰামচৰিত, ক্ষেমেন্দ্ৰৰ ৰামায়ণমঞ্জৰী, বিশ্বনাথৰ ৰঘুবিলাস, সোমেশ্বৰৰ ৰামশতক, মুদ্‌গল ভট্টৰ ৰামায়শিতক আৰু কৃষ্ণেন্দ্ৰ কবিৰ আৰ্য্যৰামায়ণ আদি ৰামায়ণৰ কথাবস্তুৰ ওপৰত আধাৰিত মহাকাব্য। ইয়াৰ উপৰিও চক্ৰকবিৰ জানকীপৰিণয়, চিদাম্বৰমৰ এজন অজ্ঞাতনামা কবিয়ে ৰচনা কৰা ৰাঘৱপাণ্ডৱয়াদবীয় নামৰ খণ্ডকাব্যত ৰামায়ণৰ প্ৰভাৱ পৰা দেখিবলৈ পোৱা যায়।

(৬)প্ৰৱৰসেনৰ সেতুবন্ধ নামৰ কাব্যখন ৰামায়ণৰ কথাবস্তুৰে আধাৰিত তথা সমৃদ্ধ এখন উল্লেখযোগ্য ঐতিহাসিক কাব্য।

(৭)ৰামায়ণচম্পূ পৰমাৰ ৰাজবংশীয় ধাৰাপতি ভোজৰদ্বাৰা ৰচিত এখন চম্পূকাব্য। এই কাব্যখনো ৰামায়ণৰ কথাবস্তুৰে সমৃদ্ধ।

(৮)সংস্কৃত নাটকতো ৰামায়ণৰ প্ৰভাৱ যথেষ্টভাৱে দেখিবলৈ পোৱা যায়।সেই নাটকসমূহ হ'ল - ভাসৰ প্ৰতিমা, অভিষেক; ভৱভূতিৰ; মহাবীৰ চৰিত, উত্তৰ ৰাম চৰিত; ৰাজশেখৰৰ বালৰামায়ণ; মুৰাৰীৰ অনৰ্ঘৰাঘৱ; জয়দেৱৰ প্ৰসন্নৰাঘৱ; মহাদেৱৰ অদ্‌ভুৎদৰ্শন; শক্তিভদ্ৰৰ আশ্চৰ্য্যচুড়ামনি আদি।

(৯)বাল্মীকি প্ৰণীত ৰামায়ণৰ বাহিৰেও ৰামায়ণ নামৰ আৰু কেইখনমান গ্ৰন্থ পোৱা যায়। তাৰ ভিতৰত যোগবশিষ্ঠ ৰামায়ণ, অধ্যাত্ম ৰামায়ণ আৰু অদ্ভুত ৰামায়ণ আদি উল্লেখযোগ্য। এই গ্ৰন্থসমূহ ৰামকথাৰে সমৃদ্ধ।

ৰামায়ণৰ প্ৰভাৱ অকল সংস্কৃত সাহিত্যতে পৰা নাই। ইয়াৰ প্ৰভাৱ ভাৰতীয় আন ভাষাসমূহতো সমানেই পৰা দেখা যায় আৰু প্ৰায়বোৰ ৰাজ্যিক ভাষালৈ কেবাশ বছৰ আগতে ৰামায়ণৰ ভাঙনিও হৈছে। হিন্দী ভাষাত গোস্বামী তুলসীদাসৰ ৰামচৰিত মানস, বঙ্গদেশত কৃত্তিবাসী ৰামায়ণ, তামিলনাডুত কাম্বানৰ ৰামায়ণ, অসমীয়াত মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছে। বৰাহী ৰজা মহামাণিক্যৰ আদেশত অপ্ৰমাদী কবি মাধৱ কন্দলীয়ে খৃষ্টীয় চতুৰ্দশ শতিকাতে ৰামায়ণৰ অসমীয়া পদ ভাঙনি কৰিছিল। তাৰোপৰি ভাৰতীয় ভাষাসমূহত বিভিন্ন প্ৰৱন্ধ, কবিতা আদি ভিন্ন সময়ত ৰামায়ণৰ কথাবস্তুৰ আলমত ৰচনা হোৱা দেখা গৈছে।

ৰামায়ণৰ সুৱাসে ভাৰতৰ পৰিধি অতিক্ৰম কৰি গৈ দক্ষিণপূৰ্ব এছিয়াৰ ইণ্ডোনেচিয়া, মালয়চিয়া, চিঙ্গাপুৰ, কাম্বোদিয়া, থাইলেণ্ড আদিৰ সাহিত্য সংস্কৃতিকো সুৱাসিত কৰিছে আৰু তাৰ জনমানসত ৰামায়ণে অম্লান প্ৰভাৱ পেলাইছে। বৌদ্ধগ্ৰন্থৰ তিব্বতীয় আৰু চীনা অনুবাদক সকলেও ৰামকথা উল্লেখ কৰা দেখা যায়। ৰামায়ণ মহাকাব্যই ভাৰতীয় সাহিত্য সংস্কৃতিৰ ভড়াল সমৃদ্ধ কৰাৰ লগতে ভাৰতীয় জনগনৰ সাংস্কৃতিক জীৱন নিয়ন্ত্ৰীত কৰিছে আৰু জীৱনৰ আদৰ্শ দাঙি ধৰিছে।

(প্ৰৱন্ধটো বিভিন্ন গ্ৰন্থৰ সহায়লৈ লিখা হৈছে)

——০০——





# অসমীয়া জাতীয়তাবাদৰ সংকট আৰু জনগোষ্ঠীৰ আন্দোলন

শ্ৰী প্ৰণৱ দাস
প্ৰৱক্তা,বুৰঞ্জী বিভাগ

অসম ভাৰতৰ এক ক্ষুদ্ৰ সংস্কৰণ। ভাৰতবৰ্ষ যিদৰে বিভিন্ন ধৰ্ম, জাতি আৰু সংস্কৃতিৰ মিলনভূমি থিক তেনেদৰে অসমীয়া জাতিও বিভিন্ন জনগোষ্ঠিৰ সমষ্টি। খৃঃ পূঃ ৪ ৰ্থ শতিকাতে আৰ্য্যভাষা কোৱা আলপাইন ফৈদৰ লোকে ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মূল সূতি এটি পূৰণি অসমৰফালে বোৱাই আনিলে। অসমীয়া ভাষা আৰু সংস্কৃতিৰ বীজো তাতেই নিহিত আছিল। সেই ভাষাটোক সকলো জনগোষ্ঠিয়ে মিলি নিজৰ উপযোগী কৰি অসমীয়া ভাষাটো সৃষ্টি কৰিলে।

আহোমসকল অহাৰ আগত অসমখন বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বিভক্ত আছিল। ১২২৮ খৃঃত চুকাফাই ব্ৰহ্মদেশৰপৰা আহি অসমত আহোম ৰাজ্য প্ৰতিস্থা কৰে। তেওঁ নিজে ৰাজ্য স্থাপন কৰিলেও তেওঁলোকৰ ধৰ্ম ভাষা সংস্কৃতি থলুৱা জনসাধাৰণৰ ওপৰত কেতিয়াও জাপি দিয়াৰ চিন্তা কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁ থলুৱা ভাষা সংস্কৃতি গ্ৰহণ কৰি ইয়াৰ বিকাশৰ ব্যৱস্থাহে কৰিছিল। চুকাফাৰ এনে উদাৰ নীতিয়ে আহোম শাসনৰ ক্ষেত্ৰ বৃদ্ধি কৰাত যথেষ্ট অৰিহনা যোগাইছিল। এনেদৰেই অসমৰ এক বৃহত্তম অঞ্চলক ৰাজনৈতিকভাৱে একতাবদ্ধ কৰি জাতীয়তাবাদৰ বুনিয়াদ ৰচনা কৰিছিল।

চুকাফাৰ ৰাজনৈতিক ক্ষেত্ৰখনক সাংস্কৃতিক ভাৱে আগবঢ়াইনিছিল শংকৰদেৱে। শংকৰদেৱে একশৰন ভাগৱতী ধৰ্ম আৰু সাংস্কৃতিৰ বিভিন্ন কাৰ্য্যসূচীয়ে বিভিন্ন জনগোষ্ঠিক একতাবদ্ধ কৰাৰ প্ৰচেষ্টা চলায়। তেওঁৰ এনে প্ৰচেষ্টাৰ বাবেই অসমীয়া সংস্কৃতিয়ে এক শক্তিশালী অৱস্থাত উপনীত হবলৈ সক্ষম হয় আৰু সেইবাবেই তেওঁক অসমীয়া জাতিৰ জনক বুলি কোৱা হয়।

চুকাফাৰ ৰাজনৈতিক আৰু শংকৰদেৱৰ সাংস্কৃতিক প্ৰচেষ্টাত যদিও অসমীয়া জাতি গঠনৰ এক নীৰৱ প্ৰক্ৰিয়া চলিছিল কিন্তু তেতিয়ালৈ আধুনীক অৰ্থত অসমীয়া জাতীয়তাবাদ গঢ়ি উঠা নাছিল। জাতীয়তাবাদ গঠনৰ পূৰ্বচৰ্ত হ'ল স্বাধীন জাতীয় পুজিৰ বিকাশ আৰু সামন্তবাদৰ অৱসান । তেতিয়ালৈ অসমত জাতীয় পুজি গঢ়ি উঠা নাছিল আৰু সমাজ পৰিচালিত হৈছিল সামন্তবাদী চিন্তা চৰ্চাৰে। বৃটিছ যিহেতু এটা সাম্ৰাজ্যবাদী শক্তি আৰু শোষনেই তেওঁলোকৰ মূল উদ্যেশ্য সেয়েহে তেওঁলোকে স্বাধীন জাতীয় পুজি গঠন আৰু সামন্তবাদৰ অবসান বিচৰা নাছিল। তাৎপৰ্য্যপূৰ্নভাৱে সেই গঠনৰ এক প্ৰচেষ্টা চলোৱা হৈছিল কিন্তু বৃটিছৰ বিৰোধীতাৰ বাবে সেই প্ৰচেষ্টা বিশেষ আগবাঢ়িব নোৱাৰিলে। ইয়াৰ বিপৰীতে বৃটিছৰ ছত্ৰ ছায়াত আনন্দৰাম ঢেকীয়াল ফুকনৰ নেতৃত্বত জাতীয় পুজি গঠনৰ আন এক প্ৰচেষ্টা চলোৱা হৈছিল। অত্যাধিক বৃটিছ আনুগাত্য আৰু মেৰুদণ্ডহীন অৱস্থাৰ বাবে জাতীয় পুজি গঠনৰ চেষ্টা বিফল হৈছিল। আনহাতে সাম্ৰাজ্য বাদৰ স্বাৰ্থত সামন্তবাদো বৰ্তি থকাটো বিছাৰিছিল আৰু সেয়েহে অসমীয়া সমাজত পুজি বাদৰো বিকাশ নহল আৰু সামন্তবাদৰো অৱমান নহ'ল। অসমীয়া সমাজ অৰ্দ্ধ পুজিবাদী আৰু অৰ্দ্ধ সামন্তবাদী অৱস্থাতে থাকি গ'ল। সেইবাবেই অসমত সুস্থ জাতীয়তা বাদৰ বিকাশ নহল।

দুৰ্বল জাতীয়তাবাদৰ বাবে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত বহুতো বাধা বিধিনি আহি পৰিছিল। তেনে বাধা বিধিনিৰ বাবেই স্বাধীনতাৰ আগত বিভিন্ন জনগোষ্ঠীয়েমূল সুতিৰ বৰ্ণ হিন্দু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ লগত মিলা মিছা কৰাত সন্দেহ আৰু শংকা প্ৰদৰ্শন কৰিছিল। স্বাধীনতাৰ পিছত এই সন্দেহ আৰু শঙ্কা সংঘাতলৈ ৰূপান্তৰিত হৈছিল। যি বড়ো জনগোষ্ঠীয়ে আজি অসমৰ পৰা পৃথকীকৰণ বিছাৰিছে স্বাধীনতাৰ আগত তেওঁলোকেই এদিন অসমত থকাৰ বাবেই বৃটিছ চৰকাৰক স্মাৰক পত্ৰ প্ৰদান কৰিছিল।

১৯১৯ চনত চেমচফোৰ্ড আইন গৃহীত হোৱাৰ পিছত অসমৰ এচাম জমিদাৰে গোৱালপাৰাখন বঙ্গদেশৰ লগত চামিল হোৱা বিছাৰিছিল তেওঁলোকৰ উদ্দেশ্য আছিল এই আইনে দিয়া সুবিধাখিনি গ্ৰহণ কৰা। কিন্তু জমিদাৰবোৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছিল গোৱালপাৰাৰ বড়ো সমাজে। ১৯১৯ চনত চাইমন কমিছন যেতিয়া অসমত আহে তেতিয়া বড়ো সম্প্ৰদায়ে এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল । তাত স্পষ্টকৈ কোৱা হৈছিল -

Some interested person of our district are agitating for the transfer of the district of Goalpara to Bengal. So far, as we are Con-

cerned we oppose it. Goalpara is a part and parcel of Assam and history will prove what part she hes been playing from time immemorial. The habit and customs of the people of this district are more akin to Assamese then to Bengalee we, the Bods ean by no means call us other than Assamese. The transfer of this district to Bengal will be prejudieal to the interest of not only of this community, but of all other Communities and this transfer will hamper our progress in all directions.

বঙ্গদেশৰ লগত চামিল হোৱাত বিৰোধিতা কৰা বড়োসকলে আজি অসমৰ লগত থাকিব বিচৰা নাই। অকল বড়ো সকলেই নহয় আজি অসমৰ বেছিভাগ জনগোষ্ঠীয়ে তেওঁলোকৰ অনুন্নত অৱস্থাৰ বাবে মূলসূতীৰ অসমীয়াখিনিকে জগৰীয়া কৰি আহিছে। আৰু এই অৱস্থাৰ উন্নতিৰ বাবে স্বায়ত্ব শাসনৰ দাবীৰে আন্দোলন তীব্ৰতৰ কৰি তুলিছে।

আনহাতে মূল সূতীৰ অসমীয়া জনসাধাৰণে জনগোষ্ঠীৰ আন্দোলনবোৰৰ প্ৰকৃত কাৰণ উদঘাটন কৰাৰ পৰিবৰ্তে এইবোৰ ন্যস্থ স্বাৰ্থৰ দ্বাৰা পৰিচালিত আন্দোলন বুলি আন্দোলনবোৰৰ গুৰুত্ব হ্ৰাস কৰিব বিছাৰিছে আৰু চৰকাৰেও এইবোৰ আইন শৃঙ্খলাৰ সমস্যা বুলি পুলিচ মিলিটাৰীৰ দ্বাৰা সমাধান কৰিব বিচাৰে। ওপৰোক্ত দুয়ো ধৰণৰ চিন্তাই জাতি গঠন প্ৰক্ৰিয়াৰ পৰিপন্থী চিন্তা।

সুস্থ জাতীয়তাবাদৰ এটা অন্যতম প্ৰধান পূৰ্বচৰ্ত হ'ল গণতান্ত্ৰিক মূল্যবোধ। সকলো জাতিৰে নিজা ভাষা সংস্কৃতিৰ বিকাশ লাভৰ স্বাধীনতা আছে। ইয়াৰ ব্যতিৰেকে জাতিগঠন প্ৰক্ৰিয়াত খেলিমেলি অহাটো স্বাভাৱিক। ইয়াৰ উৎকৃষ্ট উদাহৰণ হ'ল - ফ্ৰান্স আৰু ৰাছিয়াত বিকাশ লাভ কৰা সুস্থ জাতীয়তাবাদ আৰু জাৰ্মানী আৰু ইটালীত ফেচিবাদ আৰু নাভমীবাদৰ জৰিয়তে অহা উগ্ৰ জাতীয়তাবাদ।

বৰ্ত্তমান অসমীয়া জাতীয়তাবাদে সন্মুখীন হোৱা সমস্যাবোৰৰ মূল কাৰণ হ'ল জাতি গঠন প্ৰক্ৰিয়াত থকা কিছুমান দুৰ্বলতা। এই দুৰ্বলতাবোৰ জানিব লাগিলে আমি বস্তুনিষ্ঠভাৱে অতীত অধ্যয়ন কৰিব লাগিব। অতীত অধ্যয়ননেহে আমাৰ দুৰ্বলতাবোৰ উদঙাই দিব আৰু তেতিয়াহে ভৱিষ্যতৰ বাবে সুস্থ পৰিকল্পনা গ্ৰহণ কৰিব পৰা যাব।

অসমীয়া বৰ্নহিন্দু মধ্যবিত্ত শ্ৰেণীয়ে অসমীয়া জাতীয়তাবাদৰ মুল অংশ। এই শ্ৰেণীৰ লোকৰ কাৰ্য্যকলাপে অসমীয়া জাতীয়তাবাদক প্ৰতিনিধিত্ব কৰি আহিছে। সংস্কৃতায়নৰ যোগেদি যদিও অসমীয়া বৰ্নহিন্দু মধ্যবিত্তই একশ্ৰেণী জনজাতীয় লোকক মূলসূতীলৈ অনাত অৰিহনা যোগাইছিল জনজাতিৰ মূল সমস্যাবোৰ সমাধানত কিন্তু বিশেষ গুৰুত্ব দিয়া নাছিল। মধ্যবিত্ত শ্ৰেণীৰ তেনে মনোভাৱৰ বাবেই ১৮৯৩ চনৰ ১৩ মেত আহোম সভা আৰু ১৯৪৮ চনত জনজাতিৰ উন্নতিৰ কাৰণে সৰ্বদল গঠন কৰা হৈছিল। ইয়াৰ উপৰিও তেনে ধৰণৰ দুই এটা জনগোষ্ঠীও সংগঠনৰ জন্ম হৈছিল যিবোৰৰ মূল উদ্দেশ্য আছিল জনগোষ্ঠীবোৰৰ উন্নতি সাধন।

ভাৰতৰ স্বাধীনতা আন্দোলনত বিভিন্ন জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰিছিল। ১৯২১,১৯৩০-৩১ চনৰ আন্দোলনত তেচওঁলোকৰ ভুমিকা আছিল শলাগিবলগীয়া। কিন্তু তেতিয়াই বৰ্নহিন্দু মধ্যবিত্তৰ সংগঠন কংগ্ৰেছৰ ওপৰত জনগোষ্ঠীবোৰৰ সন্দেহ উপজিছিল। তেওঁলোকে স্বাধীনতাৰ পিছত জনজাতিবোৰৰ অৱস্থান কেনে হব সেইলৈ কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰিছিল আৰু সেয়েহে জনজাতিৰ বেছিভাগ নেতাই কংগ্ৰেছৰ পৰিবৰ্ত্তে RCPI ৰ জৰিয়তেহে স্বাধীনতা আন্দোলনত যোগদান কৰিছিল। কিন্তু স্বাধীনতাৰ পিছত জনজাতিসকলৰ সন্দেহ নিৰাময়ৰ বাবে কংগ্ৰেছ চৰকাৰে কোনো ধৰণৰ নীতি লব নোৱাৰিলে।

পূৰ্ববঙ্গৰ পৰা হোৱা প্ৰব্ৰজনে স্বাধীনতাৰ আগতেও অসমৰ ৰাজনৈতিক জীৱন অস্থিৰ কৰি তুলিছিল। বৃটিছে অসমত মুছলিমৰ অনুপাত বৃদ্ধি কৰি সাম্প্ৰদায়িক ঐক্য বিনষ্ট কৰাৰ চেষ্টা কৰিছিল। চাদুল্লাই নিজৰ ক্ষমতা বৰ্ত্তাই ৰখাৰ স্বাৰ্থত মুছলিম লীগৰ লগত হাত মিলাইছিল। বৃটিছৰ এই বিভেদ নীতিৰ বিৰোধিতা কৰিছিল কেৱল কংগ্ৰেছে মাত্ৰ। সেয়েহে স্বাধীনতাৰ পিছত অসমত কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠা হোৱাত জনসাধাৰণে স্বস্থিৰ নিশ্বাস পেলাইছিল। কিন্তু যি কংগ্ৰেছে স্বাধীনতাৰ আগত প্ৰব্ৰজনৰ তীব্ৰ বিৰোধিতা কৰিছিল সেই কংগ্ৰেছে কিন্তু স্বাধীনতাৰ পিছত প্ৰব্ৰজন ৰোধৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ বিপৰীতে পমুৱাবোৰক জনজাতিৰ বাবে সংৰক্ষিত এলেকাবোৰত বহুৱাই কংগ্ৰেছৰ ভোটবেংক হিচাপে ব্যৱহাৰ কৰিব ধৰিলে। উদাহৰণ স্বৰূপে ১৯৬২-৬৫ চনৰ ভিতৰত অকল তামুলপুৰ জনজাতি বেষ্টনীতে ৫৫,০০০ ভগনীয়াক সংস্থাপন কৰে। এই ভগনীয়াবোৰেই আজি জনজাতিৰ অস্তিত্ব বিপন্ন কৰি তুলিছে। অস্তিত্বৰ সংকটত ভোগা জনজাতিবোৰে আজি তেওঁলোকৰ দুৰ্দশাৰ বাবে অসমীয়া মধ্যবিত্তকে জগৰীয়া কৰে।





সংস্কৃতায়নৰ যোগেদি যদিও জনজাতি সমাজৰ এক বৃহত অংশ অসমীয়া হিন্দু সমাজৰ লগত মিলাৰ প্ৰচেষ্টা চলাই আহিছিল কিন্তু জনজাতিখিনিক মূল সুতীৰ অসমীয়া সমাজে কেতিয়াও সহজভাৱে গ্ৰহণ কৰা নাছিল। জনজাতি মানুহখিনিক স্লেছ বুলি কোৱা হৈছিল। তেওঁলোকৰ লগত খোৱাবোৱা নকৰিছিল। বিয়া বাৰু হোৱা নাছিল আৰু সমাজত নিম্নখাপত স্থান দিয়া হৈছিল। তেওঁলোকৰ প্ৰতি থকা তাচ্ছিল্যৰ মনোভাৱ আজিও সম্পূৰ্ণভাৱে আতৰ হোৱা নাই। এইখন মিৰি গাঁও, এইবোৰ বড়ো-কছাৰী আদি শব্দ আজিও তুচ্ছাৰ্থত ব্যৱহাৰ হয়। এই সামাজিক অসমতা আতৰ কৰি শংকৰদেৱে একশৰণ ভাগৱতী ধৰ্ম্মৰ জৰিয়তে সমাজত সমতা অনাৰ প্ৰচেষ্টা চলাইছিল। সেয়েহে তেওঁ বিভিন্ন সম্প্ৰদায়ৰ লোকক একশৰণ ধৰ্মত দীক্ষিত কৰি একেখন মঞ্চত বহুৱাইছিল। তেওঁৰ শিষ্যসকলৰ বিতৰত গোবিন্দ আছিল গাড়ো, জয়ৰাম ভোট, পৰমানন্দ মিৰি, আৰু মুৰাৰী আছিল কোচ। এনেবোৰ প্ৰচেষ্টাইও কিন্তু জনজাতিসকলৰ প্ৰতি থকা অৱজ্ঞাৰ মনোভাৱ সম্পূৰ্ণ সম্পূৰ্ণ আতৰ কৰিব নোৱাৰিলে। পিতাম্বৰদেৱগোস্বামীৰ দৰে দুই এজন সত্ৰাধিকাৰৰ বাহিৰে বেছিভাগ সত্ৰাধিকাৰেই জনজাতি সকলক ঘৃনা বা অবজ্ঞাৰ দৃষ্টিৰেই চাইছিল। ফলস্বৰূপে মুকলিমূৰীয়া পৰিবেশৰ মাজত ডাঙৰ দীঘল হোৱা সমাজৰ উচ্চ নীচ ভেদাভেদ নুবুজা জনজাতি লোকসকলে হিন্দু সমাজৰ জ্যাতিভি মানত ক্ষুন্ন হৈছিল। আৰু সেয়েহে চাইমন কমিছনৰ আগত দাখিল কৰা স্মাৰক পত্ৰত উল্লেখ কৰিছিল যে Socially they are regarded as untouchables. To call the Hindu will be a misname in as much as the Hindus do not receive them into their society, do not dine with them and are mostly unsympathic with their ideas and aspirations. They are therefore as isolated backward Community.

আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ভাষা। প্ৰকৃতপক্ষে অসমীয়া জাজীয়তাবাদৰ মূল ভিত্তিয়ে আছিল ভাষা। বৃটিছৰ আমোলত অসমীয়া ভাষাৰ বিপৰ্য্যয় আৰম্ভ হয়। এই বিপৰ্য্যযৰ পৰা ভাষা উদ্ধাৰৰ বাবে চলোৱা প্ৰচেষ্টাৰ জৰিয়তেই অসমীয়া জাতীয়তাবাদ আকাৰ লাভ কৰিছিল। তেনে চিন্তাৰ ফলতে ১৯১৭ চনত অসম সাহিত্য সভাৰ জন্ম হয়। সেই সময়ত অসমীয়া ভাষা আছিল বৃহত্তৰ অসমীয়া সমাজৰ মূল ভাষা। অসম সাহিত্য সভা আছিল অসম অসমীয়া ভাষাৰ মূল অনুষ্ঠান। মূল অনুষ্ঠান হিচাপে অসম সাহিত্য সভাই অইন ভাষাৰ বিকাশত যেনেদৰে অৰিহণা যোগাব লাগিছিল তেনে ধৰণে নকৰিলে। ইয়াৰ বিপৰীতে অভিভাৱকৰ মুৰ্ত্তত অসমীয়া ভাষা সকলোৰে ভাষা হ'ব লাগিব বুলি কবলৈ ধৰাত অইন ভাষা ভাষীৰ লোকসকলে অসম সাহিত্য সভাৰ ওপৰত সন্দেহ কৰিব ধৰিলে। বড়ো ভাষাৰ লোকসকলে ১৯৫২ চনত বড়ো ভাষাৰ উন্নতিৰ কাৰণে বড়ো সাহিত্য সভা গঠন কৰে। সাহিত্য সভা গঠনৰ পিছতেই বড়ো অধ্যুষিত অঞ্চলত প্ৰাথমিক বিদ্যালয়ত বড়ো ভাষা প্ৰয়োগৰ দাবী তোলে। চৰকাৰে এই দাবী মানি ললে যদিও কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অহেতুক পলম কৰাত বড়োসকল অসন্তুষ্ট হব।

ইতিমধ্যে ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ ব্যৱস্থা আৰম্ভ হয়। ১৯৬২ চনত অসমীয়া ভাষা ৰাজ্য ভাষা হব বুলি অসম চৰকাৰে এখন বিল পাছ কৰে। সমগ্ৰ অসমত ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া আৰম্ভ হয়। অসম চৰকাৰে তৃতীয় শ্ৰেণীলৈ বড়ো ভাষা বাধ্যতামূলক কৰাৰ দাবী মানি ললেও কাৰ্য্যকৰী কৰাত আগ্ৰহ দেখা নগল। ফলত বড়োৰ লগে লগে অইন জনগোষ্ঠীবোৰো অসন্তুষ্ট হয়।

এনে সময়তে আহিল ভাষা নীতিৰ ক্ষেত্ৰত এটা অমঙ্গলীয় বছৰ। ১৯৭২ চনৰ ২৩ চেপ্তেম্বৰত অসম বিধান সভাই অসমৰ দুয়োখন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ ফলত বিভিন্ন ভাষা ভাষীৰ লোকেতীব্ৰ আন্দোলন আৰম্ভ কৰে। চৰকাৰে দমন নীতিৰে এই আন্দোলনবোৰ দমন কৰাৰ চেষ্টা চলায়। ফলত বড়ো জনগোষ্ঠীৰ সংগঠন PTCA প্ৰথমবাৰৰ বাবে উদয়াচল নামৰ সুকীয়া ৰাজ্যৰ দাবী উত্থাপন কৰে। আনহাতে অসমীয়া ভাষীৰ প্ৰভুত্ববাদৰ প্ৰতিবাদত ১৯৭৪ চনৰ পিছৰফালে অসমীয়া লিপিৰ বিপৰীতে ৰোমান লিপিৰ দাবী উত্থাপন কৰে।

বড়ো সকলৰ পিছত আন আন জনগোষ্ঠীবোৰেও বিভিন্ন দাবীৰ সমৰ্থনত আন্দোলন আৰম্ভ কৰিছে। এই আন্দোলনৰ জৰিয়তে কিছুমানে বিছাৰিছে স্বায়ত্ব শাসন আন কিছুমানে অসমৰ পৰা আতৰি যাব বিচাৰিছে। এই আন্দোলনবোৰৰ বাবে যে অসমীয়া জাতীয়তাবাদ বহুলাংশে দায়ী তাক অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু ইয়াৰ লগে লগে আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল জনজাতি সমাজত এক শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ আৱিৰ্ভাৱ। এই শ্ৰেণীটোৱে ভালদৰে বুজিছিল যে মূল সুতিৰ অসমীয়া সমাজত তেওঁলোকৰ অৱস্থান সুৰক্ষিত নহয় - সেয়েহে জনজাতি জাগৰণৰ জৰিয়তে তেওঁলোকে তেওঁলোকৰ অৱস্থান সুৰক্ষিত কৰিব বিছাৰিছে। কিন্তু যি স্বায়ত্ব শাসন আৰু বিচ্ছিন্নতাবাদেৰে তেওঁলোকৰ আশা পূৰণ কৰিব বিছাৰিছে সেয়া সম্ভৱ নহয় কিয়নো অসমৰ কোনো এটা অঞ্চলে সম্পূৰ্ণভাৱে এটা জনগোষ্ঠীৰ অধীনত নাই আৰু তেনে ব্যৱস্থাৰে সৰ্বসাধাৰণ জনজাতি

সমাজৰ উন্নতিও সম্ভৱ নহয়। ইয়াৰ উৎকৃষ্ট উদাহৰণ হ'ল ১৯৭২ চনত মেঘালয় সৃষ্টিৰ পিছত খাছী আৰু গাড়োসমাজৰ মাজত আজিও চলি থকা দণ্ড খৰিয়াল।

উগ্ৰ জাতীয়তাবাদী দৃষ্টিভংগীৰ অৱসান, গণতান্ত্ৰিক মূল্যবোধ, প্ৰগতিশীল চিন্তা আৰু ঐক্য সমন্বয়ৰ মাজেৰে গ'লেহে বৰ্তমান অসমীয়া সমাজে সন্মুখীন হোৱা জনগোষ্ঠীৰ সমস্যাৰ সমাধান সম্ভৱ হ'ব যিটো ব্যৱস্থা কাৰ্য্যকৰী ভাৱে এতিয়াও আগবঢ়া নাই।


প্ৰসংগ পুথি ঃ

১) অসমৰ জনজাতি সমস্যা -ঐতিহাসিক উৎস সন্ধান -শিৱনাথ বৰ্মন

২) অসমীয়া জাতীয়তাবাদৰ উৎস প্ৰসংগ -ডঃ প্ৰফুল্ল মহন্ত

৩) ইতিহাস চিন্তা -ডঃ ধ্ৰুৱজ্যোতি বৰা


—00—





# এইড্‌চ - মৃত্যুৰ বিভীষিকা

মঃ বাতুল হুছেইন

কুৰি শতিকাৰ আটাইতকৈ ভয়ানক ৰোগ হিচাপে সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা 'এইড্‌চ' Aequired Immuno Deficiency Syndrome অৰ্থ্যাৎ চমুকৈ AIDS বৰ্তমান প্ৰতি মিনিটত বিশ্বৰ কৰবাত এজনকৈ মানুহ এই ৰোগৰ চিকাৰ হৈছে। পুৰুষ নৰ-নাৰী, জাত-পাত, ধৰ্ম-অধৰ্মৰ বিচাৰ নকৰি বনজুইৰ দৰে এই ৰোগ সমগ্ৰ বিশ্বতে বিস্তাৰ হৈছে।

AIDS ৰোগ ১৯৮০ চনত প্ৰথম আমেৰিকাত ধৰা পৰিছিল ১৯৮৩ চনত ফ্ৰান্সৰ চিকিৎসা বিজ্ঞানী ডাঃ লক মন্টেনাৰে এই ৰোগৰ বীজানুৰ নাম দিছিল - Lampha Denvatty Associate Virus ( L.A.V.)। ভাৰতৰ মুম্বাইত প্ৰথমে এই ৰোগ ধৰা পৰে ১৯৮৭ চনত। সাধাৰণতে চিকিৎসক সকলে এই ৰোগ বিশৰ পৰা চল্লিশ বছৰৰ ভিতৰত হয় বুলি ঠাৱৰ কৰিছে। তথাপিও বাৰ বছৰৰ পৰা পোন্ধৰ বছৰৰ ল'ৰা-ছোৱালীও এই ৰোগত আক্ৰান্ত হোৱা দেখা যায়। সমগ্ৰ ভাৰতৰ লাখ লাখ AIDS ৰোগীৰ ভিতৰত উত্তৰ পূৰ্বাঞ্চলৰও ভালেমান ৰোগী চিনাক্ত হোৱালৈ চাই অচিৰে এই ৰোগে মহামাৰী ৰোগ ধাৰণ কৰিব বুলি ন-দি ক'ব পাৰি। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ১৯৯০ চনত এই ৰোগত এজন ৰোগীৰ মৃত্যু হৈছিল।

এই ৰোগৰ কেইটামান বিশেষ লক্ষণ আছে। H.I.V. অৰ্থ্যাৎ Human Immuno Deficiency Virus কেনেবাকৈ শৰীৰত প্ৰৱেশ কৰিব পাৰিলে তাতে থিতাপি পাতি ইহঁতে বংশ বৃদ্ধি কৰে। ইহঁত মৃত্যু পৰ্য্যন্ত জীয়াই থাকে। এই বীজানুৱে বেমাৰৰ লক্ষণত দেখা দিওতে সাতৰ পৰা পোন্ধৰ বছৰ সময় লোৱা দেখা যায়। মন কৰিবলগীয়া যে H.I.V. ভাইৰাচৰ ধ্বংস কৰাৰ কাৰণে এতিয়ালৈ বিশেষ ঔষধ আৱিস্কাৰ হোৱা নাই। এনে ৰোগীৰ মৃত্যু সেইবাবে অনিবাৰ্য্য। প্ৰতিৰোধে এই ৰোগৰ একমাত্ৰ প্ৰতিকাৰ।

মানুহৰ কেতবোৰ বদ স্বভাৱেই হ'ল এই ৰোগৰ মূল কাৰণ। যাৰে তাৰে লগত যৌন-সম্ভোগত লিপ্ত হ'লে; নিচাযুক্ত দৰৱত আসক্ত হৈ শৰীৰত যিকোনো বেজীৰে ঔষধ প্ৰবেশ কৰালে এই ৰোগ হ'ব পাৰে। যিহেতু এই ৰোগৰ প্ৰতিকাৰ অসম্ভৱ, গতিকে আমি সাৱধানতা অৱলম্বন কৰি এই ৰোগ প্ৰতিৰোধ কৰিব পাৰো। ইয়াৰ বাবে প্ৰয়োজন বহুল প্ৰচাৰৰ। এই ৰোগৰ কাৰণ আৰু প্ৰতিৰোধৰ ব্যৱস্থাৱলী সমাজৰ উঠি অহা চামটোক বুজাব লাগিব। বিদ্যালয়ৰ নিম্ন স্তৰৰ ছাত্ৰ-ছাত্ৰী সকলক এই ৰোগৰ বিষয়ে সজাগ কৰি তুলিব লাগিব। এই ৰোগৰ প্ৰতিকাৰৰ শিক্ষা গোটেই শিক্ষা ব্যৱস্থাতেই সাঙুৰি ল'ব লাগিব।

এই ৰোগৰ সতে মানুহৰ যৌন-জীৱন সাঙুৰ খাই আছে। কিন্তু ভাৰতৰ দৰে উন্নয়নশীল আৰু ৰক্ষণশীল দেশত এই বিষয়ে এতিয়াও ুকলিকৈ আলোচনা কৰিব পৰা হোৱা নাই। মাত্ৰ সংকোচ আৰু লজ্জাৰ খাতিৰত মাক-বাপেকে ল'ৰা-ছোৱালীক এইড্‌চৰ পৰা মুক্ত কৰাৰ বাবে জানিবলগীয়া কথাবোৰ জনাব নোৱাৰে। গতিকে সন্তানে ভূল পথলৈ HIV আক্ৰান্ত হ'লেওঁ অভিভাৱক নিমাতে থকাৰ বাহিৰে গত্যন্তৰ স্থান নাই। এই ৰোগৰ বিষয়ে ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ হ'লে বিদ্যালয় পৰ্য্যায়ত যৌন শিক্ষা প্ৰদান অপৰিহাৰ্য্য। কিন্তু ভাৰতীয় চিন্তাবিদসকলৰ গৰিষ্ঠ সংখ্যকৰ মতামত এনে যে স্কুল পৰ্য্যায়ত যৌন শিক্ষা প্ৰচলনে ছাত্ৰ-ছাত্ৰীক অধিক যৌন উশৃংখল কৰি তুলিব। এয়া কিমান দূৰ সম্ভৱ বৰ্তমান সময়ে ক'ব। ভাৰতত এইড্‌চৰ বিৰুদ্ধে জনগণক সচেতন কৰিবলৈ "ছ'চাইটি ফ্‌ৰ দা প্ৰমোচন অব্ য়ুথ' নামৰ সংগঠনটোৱে আগভাগ লৈছে। এওঁলোকে স্কুল-কলেজত এইড্‌চৰ ওপৰত সভা-সমিতি পাতি ছাত্ৰ-ছাত্ৰীক সজাগ কৰি তুলিবলৈ সক্ষম হৈছে। অসমতো এইড্‌চৰ সজাগতাৰ ওপৰত বিভিন্ন সেচ্ছাসেৱী সংগঠনে আগভাগ লোৱা দেখা গৈছে। তথাপিও সামগ্ৰীক সচেতনতা পৰিলক্ষিত হোৱা নাই। দূৰদৰ্শন, বাতৰি, আলোচনী, পোষ্টাৰ আদি প্ৰচাৰ মাধ্যমে এই ক্ষেত্ৰত কিছু সফলতা লাভ কৰিছে। তথাপিও দেশৰ প্ৰতিটো চুকে-কোণে এইড্‌চৰ ভয়াবহতা আৰু ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থাবোৰ প্ৰচাৰ কৰিলেহে এই ভয়ানক ৰোগ প্ৰতিহত হ'ব। কাৰণ প্ৰতিৰোধেই হ'ল এইড্‌চৰ প্ৰতিকাৰ। □

—00—

# এলবাৰ্ট আইনষ্টাইন- এক মহান প্ৰতিভা

ভাস্কৰ দাস
স্নাতক প্ৰথম বৰ্ষ

**বি**শ্বৰ সৰ্বোচ্চ সন্মান "নোবেল বঁটা" ৰে বিভূষিত হৈ ইয়াৰে আধা ধন অনাথ আশ্ৰমৰ নামত দান দি উদগনি যোগোৱা "দৰিদ্ৰৰ বন্ধু" আইনষ্টাইনৰ জন্ম হয় ১৮৭৯ চনৰ ১৪ মাৰ্চ তাৰিখে দক্ষিণ জাৰ্মানীৰ ৰাইটমাৰ্গ চহৰৰ 'উলেম' নামৰ এখনি সৰু ঠাইত। পিতৃ "হাৰমেন আইনষ্টাইন" আৰু মাতৃ "পাউলিন কোচ"। "হাৰমেন" এগৰাকী সাংবাদিক আৰু "পাউলিন" এগৰাকী সংগীত শিল্পী আছিল।

১৯৮০ চনত তেওঁলোকে "উলেমৰ" পৰা "মুনিচ" নামৰ চহৰলৈ উঠি আহে। মাকৰ সংগীত প্ৰিয়তাৰ বাবে আইনষ্টাইনে মাত্ৰ ছয় বছৰ বয়সতে বেহেলা বজাবলৈ শিকিছিল। কালক্ৰমত তেওঁ বিশ্বৰ শ্ৰেষ্ঠ বেহেলাবাদক সকলৰ ভিতৰত স্থান পাইছিল। এলবাৰ্টৰ খুড়াক "জেকবক আইনষ্টাইন" এলবাৰ্টৰ পথ প্ৰদৰ্শক বুলিব পাৰি।

এদিনাখন হঠাৎ - এলবাৰ্টে খুড়াকক প্ৰশ্ন কৰিছিল- বিজগণিত কি বস্তু? খুড়াকে উত্তৰ দিলে- "বীজগণিত হ'ল অংকশাস্ত্ৰৰ এটা ভাগ। ই x, y, z আদিক লৈ সৃষ্টি হৈছে - যিবোৰৰ বিষয়ে তুমি একোকে নজনা। সেয়ে এই নজনা বস্তুবোৰ উলিওৱা তোমাৰ কাম।"

তেতিয়াৰ পৰা আইনষ্টাইনে এইবোৰ নজনা কথা জানিবৰ বাবে দৃঢ় প্ৰতিজ্ঞ হৈ পৰিল। গণিত শাস্ত্ৰৰ প্ৰতি তেওঁ প্ৰবল আকৰ্ষণৰ বাবেই মাত্ৰ ১৫ বছৰ বয়সতেই ইউক্লিড, স্পিনোজা, নিউটন আদিৰ ৰচনাৰাজি পঢ়ি শেষ কৰে।

১৯৯৫ চনত "জাৰ্মানীৰ" ৰাজধানী "বাৰ্লিন" চহৰৰ পৰা ওলোৱা বিজ্ঞান আলোচনীত আইনষ্টাইনে লিখা "অন দি ইলেক্ট্ৰ'ডাইনামিক্স অব মুভিং বাডিচ" (On the electrodynamics of moving bodies) শীৰ্ষক এটি ৩০ পৃষ্ঠাজোৰা দীঘল প্ৰবন্ধ প্ৰকাশ হৈছিল। ইয়াৰ পিছতে "ৰিলেটিভিটি; ডিস্পেছিয়েল এণ্ড জেনেৰেল থিয়ৰি" নামৰ আন এটি তথ্য পূৰ্ণ প্ৰবন্ধ প্ৰকাশ হয়। ইয়াৰ লগে লগে বিজ্ঞানী মহলত চাঞ্চল্যৰ সৃষ্টি হয়। তেওঁৰ দ্বিতীয় প্ৰবন্ধটোৱে "আপেক্ষিকতাবাদ" নামেৰে জনপ্ৰিয়তা লাভ কৰে।

আইনষ্টাইনে আৱিস্কাৰ কৰা "আপেক্ষিকতাবাদ" তত্বই বিশ্বব্ৰহ্মাণ্ড আৰু মহাকৰ্ষণ সম্পৰ্কে ইমান দিনে মানি চলা "চাৰ আইজাক নিউটনৰ" গতি সুত্ৰসমূহ ভুল বুলি প্ৰমাণিত কৰিলে। পৰীক্ষা-নিৰীক্ষাৰ পাছত বৈজ্ঞানিকসকলে আপেক্ষিকতাবাদৰ তত্ত্ব সত্যতা মানি ল'বলৈ বাধ্য হয়। তেওঁ আধুনিক বিজ্ঞানলৈ আগবঢ়োৱা এই অৱদানৰ বাবে ১৯২১ চনত তেওঁক পদাৰ্থ বিজ্ঞানৰ "নোবেল বঁটা" পুৰস্কাৰেৰে সন্মানিত কৰা হয়।

১৯২৪ চনত তেওঁ জাৰ্মানী বিশ্ববিদ্যালয়ত অধ্যাপক ৰূপে চাকৰিত সোমায়। ইয়াৰ কিছুদিন পাছতেই আইনষ্টাইন প্ৰুচিয়ান একাডেমীৰ সন্মানিত সদস্য হয়।

আইনষ্টাইন এগৰাকী দাৰ্শনিক, সংগীতপ্ৰেমী, বিখ্যাত মানৱপ্ৰেমী আৰু শান্তি প্ৰিয় লোক আছিল। তেওঁ পৃথিৱীত শান্তি স্থাপন কৰিবলৈ আজীৱন প্ৰচেষ্টা চলাই গ'ল।

১৯৫৫ চনৰ ১৮ এপ্ৰিলৰ দিনা এই মহান বিজ্ঞানীজনে বিশ্ববাসীক কন্দুৱাই ইহসংসাৰ ত্যাগ কৰিলে। □

—০০—





অন্তৰংগ আলাপত অনুৰাধা শৰ্মা পূজাৰী

অন্তৰংগ আলাপত অনুৰাধা শৰ্মা পূজাৰী



## অন্তৰংগ আলাপত অনুৰাধা শৰ্মা পূজাৰী



অসমীয়া সাহিত্য জগতৰ সুসাহিত্যিক, সাংবাদিক, সাপ্তাহিক অসমীয়া বাতৰি কাকত 'সাদিন'ৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সৈতে এটি অন্তৰংগ আলাপ। আলাপ কৰিছে মনোজ কুমাৰ শৰ্মাই।

মনোজ ঃ আপোনাৰ সাংবাদিক বা সাহিত্যিক জীৱনত কাৰোবাৰ প্ৰেৰণা অনুভৱ কৰেনে?

অনুৰাধা ঃ মই নিজেই নিজৰ প্ৰেৰণা। তাৰোপৰি পঢ়ুৱৈৰ পৰাও প্ৰেৰণা লাভ কৰোঁ।

মনোজ ঃ সাহিত্য চৰ্চাৰে বৰ্ত্তমান অসমত জীৱন নিৰ্বাহ কৰা সম্ভৱনে?

অনুৰাধা ঃ ভাল লেখিব পাৰিলে সম্ভৱ।

মনোজ ঃ বৰ্ত্তমান অসমত গল্প, উপন্যাসতকৈ কবিতা চৰ্চাৰ পৰিমাণ যথেষ্ট বেছি। কিন্তু কবিতাবোৰ উচ্চ মানদণ্ডৰ হোৱা নাই বুলি সমালোচকবোৰে কোৱা শুনা যায়। যদি এই ধাৰা অব্যাহত থাকে তেতিয়াহ'লে নিশ্চয় আমাৰ সাহিত্য ক্ষেত্ৰখন দুৰ্বল হ'ব। আপুনি কি ভাবে?

অনুৰাধাঃ নহয়। ভাল কবিতাবোৰ ইয়াৰ মাজতে অমৰ হব।

মনোজঃ বাতৰি কাকতৰ আধিক্যই অসমত সাংবাদিকৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰিছে, কিন্তু অনুসন্ধানমূলক সংবাদতকৈ চাঞ্চল্যকাৰী সংবাদেৰেহে বাতৰি কাকতৰ পৃষ্ঠা ভৰি থাকে। এনেকুৱা অৱস্থাৰে আপুনি অসমৰ সাংবাদিকৰ ভৱিষ্যত কেনে আশা কৰে?

অনুৰাধাঃ ভয়ংকৰ। চাঞ্চল্যকাৰী খবৰে আৰু অনুসন্ধান নকৰাকৈ প্ৰকাশ কৰা খবৰে পঢ়ুৱৈক মিছাৰ প্ৰতি আগ্ৰহান্বিত কৰে। এনেকুৱা খবৰে আস্থাহীনতা, বিশ্বাসহীনতাৰ সৃষ্টি কৰে।

মনোজঃ সাধাৰণতে নতুন চাম লেখকৰ এটা অভিযোগ হ'ল পুৰণি সাহিত্যিক সকলে নতুন চাম লেখকক যিধৰণে উৎসাহ দিব লাগে তেনে ধৰণে নিদিয়ে। এইক্ষেত্ৰত আপোনাৰ অভিজ্ঞতা কেনেকুৱা?

অনুৰাধাঃ সাহিত্যৰ ক্ষেত্ৰতে নহয়, যিকোনো ক্ষেত্ৰতে উৎসাহৰ প্ৰয়োজন আছে। মই পুৰণি চামৰ দুই-তিনিজনমান বৰেণ্য সাহিত্যিকৰ পৰা লেখাৰ ক্ষেত্ৰত উৎসাহমূলক মন্তব্য পাইছো। উৎসাহ নাপালেও লোকচান নাই। পঢ়ুৱৈৰ উৎসাহহে প্ৰকৃততে লেখকৰ বাবে প্ৰেৰণা।

মনোজঃ সাহিত্যৰ লগত জড়িত ব্যক্তিসকলে বৰ্ত্তমান গভীৰ সাহিত্য সৃষ্টিত জড়িত হোৱাতকৈ তুলনামূলক ভাবে কম গভীৰ বিষয়বস্তুৰে

বাতৰি কাকত আলোচনীতহে জড়িত হোৱা দেখা গৈছে। ইয়ে অসমত গভীৰ সাহিত্য সৃষ্টিত বাধা নহবনে?

অনুৰাধাঃ বাতৰি কাকতৰ সাহিত্যই কম সময়ত চিন্তাৰ খোৰাক যোগায়। যিকোনো লেখাই বাতৰি কাকতত অগভীৰ, কিতাপত গভীৰ এয়া সত্য নহয়। চিন্তাৰ গভীৰতা দুটা শব্দতো প্ৰকাশ পাব পাৰে, কিন্তু এশ পৃষ্ঠাৰ গ্ৰন্থতো প্ৰকাশ নাপাব পাৰে। গতিকে ই সাংবাদিক ক্ষেত্ৰত বাধাৰ সৃষ্টি নকৰে।

মনোজ ঃ বৰ্ত্তমান বিভিন্ন পৰীক্ষাত ল'ৰা-ছোৱালীৰ উৰ্ত্তীণৰ হাৰ সমান হোৱা দেখা যায়। কিন্তু অইন কৰ্মক্ষেত্ৰৰ দৰে সাংবাদিক ক্ষেত্ৰত ছোৱালীৰ যোগদান কম দেখা যায়। এইক্ষেত্ৰত এজনী মহিলা হিচাপে আপুনি কি ক'ব বিচাৰে?

অনুৰাধাঃ অসমতহে ছোৱালী সাংবাদিক কম। অসমৰ বাহিৰত জন মাধ্যমত ছোৱালীৰ দপ্-দপনিয়ে বেছি। অনুসন্ধিৎসা, সাহস, কঠোৰ পৰিশ্ৰম আৰু সহনশীলতা এইকেইটা গুণ এজন প্ৰকৃত সাংবাদিকৰ গাত থাকিবই লাগিব। এই গুণ সমূহৰ অধিকাৰী ছোৱালী অসমীয়া সমাজত যথেষ্ট পৰিমানে বৃদ্ধি পোৱা নাই এতিয়ালৈকে।

মনোজ ঃ সাহিত্য সাধনাৰ লগে লগে আপুনি সাংবাদিকতাও কৰি আহিছে। বৰ্ত্তমান এখন জনপ্ৰিয় অসমীয়া সাপ্তাহিক কাকতৰ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদবীতো কাৰ্য্যনিৰ্বাহ কৰি আহিছে। এনেকুৱা অৱস্থাত আপোনাৰ সাহিত্য সাধনাত বাধাৰ সৃষ্টি হোৱা বুলি অনুভৱ নকৰেনে?

অনুৰাধা ঃ সময় ক'ম পাওঁ বাবে, সাহিত্য সৃষ্টিত বাধা পৰিছে বুলি ভাবো।

মনোজ ঃ এখন পুৰুষ প্ৰধান সমাজৰ নাৰী হিচাপে সাহিত্য সাধনা, সাংবাদিকতা, ঘৰ গৃহস্থ পৰিচালনা আদিত জড়িত হৈ আপোনাৰ জীৱনৰ উপলব্ধি কেনেকুৱা?

অনুৰাধাঃ মই পুৰুষ প্ৰধান সমাজত আছো বুলি আনে কলেহে মনত পৰে। নিজে অনুভৱ নকৰোঁ।

মনোজ ঃ অসমৰ সাম্প্ৰতিক পৰিস্থিতিত সৃষ্টি হোৱা সমস্যা সমূহৰ নিৰাময়ৰ ওপৰত আপোনাৰ মতামত কি?

অনুৰাধা ঃ নিৰাময় কোনোদিনে নহয়।

মনোজ ঃ কুমাৰ কিশোৰ সোঁৱৰণী বঁটা পোৱাৰ খবৰটো শুনি আপোনাৰ কেনে লাগিছিল?

অনুৰাধা ঃ পুৰস্কাৰ পালে বেয়া কোনেও নাপায়। ময়ো পোৱা নাই। অসম সাহিত্য সভাৰ এই পুৰস্কাৰটো যোৱা পাঁচ বছৰৰ শ্ৰেষ্ঠ উপন্যাসৰ বাবে দিয়া হৈছে। মই ভাবো, এই বঁটা আৰু দুখনমান আন লেখকৰ উপন্যাসে পোৱা উচিত আছিল। এটা কথাত মনটো ভাল লাগিল, এই পুৰস্কাটো মহিলা লেখিকাৰ উপন্যাসৰ বাবে সংৰক্ষিত বঁটা নহয়।

মনোজ ঃ এজন ব্যক্তিৰ সাফল্যৰ আৰত এগৰাকী মহিলাৰ ভূমিকা লেখত লবলগীয়া। এগৰাকী নাৰীৰ ক্ষেত্ৰতো এজন ব্যক্তিৰ তেনে ভূমিকা থাকিব পাৰে নেকি? এই সৰ্ন্দভত আপোনাৰ দৃষ্টিভঙ্গী কি?

অনুৰাধা ঃ সাফল্য নাপালেও মই সহযোগিতা পাইছো সকলো সময়ত মোৰ স্বামী প্ৰদীপ পূজাৰীৰ পৰা। □

—00—






অংকন-নিৰেণ

# আনন্দ আৰু শোকৰ এধাৰি মিশ্ৰিত চকুলো

বৰ্ণালী শৰ্মা,
স্নাতক প্ৰথম বাৰ্ষিক

বিভিন্ন চৰাই চিৰিকতিয়ে ভিন্ন স্বৰেৰে ৰাতিপুৱাৰ আগজাননি দিলে। সদানন্দ শইকীয়াই বিছনাৰ পৰা উঠি আলিবাটেৰে খোজ ল'লে। বাহিৰৰ শীতল বতাহজাকৰ মৃদু পৰশ। সেই পৰশে শইকীয়াকো স্পৰ্শ কৰি গ'ল। শইকীয়াৰ মনলৈ আহিল তেওঁ প্ৰতিস্থা কৰা হোটেলখনত কৰ্মব্যস্ত হৈ থকা জীৱনৰ কথা।

শইকীয়াই প্ৰতিস্থা কৰে তেওঁৰ ওচৰৰে নগৰখনত 'শইকীয়া হোটেল'। এটি স্বচ্ছল, সুন্দৰ জীৱন। অভিযেক আৰু অৰুনাভ নামৰ দুজন ল'ৰা তেওঁৰ। অৰুনাভ পঢ়াত অতিকৈ ভাল। অভিযেকে অভিনয় কৰিহে ভাল পায়। অৰুনাভ অত্যন্ত অমায়িক। পঢ়া শুনাত কৃতিত্ব অৰ্জন কৰি সি ক্ৰমে উচ্চখাপলৈ ধাৱমান হ'ল। এম.এ. পৰীক্ষাতো সুখ্যাতিৰে কৃতিত্ব অৰ্জন কৰি এখন কলেজৰ প্ৰৱক্তা হ'ল। অভিযেকে এদিন দেউতাকক ক'লে, "দেউতা তোমাৰো বয়স হৈ আহিছে। গতিকে ময়েই হোটেলখনৰ দায়িত্ব ল'ব পাৰো"। অভিযেকে নিজেই হোটেলৰ দায়িত্ব ল'বলৈ আগবাঢ়ি অহা দেখি শইকীয়াই খুব আনন্দ পালে আৰু অভিযেকক হোটেলৰ মালিক পাতিলে। অভিযেকে হোটেলখন ভালদৰে চলাই গ'ল। সি উপাৰ্জন কৰা টকাৰে নগৰৰ কেইবা ঠাইতো মাটি কিনিলে। বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অভিযেকে স্বইচ্ছাই টকা-পইচা দান কৰিলে।

এদিনাখন ৰাতিপুৱা অভিযেকে গা-ধুই আহি হোটেলত ধূপ জ্বলাই আছে। তেনেতে অভিযেকৰ পুৰণি বন্ধু বিমল আহি অভিযেকক ক'বলৈ ধৰিলে- "অভিযেক, তোৰ ভগৱানক পূজা কৰি থাকোতেই জীৱনটো যাব। অকল টকা-পইচা হ'লেই হ'লনে? জীৱনটোত ভালদৰে উপভোগ কৰিব জানিব লাগে। অভিনয়ো আজিকালি দেখোন বাদ দিছ। আজি বাৰু মোৰ সৈতে ফুৰিবলৈ সময় হ'বনে তোৰ?" অভিযেকে পুৰণি বন্ধুৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিব নোৱাৰি বিমলৰ সতে ফুৰিবলৈ গ'ল। অভিযেকে বিমলৰ সৈতে বহুত ঠাইত ঘূৰিলে। অভিযেকে ক'লে, "ব'ল, আমি অলপ চাহ খাই লওঁ।" বিমলে হাঁহিবলৈ ধৰিলে। সি ক'লে, "তই দেখিছো এতিয়াও সৰু ল'ৰা হৈয়েই আছ। চাহো খায়নে?" সি দুটা মদৰ বটল আনি এটা অভিযেকক দিলে আৰু এটা সি ল'লে। অভিযেকে প্ৰথম নাখাব বুলি ভাবিলে। পিছমুহূৰ্তত ভাবিলে, "টকা-পইচাক লৈ কিমাননো ব্যস্ত থাকিম, জীৱনৰ লক্ষ্য বিচাঁৰোতে জীৱনৰ আনন্দই হেৰুৱালোঁ। চাওঁচোন, আজি অলপ খাই চাওঁ।" অভিযেকে প্ৰথমবাৰৰ বাবে হাতত মদৰ বটল তুলি ল'লে।

অভিযেকৰ সময়ৰ চকৰি গতি কৰিলে অন্যফালে। সি সদায় মদ খাবলৈ ল'লে। ঘৰলৈকো নযোৱা হ'ল। হোটেল বেছিভাগ বন্ধ থকা হ'ল। লাহে-লাহে অভিযেকে হোটেলৰ চকী-মেজ বিক্ৰী কৰি দিলে। সি ড্ৰাগচ্ সেৱন কৰাও আৰম্ভ কৰিলে। নগৰত কিনা মাটিবোৰও বিক্ৰী কৰি দিলে। অৰুনাভে আহি দেউতাকক ক'লে, মই এইবাৰ লণ্ডনলৈ আমন্ত্ৰিত হৈছোঁ।" শইকীয়া খুব আনন্দিত হ'ল। সি অভিযেকৰ কথা শইকীয়াক সুধিলে। শইকীয়াই ক'লে, "অভিযেক বহুদিন ঘৰলৈ অহা নাই। বোধহয় ব্যৱসায়তে ব্যস্ত আছে। তই এবাৰ

গৈ তাক ঘৰলৈ লৈ আহিবি।" অৰুনাভে হোটেললৈ গৈ দেখে যে হোটেল বন্ধ। সি ওচৰৰ মানুখিনিক অভিযেকৰ কথা সুধিলে। তেওঁলোকে ক'লে যে- 'অভিযেকে এতিয়া মদ খাবলৈ লৈছে। হেটেলৰ সকলো বস্তু বিক্ৰী কৰিছে।" অৰুনাভে অভিযেকক বিচাৰি গৈ দেখিলে, সি কেইজনমান মানুহৰ সৈতে মদ খাই আছে। অৰুনাভে অভিযেকক মাতি আনি বহুত বুজাই-বঢ়াই ঘৰলৈ লৈ গ'ল। অভিযেকৰ মলিয়ন কাপোৰ-কানি দেখি দেউতাক স্তম্ভিত হ'ল আৰু যেতিয়াই তাৰ চৰিত্ৰৰ কথা জানিব পাৰিলে দেউতাক খুব ব্যথিত হ'ল। অৰুনাভে অভিযেকক নতুনকৈ ব্যৱসায় কৰিবলৈ টকা দিলে। কিন্তু অভিযেকে সেই টকাও মদ খোৱাত, ড্ৰাগচ্ সেৱন কৰাত খৰছ কৰিলে। লাহে-লাহে অভিযেকৰ নানান বেমাৰ আৰম্ভ হ'ল। শেষত সি ডাক্তৰৰ পৰামৰ্শ ল'লে। ডাক্তৰে ঘোষনা কৰিলে যে তাৰ দেহত মাৰত্মক এইড্ছ বেমাৰৰ লক্ষণ ফুটি উঠিছে।

এদিনাখন গধূলি শইকীয়াই বাৰান্দাৰ চকীখনত বহি আছে। এজন পিয়নে এখন তেওঁক চিঠি দি গ'ল। চিঠিখন অভিযেকৰ। অভিযেকে লিখিছে, 'দেউতা মোৰ সকলো দোষ মাৰ্জনা কৰিব। মই নিজ দোষৰ কাৰণে আজি মৃত্যুৰ পথৰ যাত্ৰী। মই এইড্চত আক্ৰান্ত। বন্ধু বিমলৰ প্ৰৰোচণাত পৰি মই নিজকে হেৰুৱাই পেলালো। অকল মোকেই নহয়, বিমলে আন কেবাজনো যুৱকক বিভিন্ন উপায়েৰে এই পথলৈ টানি আনি বিনিময়ত সি ড্ৰাগচ কোম্পানীৰ পৰা কমিচন লৈছে। তোমালৈ মোৰ অনুৰোধ, তুমি যেন এই স্বীকাৰোক্তি পত্ৰখন 'ড্ৰাগচ নিবাৰণী সন্থা'ৰ হাতত অৰ্পণ কৰা। অন্ততঃ মোৰ দৰে বহু যুৱকে বিমলৰ প্ৰৰোচনাৰ পৰা নিজকে মুক্ত কৰিব পাৰিব।" শইকীয়া শোকত ম্ৰিয়মাণ হৈ পৰিল। কেইদিনমান পিছতে অভিযেকে পৃথিৱীৰ পৰা চিৰবিদায় ল'লে। শইকীয়াই স্বীকাৰোক্তি পত্ৰখন 'ড্ৰাগচ নিবাৰণী সন্থা'ক অৰ্পণ কৰিলে। 'ড্ৰাগচ নিবাৰণী সন্থা'ৰ তত্বাবধানত পুলিচে বিমলক গ্ৰেপ্তাৰ কৰিলে।

অৰুনাভে লণ্ডনৰ পৰা আহি ঘৰ অভিমুখে ৰাওনা হ'ল। অৰুনাভে প্ৰাতঃভ্ৰমণ কৰি থকা দেউতাকক মাত দিলে, "দেউতা, কি ভাবি আছা? তাৰ কথা ভাবি থাকি এতিয়া একো লাভ নাই। সি নিজৰ মৃত্যু নিজেই মাতি আনিলে। আজি যুৱ প্ৰজন্ম এনকৈয়ে ধ্বংসৰ পথত আগবাঢ়িছে।" অলপ দূৰ গৈয়েই আকাশৰ পিনে চাই ঘটি যোৱা ঘটনাবোৰ ৰোমন্থন কৰি থকা শইকীয়া উচপ খাই উঠিল। অৰুনাভে ক'লে, "দেউতা, মই এইবাৰ আমেৰিকালৈ যাম। তোমাকো লগত লৈ যাম।" শইকীয়াই অৰুনাভক সাৱটি ধৰিলে। তেওঁৰ দুচকুৰে বৈ আহিল আনন্দ আৰু শোকৰ এধাৰি মিশ্ৰিত চকুলো।■

—00—

পুৰণি 'প্ৰাগ্জ্যোতি' ৰ সম্পাদকীয়ৰ পাতৰ পৰা—

এখন ওখ পাহাৰৰ এটি টিলাত থিয় হৈ এটি মিঠা সুহুৰি মাৰিলে পাহাৰত ঠেকা খাই উভতি অহা সুৱদি সুহুৰিটো মোৰ নিজৰ সৃষ্টি বুলি চিনাকি দি আমি গৌৰব কৰো অথচ সেই একেখন পাহাৰৰ টিলাত থিয় হৈ মৰা অশ্লীল কিৰিলীৰ প্ৰতিধ্বনিক কিন্তু নিজৰ বুলি চিনাকি নিদিওঁ। আমি সেই সত্যৰ প্ৰতিবাদ কৰি কওঁ সেইয়া পাহাৰৰ সিপাৰত বাস কৰা কোনোবা অসভ্য বৰ্বৰৰ চিঞৰ। আমি সমাজখন নিকা কৰিবলৈ হ'লে প্ৰথমেই ত্যাগ কৰিব লাগিব এনে মানসিকতা।

দশম বাৰ্ষিক সংখ্যা(১৯৯৭-৯৮ ইং) — সম্পাদক ঃ কংকন শৰ্মা







অংকন-নিৰেণ

# অ নু শো চ না

মনি কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

ক্ৰিং ক্ৰিং কৈ ফোনটো বাজি উঠিল কিন্তু অজিতে ফোনটো লবলৈ ইচ্ছা কৰা নাই, কাৰণ সি জানিছিল ফোনটো কাৰ হ'ব তথাপি সি ফোনটো উঠাই ল'লে আৰু ফোনৰ পৰা সি মৰ্মান্তিক দুখৰ খবৰটো পাই সি শোকত ম্ৰিয়মাণ হৈ পৰিল। তাৰ নিজ হাতেৰে কৰা অপকৰ্মৰ অনুশোচনাত। বাৰু প্ৰিয় পাঠক-পাঠিকাসকল আপোনালোকে গল্পটোত চাওঁকচোন লোভে মানুহক কি কৰিব পাৰে।

চহৰৰ মাজ মজিয়াত ধনীৰ দুলালী অজিতৰ ঘৰ। অজিত আছিল মাক-দেউতাকৰ একমাত্ৰ সন্তান। বৰ্তমান অজিত আত্মনিৰ্ভৰশীল আৰু বিবাহৰ যোগ্য পাৰ্থী অৰ্থ্যাৎ যৌৱনকাল। এই সময়ছোৱাত মানুহৰ থাকে অফুৰন্ত শক্তি কিন্তু থাকিলে বুলিয়ে যিকোনো কাৰণত প্ৰয়োগ কৰা অনুচিত কিন্তু অজিতে মন গলেই সুবিধা পালেই তাক প্ৰয়োগ কৰিছিল। অজিত আছিল এটি বৃহৎ কোম্পানীৰ মালিক সেই হেতুকে তেওঁৰ ওচৰলৈ বহুতো তৰুণী যুৱতী চাকৰি বিচাৰি আহিছিল আৰু চাকৰিৰ বিনিময়ত অজিতে তেওঁলোকৰ সতীত্ব হৰণ কৰিছিল। কিয় কৰিছিল নিৰীহ জনতাৰ ওপৰত এনেকুৱা অত্যাচাৰ ইয়াৰ বাবে প্ৰতিবাদ কৰা মানুহ নাছিল নেকি? নিশ্চয় আছিল কিন্তু কি হ'ব আজিকালি যে আইনও টকাৰ গোলাম। এদিনাখন ইয়াৰ ব্যতিক্ৰম ঘটিল। পুৰবী নামৰ এজনী ছোৱালীয়ে তেওঁৰ ওচৰলৈ আহিল। ছোৱালীজনী ৰূপে-গুণে অতুলনীয়, অজিতে তাইৰ মুখলৈ ভেবা লাগি চাই নিজৰ কৰ্মৰ বাবে আবেদন জনালে তেতিয়া তাই তাৰ উত্তৰ ভালদৰেই দিলে। আপোনাৰ বিষয়ে মই আগতেই শুনিছো কিন্তু ঘৰৰ দূৰবস্থাৰ বাবে আপোনাৰ ওচৰলৈ চাকৰি বিচাৰি আহিছো কিন্তু সতীত্ব বিক্ৰী কৰিবলৈ নহয়, এয়া সীতা-সাবিত্ৰীৰ দেশ বুজিছে। আপোনাক এটা কথা ক'ব পাৰো যে আপুনি যদি মোৰ প্ৰতি ইমান আকৃষ্ট তেনেহলে ঘৰৰ সন্মতি ক্ৰমে বিয়া নকৰায় কিয়? এনেকুৱা সৎ সাহসী আৰু বাকপটুতা দেখি অজিতে আচৰিত মানিলে আৰু ভাবিলে এনেকুৱা ছোৱালীহে কিজানি সমাজৰ কিছু পৰিবৰ্তন আনিব পাৰিব। মোৰ নিচিনা কামাতুৰ মানুহে কি কৰিম শেষত সেইদিনাখন ঘৰলৈ গৈ মাক-দেউতাকক কলে যে মই এজনী ছোৱালী পছন্দ কৰিছো গতিকে এতিয়া আপোনালোকৰ সন্মতিৰ আৱশ্যক। কথা হ'ল ছোৱালীজনী দুখীয়া পৰিয়ালৰ। প্ৰথমতে অজিতৰ মাকহঁতে দুখীয়া হোৱাৰ বাবে আপত্তি কৰিছিল পিছত ল'ৰাৰ মৰ্জিৰ বাবে সন্মতি জনালে। যথাসময়ত বিয়াৰ বন্দোবস্ত হ'ল আৰু বিয়াৰ বন্দোবস্ত কৰিবলৈ যোৱাত পুৰবীৰ দেউতাকে কৈছিল ছোৱালীজনীৰ ৰূপ-গুণ আছে হয় কিন্তু তাইৰ লগত দিবলৈ একোৱে নাই। অজিতে সেই সময়ত তপৰাই উত্তৰ দিলে, যে আমি আপোনালোকৰ যৌতুকক বিয়া কৰাবলৈ অহা নাই, মাথো আমাক লাগে বিয়াৰ দিনা চোতালখন। সময়ত মহা ধুম-ধামেৰে বিয়া হৈ গ'ল। বিয়াৰ পিছত অজিতৰ সেই পুৰণি স্বভাৱ পুৰবীয়ে নিকা কৰি পেলালে। সিহঁতৰ বৰ্তমান সুখৰ সংসাৰ কিন্তু নিয়তি খুব নিষ্ঠুৰ অৰ্থ্যাৎ দাতাই দিলেও বিধাতাই নিদিয়ে।

সেইদিনাখন সিহঁতৰ ঘৰৰ কাষৰ বৰুৱাৰ পুতেকৰ বিয়া। বিয়াত কইনাজনীক বহুত যৌতুক দিলে অথচ সি পিয়ন কিন্তু ছোৱালীজনীৰ বয়স হৈছে। সকলোৱে বৰুৱাৰ ঘৰৰ যৌতুকবোৰ চাই ক'লে যে আপোনালোকৰ অজিতেহে ইমানবোৰ পাব লাগিছিল বেচেৰাই নাপালে দিয়া । সি কিন্তু কইনা পালে ঠিকেই আচলতে এটা পালে যে এটা হেৰুৱাবই লাগিব অৰ্থাৎ এনেধৰণৰ কিছুমান বক্তব্য শুনি অজিতৰ মাক-দেউতাকে আগপিছ নুগুনি নিজৰ বোৱাৰীয়েকক নানা ধৰণৰ তিৰস্কাৰ কৰিব ধৰিলে। অলপতে কিবা কাৰণত চেলু উলিয়াই গালি পাৰে তথাপিতো সকলোৱে হজম কৰি আছিল কিন্তু পঞ্চইন্দ্ৰিয়ৰ দ্বাৰা গঠিত শৰীৰে কিমান হজম কৰিব বাৰু? অজিতে প্ৰথমে ইয়াৰ ঘোৰ প্ৰতিবাদ কৰিছিল কিন্তু শেষত সিও মাকৰ ফলীয়া হ'ল। বৰ্তমান পূৰবীৰ পানীত হাঁহ নচৰা অৱস্থা।

সেইদিনাখন সিহঁতৰ বিবাহ বাৰ্ষিক দিন, তাইৰ মনত নানা ধৰণৰ চিন্তাই বাহ লোৱাৰ বাবে তাইৰ আঞ্জাত অকণমান নিমখ বেছি হ'ল আৰু তাৰ কাৰণে শাহুৱেকে নকোৱাকৈ থাকিলেই বা কি? যা ৰূপ দেখুৱাই কাৰ ল'ৰাৰ লগত যাব পাৰো তাৰে চিন্তা কৰি আছিলি হবপাই ,যা বাপেৰেৰ ঘৰৰ পৰা কিবা পাৰ যদি আনগৈ, দেখা নাই সিহঁতক । এইবাৰ পূৰবীয়ে ক'লে আপুনি বাৰু কিমান যৌতুক আনিছিল কওকচোন -এই কথাষাৰ কোৱাৰ লগে লগে মাকৰ গাত হুলে বিন্ধা দি বিন্ধিলে আৰু ক'লে হেৰা আপুনি কি চাই আছে কেৰাচিনৰ ড্ৰামটো লৈ আহক, ঐ অজিত এইৰ গাত জুই লগাই দি আৰু মাকৰ আদেশ মৰ্মে সকলোবোৰ কৰি অজিতে চিঞৰিব ধৰিলে আৰু তেতিয়া মানুহবোৰে আহিহায় হায় কৰিব ধৰিলে। মানুহেও পূৰবীয়ে নিজে এই অপকৰ্ম কৰা বুলি ভাবিলে যদিও দ্বিধাবোধ কৰিলে। শেষত অজিত সমন্বিতে সকলোৱে পূৰবীক হস্পিতাললৈ নিলে আৰু গঞা ৰাইজে পুলিচক খবৰ দিয়াত পুলিচ হস্পিতালত প্ৰবেশ কৰিছিল। অজিতে পূৰবীক হস্পিতালত থৈ ঘৰলৈ আহিছিল আৰু সেইফালে পূৰবীৰ মৰো মৰো অৱস্থা আৰু পুলিচে জবানবন্দী ল'লে তেতিয়া পূৰবীয়ে সকলোকে অন্ধকাৰৰ পৰা পোহৰলৈ আনি শেষ শয়নত ভৰি দিলে। পূৰবীয়ে নিজেই অকপটে স্বীকাৰ কৰিলে যে এবছৰ সন্তান নহোৱা বাবে তাই নিজে আত্মহত্যা কৰা বুলি ফাঁকি দিলে আৰু সেই খবৰটো ইন্সপেক্টৰ বৰাই ফোনত জনোৱাত অজিতে ভাগৰি পৰিছে অপকৰ্মৰ বোজা মুৰত কিমান সহিব। ■



অংকন-নিৰেণ

# বেদনা

শ্ৰীনিতু ডেকা,
স্নাতক প্ৰথম বৰ্ষ

জীৱনত বহু সময়ত বহু ঠাইলৈ যাত্ৰা কৰিছো। কিন্তু আজিৰ এই যাত্ৰাটোত মোৰ মনত যি এটা অনুভৱ হৈছে, তেনে অনুভৱ কোনো যাত্ৰাতেই হোৱা নাছিল আৰু হয়তো কেতিয়াও নহব। এয়া প্লেনত মোৰ কাষৰ ছিটত মোৰ পত্নী মেঘালী আৰু পুত্ৰ মৃন্ময়। এটি সৰু সুখী পৰিয়াল। মই সুখী বাবে এই যাত্ৰাটোত কিবা এক গৌৰব অনুভৱ কৰিছো। ডুবাইৰ পৰা অসমলৈ মোৰ দৰে অৱস্থাপন্ন মানুহে বছৰত এবাৰ কিয় দুবাৰো আহিব পাৰো। কিন্তু মই অহা নাই। সুদীৰ্ঘ দহ বছৰ মই মোৰ মৰমৰ অসমখনলৈ অহা নাই। কিবা জেদ, হিংসা বা অপমানতে যেন মই খুব কষ্ট পাই আছিলো। ইমানদিনে এই যাত্ৰাৰ অন্তত যেতিয়া মই লগ পাব বিচৰা মানুহবোৰক লগ পাম- এজন এজনকৈ সকলোৰে আগত দহবছৰ আগতে নিশ্চুপ হৈ ৰ'বলগা হোৱা প্ৰশ্নবোৰৰ উত্তৰবোৰ দি যাম। মূৰ তুলি। ভাবিয়েই ভাল লাগিল মনটো। নিজৰ জীয়েকক অপ্সৰা বুলি ভবা মিছেছ ধৰিত্ৰী তালুকদাৰৰ আগত মেঘালীক থিয় কৰাই মই ক'ম চাওঁক, আপোনাৰ ছোৱালীতকৈ বহুগুণে বেছি ধুনীয়া ছোৱালী বিয়া কৰালো মই। মিঃ ধৰণী তালুকদাৰক মোৰ কাৰ্ডখন দি ক'ম মোৰ ডুবাইৰ বাংলালৈ আপোনাক নিমন্ত্ৰণ কৰিবলৈ আহিছো। আৰু যেতিয়া তেওঁলোকৰ একমাত্ৰ জীয়েক স্বয়ং হেমন্তীক লগ পাম, তেতিয়া মাথো ক'ম — মোৰ ল'ৰাটোৰ নাম কি জানা! মৃন্ময়। তেতিয়া বাৰু তাই কি কৰিব! হয়তো কান্দিব! কথাবোৰ ভাবি এক অনাবিল আনন্দ অনুভৱ কৰিলো মই। মেঘালী, মৃন্ময়লৈ চালো। দুয়ো নিজৰ নিজৰ ছিটত হাউলি আৰাম কৰিছে। বোধহয় টোপনি আহিছে দুয়োৰে। ময়ো ছিটত আৰামেৰে গাটো এৰি দি দহ বছৰ আগৰ সেই দিনবোৰ জুকিয়াই চাবলৈ ধৰিলো।

হেমন্তী তালুকদাৰ, অৰ্থ্যাৎ মুন আৰু মোৰ মাজত স্বাভাৱিক ভাৱেই জন্ম হৈছিল ভালপোৱাৰ। ময়ো ভাড়া কৰি থকা ঘৰৰ মালিকৰ ছোৱালী টিনাৰ বান্ধৱী আছিল হেমন্তী। আবেলি চোতালত কোনো সংগৰ আশাত অকলে অকলে বেডমিন্টন ৰেকেটেৰে ক'কটো কোবাই থাকোতে হঠাতে এজনী খুব ধুনীয়া ছোৱালী আগুৱাই আহিছিল মোৰ কাষলৈ। তায়েই হেমন্তী। ভাবিলে আচৰিত লাগে সেই অচিনাকি হেমন্তীয়ে পিছলৈ মোৰ কিমান আপোন কিমান মৰমৰ মুনজনী হৈ পৰিছিল। দুয়ো একেলগেই ৰচিছিলোঁ ভৱিষ্যতৰ মিঠা মিঠা সপোন। তাই প্ৰায়েই আবেগ বিহ্বল হৈ কৈছিল ময়েই হেনো তাইৰ প্ৰথম আৰু শেষ প্ৰেম। মোৰ ছবিখন তাই হেনো অন্তৰত খুব ধুনীয়াকৈ আঁকি ৰাখিছে যিখন তাই কোনোমতেই মচিব নোৱাৰে। চালা! প্ৰেমৰ ডাইলগ! বিৰক্তিত মোৰ থুৱাই দিবৰ মন গ'ল। মুন মাথো - মুনক চিৰদিনৰ বাবে নিজৰ কৰিব বিচাৰিয়ে মই গৈছিলো গুৱাহাটী হেন চহৰৰ এক লেখত ল'বলগীয়া ধনী ব্যৱসায়ী ধৰণী তালুকদাৰৰ ঘৰলৈ। কিয় যে গৈছিলো তালৈ মই। ইয়াৰ বাবে কেতিয়াবা নিজৰ ওপৰতেই খং উঠে। এতিয়াও প্ৰতি নিশা কাণত বাজে তেওঁলোকৰ কথা কেইষাৰ। মিঃ তালুকদাৰে চিগাৰেট হুপি হুপিয়েই মোক প্ৰশ্ন কৰিছিল- 'তোমাৰ নিজা ফ্লেট আছেনে? বাংলা আছেনে? মোৰ ছোৱালীক বিয়া কৰাই তুমি ক'ত ৰাখিবা? ভাৰা ঘৰত? মই কিং কৰ্তব্য বিমূঢ় হৈ মজিয়াতেই থিয় হৈ আছিলো। তেনেতে পুণৰ সম্মুখীন হৈছিলো মিচেছ তালুদাৰৰ বাক্যবাণীৰ- তোমাৰ চেহেৰাটো আইনাত ভালদৰে চাইচানে কেতিয়াবা? নিজক এবাৰ ভালদৰে চাই মোৰ ছোৱালীৰ মুখখনি চাবা। তেতিয়াই নিজে নিজে লাজ পাবা, বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ বাবে।

সেইদিনা মই কাকো একো উত্তৰ দিব পৰা নাছিলো। নিশ্চুপ হৈ থিয় হৈ ৰৈছিলো। কেইটামান মুহুৰ্ত। হঠাতে সম্বিত ঘুৰাই পোৱাৰ দৰেই বেগাই আঁতৰি আহিছিলো সেই অসহ্যকৰ বাংলাটোৰ পৰা।

ইমান অপমানেও মোক লৰাব পৰা নাছিল মুনৰ সান্নিধ্যৰ বাবেই। মুনে মোক ভাল পায়। মোৰ বাবে এয়াই শান্তি। কিন্তু শেষত এদিন মুনেও মোক বিদ্ৰুপ কৰি হাঁহি হাঁহি আঁতৰি গ'ল। তাই স্পষ্টভাৱে কৈ উঠিছিল - 'মোক পাহৰি যোৱা নিতুল। মই প্ৰণৱ কলিতাৰ লগত বিয়া হ'ম। মাহঁতে ইয়াকেই বিচাৰে।'

এক ঘৃণা, এক অপমানবোধে সেইদিনা কিন্তু মোক ভালদৰে কোবাই গৈছিল। মই সংকল্প লৈছিলো সিহঁতক দেখুৱাবলৈ। মই ডাঙৰ মানুহ হ'ম। এক সন্মানীয় ব্যক্তি- যাৰ ধুনীয়া বাংলাও থাকিব, থাকিব মাৰ্চিডিজ কাৰ। পাপা! আৰু কিমান দূৰ আছে! তিনিবছৰীয়া মৃন্ময়ে টোপনিয়াই টোপনিয়াই সুধিলে।

আৰু অলপ সময় আছে বাবা! মই তাৰ মূৰত মৰমেৰে হাত ফুৰাই কৈ উঠিলো। সি আকৌ চকু মুদি দিলে। সচাঁকৈয়ে আৰু বেছি দূৰ নাই। অলপ পাছতে হয়তো এয়াৰ হোষ্টেজ গৰাকীয়ে চিতৰ বেল্টেৰে ককাঁলত ভালদৰে বান্ধিবলৈ ক'ব। প্লেনখন হয়তো কিছুসময় পিছতে লেণ্ডিং কৰিব। মই আকৌ উভতি গ'লো অতীতলৈ।

তিনিবছৰ আগতে গিৰিয়েক বিকিৰ লগত ডুবাইলৈ আহিছিল টিনা পৰাশৰ। সেইজনী টিনা, যাৰ ঘৰতেই মই ভাড়া কৰি আছিলো মুনৰ কথা নোসোধো-নোসোধো বুলিও সুধি পেলাইছিলো। তাইয়েই কৈছিল, মুন এতিয়াও নিঃ সন্তান। আচৰিতভাৱে সুখী হৈছিলো মই। তাৰ কেইদিনমান পিছতেই জন্ম হোৱা মোৰ ল'ৰাটোৰ নাম ৰাখিছিলো মৃন্ময়। মুনৰ সপোন আছিল তাইৰ ল'ৰাটোৰ নাম মৃন্ময় দিয়াৰ। ভগৱানে তাইক সন্তান নিদিলে, দিলে মোক। ভগৱান আছে। সচাঁকৈয়ে আছে। এক তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল মোৰ মুখমণ্ডলত।

মোৰ সম্মুখত সেই একেই ঠাই। সেই একেটা বাংলা। একেই মানুহ। মিঃ আৰু মিচেছ তালুকদাৰ। মাথো মাজতে পাৰ হৈ গৈছে সুদীৰ্ঘ দহটা বছৰ। এই দহবছৰে ক'ব বিচাৰি থকা দুয়োষাৰ কথাই ক'লো তেওঁলোকক। নিজৰ পত্নীক দেখুৱাই গৌৰৱ অনুভৱ কৰিলো তেওঁলোকৰ সম্মুখত। সেইদিনা তেওঁলোকৰ মুখত যি ইতিকিঙৰ হাঁহি বিৰিঙিছিল আজি সেই হাঁহি বিৰিঙিছে মোৰ মুখত। তেওঁলোক আজি নিশ্চুপ। ঠিকেই সকলোৰে সময় একেদৰেই নাযায়। তেওঁলোকৰ পৰাই বিচাৰিলো মুনৰ ঠিকনাটো। এইবাৰ তাইক দেখুৱাব লাগিব মোৰ মৰমলগা ল'ৰা মৃন্ময়ক। কাৰ্ড এখন আগবঢ়াই দিলে মিঃ তালুকদাৰে। মই অলপ আচৰিত হৈয়েই লাহে লাহে আঁতৰি আহিলো তাৰ পৰা।

মেঘালীক হোটেলতে নমাই মৃন্ময়ক কোলাত লৈ এয়া মই ৰৈ আছো মুনৰ অপেক্ষাত মুন কিয় ইয়াত আছে। কিবা অবুজ অবুজ লাগিল বিষয়টো।

হঠাতে মোৰ সম্মুখত থিয় দিলে বগা সাজ পৰিহিতা ডিঙিত ক্ৰছ পিন্ধা এগৰাকী মাদাৰ।

তুমি! এই সাজত? প্ৰায় চিএৰিয়ে উঠিলো মই। মোৰ চকুত অপাৰ বিস্ময়। মুনে মাথো হাঁহিছে। নীৰৱে মুনৰ মুখখনিত মই যেন দেখিছো মৃদু জোনাক। যাৰ পোহৰত আলোকিত হৈ উঠিছে অনাথ আশ্ৰমৰ প্ৰতিজন শিশুৰ মুখ। নিজকে বিলাই দিছে এই অসংখ্য অসহায় শিশুৰ মাজত। মুনক কবলৈ অহা কথাষাৰ মোৰ আৰু কোৱা নহ'ল। হঠাতে মুনে সুধিলে মৃন্ময়ৰ নাম।

মৃন্ম.........য় ! কোমল মাতেৰে কৈ উঠিল মৃন্ময়ে। মুনৰ কি অনুভৱ হ'ল মই নাজানিলো। কাৰণ এই মুহুৰ্তত মুনলৈ ছোৱাৰ সাহস মোৰ নহ'ল।

মুনৰ পৰা কোনোমতে বিদায় লৈ গাড়ী দৌৰালো টিনাৰ ঘৰ অভিমুখে।

এয়া প্লেনৰ ছিটত মই। হঠাতে যেন খুব ডাঙৰ ধুমুহা এটা পাৰ হৈ গ'ল মোৰ জীৱনত। মই মাথো চাই ৰ'লো। কৰিবলৈ একোৱেই নাই। টিনাই মোক মুন নিঃ সন্তান বুলি কৈছিল সঁচা কিন্তু এয়া কোৱা নাছিল মুন যে অবিবাহিতা। মাথো মুনে মানা কৰা বাবেই মোক কোৱা নাছিল তাই। মুনে হৃদয়ত আঁকি থোৱা মোৰ ছবিখন তাই মচি ল'ব নোৱাৰিলে। তাৰু সেইজনী মুনক আজি মই দহ বছৰে............! কিবা এক অসহ্য বেদনাত মূৰটো বিষাই উঠিল।

মই আজি অসুখী। মোৰ প্ৰতি মুনৰ প্ৰেম ইমান পবিত্ৰ আছিল যে মই হয়তো ইয়াৰ বাবে জীৱনত আৰু কোনোদিনে শান্তি নাপাম। আজি মই অলপো সুখী নহয়। ডুবাইত ইমান ডাঙৰ বাংলাত থাকিও, ইমান সন্মানীয় বিজনেছমেন হৈয়ো আজি মই অলপো সুখী নহয়। কাষত বহি থকা অসম্ভৱ ধুনীয়া গাভৰু পত্নী মেঘালীয়েও মোক সুখী কৰিব পৰা নাই। আৰু মোৰ মৰমৰ সন্তান মৃন্ময়! তাক লৈয়ো মই আজি সুখী নহয়। ভীষণ অশান্তিত ভুগিছো মই। মোৰ চকুত ভাঁহিছে মাথো এযুৰি চকু - য'ত নাই কোনো অভিযোগ। সেই বাবে মই অসুখী!!!

# গল্পঃ এ কে ৫৬

গৌতম দত্ত,
উঃ মাঃ ১ম বৰ্ষ

**আ**জি কৌশিক আহিব। গাঁওৰ সকলো মানুহে যেতিয়া শুই নিঃ পালি দিব তেতিয়া সি আহিব। জানুৱাৰী মাহৰ হাৰ কঁপোৱা জাৰৰ মাজতো সি আজি নিজৰ জন্ম স্থানলৈ আহিব। আজিৰ পৰা ৭ দিন মান আগতে তাৰ পৰা এখন চিঠি আহিছিল, তাৰ মাক দেউতাক আৰু অতিকৈ মৰমৰ ভনী বৰ্ণালী জনীলৈ, সি চিঠিখনত লিখিছে যে সি অহা জানুৱাৰী মাহতে ঘৰলৈ আহিব আৰু কিছুমান বস্তু ঘৰলৈ আনিব; যেনে মাকলৈ এযোৰ মেখেলা-চাদৰ, দেউতাকলৈ এযোৰ ধুতি-চোলা আৰু তাৰ কলিজাৰ এফাল ভনীজনলৈ আনিব এটা এ কে ৫৬ আৰু আনিব সি নিজ হাতে বনোৱা পিস্তল।

মাকে এইবোৰ কথাকে ভাবি ৰান্ধনী শালত পিঠা-লাডু বনাই আছে। কিছু সময় পিছত মাকে বাহিৰলৈ আহি অনুমান কৰিলে- নিশা গভীৰ হৈ আহিছে, গাঁওৰ সকলো মানুহ নিদ্ৰাদেবীৰ কোলাত শুই পৰিছে। গাঁওৰ ডেকাবোৰ মেজিৰ কাষত শুই পৰিছে। তেতিয়া মাকে ভাবিলে গাঁওৰ সকলো শুইছে যেতিয়া আমাৰ কৌশিক আহিবৰ বাবে মুকলি পথ এটি আছে। মাকৰ দুগালেৰে দুটোপাল আনন্দৰ চকুলোঁ বাগৰি পৰিল। চাদৰৰ আঁচলেৰে অশ্ৰুসিক্ত গাল দুখন মচি ঘৰৰ ভিতৰলৈ আহিল। ঘৰত সোমাই মাকে দেখিলে দেউতাক নিদ্ৰাতে নিমগ্ন হৈ যেন সপোন দেখিএ আছে আৰু এইফালে কৌশিকৰ অতিকৈ মৰমৰ ভনী বৰ্ণালী গাৰুত মুখ গুজি উচুপি আছে। মাকে আলফুলকৈ বৰ্ণালীৰ মুৰত হাত বুলাই সুধিলে মাজনী তই কিয় কান্দিছ? আজি তোৰ দাদা আহিব নহয়, নাকান্দিবি। কিছুসময় নিৰৱতাৰ মাজেৰে পাৰ হ'ল। নিৰৱতা ভংগ কৰি নিশাৰ ঘড়ীটো দুই বজাৰ সংকেত দিলে। বৰ্ণালীয়ে তেতিয়া মাকক শুধিলে- মা দাদা যদি আজিয়েই আহে তেতিয়া হ'লে এতিয়ালৈকে কিয় অহা নাই? ঠিক সেই সময়তে পাক ঘৰৰ দুৱাৰত এতি মৃদু টোকৰ পৰিল, লগে লগে মাক আৰু বৰ্ণালীৰ নোম সিয়ৰি উঠিল, ভয়ত নে আনন্দত তাক অনুমান কৰিব পৰা নাযায়। দুয়ো সেই ফালে চালে। কিছুসময় পিছত আকৌ এটি টোকৰ পৰিল, আগতকৈ অলপ ডাঙৰ। তাৰ পাছত মাকে গৈ দুৱাৰ খুলি দেখে সম্মুখত কৌশিক। মাকে তাক সাৱটি ধৰিলে আৰু দুৱাৰ খন বন্ধ কৰি বৰ ঘৰলৈ সোমাই আহিল। মাকে আনন্দত কি কৰিব লাগে পাহৰি গ'ল। কেইটামান গালে-মুখে চুমা খালে। তাৰ পিছত পাক ঘৰলৈ নি ভাত খাবলৈ দি কাষতে বহিল। ভনীয়েক বৰ্ণালী একেথৰে কৌশিকৰ মুখলৈ চাই আছিল। সি ভাত খাই থকাৰ পৰাই বৰ্ণালীক কলে — কি ভাবিছ সোনজনী, মোৰ ওপৰত তোৰ খং উঠিছে নহয় । তাই অভিমানৰ সুৰত কলে নুঠিব কিয় ? তই চিঠিত কি লিখিছিলি ? মোলৈ কিবা কিবি......... তাইৰ কথাৰ আত হেৰাই গ'ল । তাৰপিছত কৌশিকে কলে,ও সেই কাৰণে মোৰ ওপৰত খং । ঠিক আছে অহাবাৰ আহোতে লৈ আহিম। এতিয়া সেইবোৰ বাদ দে, তই এতিয়া ক'ত আছ ক'চোন? মাকে আগ্ৰহেৰে শুধিলে । তেতিয়া কৌশিকে কলে- মা তুমি মোক এইবোৰ কথা... বাকীখিনি বুজিব পাৰি বৰ্ণালী দদায়েকৰ হাতত ধৰি আতৰাই লৈ গ'ল তাইৰ ৰুমলৈ । ভনীয়েকৰ বিচনাতে সি বহিল, তাৰপিছত এনেয়ে শুই পৰিল । তাক এটা আনন্দৰ টোপনিয়ে উঠিব নোৱাৰাকৈ হেঁচা মাৰি ধৰিলে। দদায়েকলৈ চোৱাৰ লগে লগে বৰ্ণালীৰ মনত পৰিল সেই ৰাজীৱৰ কথাটি, দুচকুৰ পতা জাপ খালে ।

বৰ্ণালী তেতিয়া দ্বাদশ শ্ৰেণীৰ ছাত্ৰী। পঢ়া শুনাই তাই কম্পিউটাৰত কৈয়ো বেগী বুলি কলেও ভুল নহয়। পিছে মাজে মাজে পঢ়াত আউল লগায় ৰাজীৱে ।

সিদিনাখন আছিল সোমবাৰ । বৰ্ণালীয়ে লাহে লাহে কলেজ অভিমুখে গৈ আছে । হঠাতে তাইক পিছ পিনৰ পৰা কোনোবাই মতা যেন পালে । তাই এক ভংগীৰে পিছফাললৈ ঘুৰি চালে, অলপ দুৰৈত দেখিলে এখন Passion plus ৰ ওপৰত ৰাজীৱ বহি আছে। লাহে লাহে তাই ৰাজীৱৰ কাষলৈ আহিল। মুখৰ পিনে চাই শুধিলে- কিবা কবা নেকি; ৰাজীৱে অলপ গহিনাই কলে, বৰ্ণালী মই তোমাক এটা কথা কব লগীয়া আছে, অলপ মোৰ গাড়ীত বহি আগবাঢ়ি যাবা নেকি? বৰ্ণালীয়ে তাক শুধিলে- এই খন ললা নেকি? ৰাজীৱে এটা গৌৰৱৰ হাঁহি মাৰি কলে, তেনে বুলিয়েই ধৰা। ঠিক সেই সময়তে কোনোৱাই ৰাজীৱ বুলি মতা শুনি দুয়ো সেইফালে চালে। সেইফালে চাই দেখিলে যে এজন ল'ৰাই এখন ভঙা চিঙা চাইকেল লৈ ৰাজীৱৰ ফালে আহি আছে। কাষ চাপি ল'ৰাজনে কলে ৰাজীৱ তোৰ চাইকেল ল' ভাই, এই খনেৰে আৰু আগবাঢ়িব নোৱাৰো। দুয়োটা চকা পামচাৰ, বেলটোৱে ডিষ্টাৰ্ব কৰে। গতিকে তোৰ গাড়ী তই ল' মোৰ গাড়ী মোক দে, ৰাজীৱ শিল পৰা কপৌজনীৰ দৰে ঠিয় দি থাকিল. বৰ্ণালী তাত আৰু নৰ'ল, যাওতে কৈ গ'ল- ৰাজীৱ তুমি আনৰ বেঙেনাৰে হবিজ কৰা নহয়, মই যাও মোৰ ক্লাচ আছে। বৰ্ণালী বেগেৰে আতৰ হ'ল। তেতিয়াৰ পৰা ৰাজীৱে বৰ্ণালীক লগ ধৰা নাই।

দদায়েকৰ মুখৰ ফালে চাই তাই ভাৱিলে- এই কথা যদি দাদাক কও ৰাজীৱক ক্ষমা নকৰে কিন্তু এইটো খাতাঙ। কৌশিক ধহ্মহকৈ উঠি বহিল। চকু দুটা পিহি বৰ্ণালীৰ গালত এটা মৰমৰ চৰ মাৰি ক'লে- অহাবাৰ আহিলে বহুত কিবা-কিবি লৈ আহিম। বৰ্ণালী হাঁহি মাৰি কৌশিকৰ কোলাত শুই মৰমেৰে ক'লে-দাদা মাক নকলি নাই তই মোক কৈ যা তই ক'ত থাক। তেতিয়া কৌশিকে কলে- মই এতিয়া আছো ভূটানৰ অতব্য অৰণ্যৰ মাজত। মাক হলে নকবি দুখ কৰিব। বাৰু নকও, তই আৰু কেতিয়া আহিবি ? -বৰ্ণালীয়ে শুধিলে। কিয়, পূজাত আহিম নহয়। এইৱাৰ পূজাত মোৰ বন্ধু এজনো আহিব, নাম হ'ল ৰাজীৱ; আৰু কেবাজনো আহিম বুলি কৈছে। বৰ্ণালীয়ে ৰাজীৱ শব্দটো শুনাৰ পিছত বাকী খিনি নুশুনিলে। তাইৰ কাণ দুখন গৰম হৈ আহিল। গাল দুখন ৰঙা পৰি গ'ল, ভাগ্য ভাল কৌশিকে তাইলৈ লক্ষ্য নকৰি তলমুৰ কৰি বহি আছে।

এনেতে দেউতাকে আহি শুধিলে-বাপু তই কেতিয়াবাই আহিছ নেকি ।দেউতা, অ মোটা মুটি এক ঘণ্টা। ইমান সময় হ'ল তই আহিবৰ, তথাপি মোক এবাৰ নামাত। বাৰু বাদ দে সেইবোৰ। হেৰি নহয় ... তোৰ যে এজন বন্ধু আছিল... কি নাম আছিল ..... ৰাজীৱ নে কি, সিবোলে আত্মসমৰ্পণ কৰিছে। তেতিয়া কৌশিকে শুধিলে দেউতা তুমি কত গ'ম পালা; দেউতাকে ক'লে কিয় বাতৰিত। তই বোধহয় গমেই নাপাঅ' হয় মই গম পোৱা নাই। কৌশিকে গমেই পোৱা নাছিল যে ৰাতি পূৱাবলৈ আৰু বেছি সময় নাই। সি এবাৰ ঘড়ীটোৰ ফালে চাই চ'ক খাই উঠিল। তাৰ পিছত মাক -দেউতাকক সেৱা জনাই, বৰ্ণালীক এটা মিঠা চুমা আকি দি পিছ দুৱাৰেদি এন্ধাৰৰ সতে মিলি দূৰলৈ গুচি গ'ল। ভনিয়েক আৰু মাকে সি যোৱাৰ ফালে চাই চকুলো টুকিলে! দুখ আৰু আনন্দৰ মিশ্ৰিত চকুলোঁ।

তাৰ পাছত দেউতাকে বেৰত ওলোমাই থোৱা কৌশিকৰ ফটোখনৰ পিনে চাই কবলৈ ধৰিলে — বাপু তই আৰু এইখন ঘৰলৈ আহিবিনে? মোৰ মনৰ মিঠা সপোনবোৰ পূৰ্ণ কৰিব পাৰিবিনে? লাহে লাহে দেউতাক তাৰ পৰা আতৰি আহি বিচনাত শুই পৰিল। এটা গধুৰ বেদনাই দেউতাকক হেঁচা মাৰি ধৰিলে, তাৰ মাজতে দেউতাক টোপনি গ'ল।

কৌশিক এখন দোকানৰ সম্মুখত থিয় হৈ দোকানিক পাণ এটা বনাবলৈ কৈ এনেয়ে থিয় হৈ ৰ'ল। এনেতে দেখিলে সিহঁতৰ গোপন তথ্য সংগ্ৰহকাৰী দিশান্ত, মানে সেই ল'ৰাজন যিজন ল'ৰাৰ গাড়ীত ৰাজীৱে বহি বৰ্ণালীৰ লগত কথা পাতিছিল। কৌশিকৰ কাষ চাপি দিশান্তই সেইদিনা ৰাজীৱ আৰু বৰ্ণালীক কথা পতাৰ গোটেই

ঘটনাটো বিৱৰি কলে। কথা শুনি কৌশিক ক্ৰোধত অগ্নিশৰ্মা হৈ পৰিল। কাৰণ দুটা, এফালে বৰ্ণালী পিছ লোৱা আনফালে চাৰেণ্ডাৰ। দুয়োটা কাৰণে কৌশিকৰ পকেটৰ পিষ্টলটো জগাই তুলিলে। লাহে লাহে কৌশিক নিজৰ গন্তব্য স্থানলৈ আগ বাঢ়িল।

কৌশিক যোৱাৰ কেইদিনমান পিছত সিহঁতৰ ঘৰলৈ কেইজনমান সৈনিক ধহ-মহকৈ ঘৰৰ ভিতৰলৈ সোমাই আহিল। ঘৰৰ ভিতৰত সোমাই দেউতাকক এজন সৈনিকে সুধিলে -- ঐ বুঢ়া, পুতেৰ ক'ত? সোনকালে ক ক'ত লুকুৱাই থৈছ? বুঢ়াই কলে -- বাপু দেখোন অহাই নাই , নাহিলে কাক লুকুৱাই থম? হয় নেকি সঁচা কথা ক- নহলে মুখ গুৰি কৰি দিম বুজিছ। তাৰ পিছত মাকক সুধিলে, মাকৰো একে উত্তৰ। এজনে মাকক গতা মাৰি দি মাটিত পেলাই দিলে। এইবাৰ কেইজনমান বৰ্ণালীৰ ওচৰলৈ গ'ল। এজনে বৰ্ণালীৰ হাতত থাপ মাৰি ধৰি .......বৰ্ণালীয়ে ভাবিলে আজি যদি দাদাই মোক এটা "এ-কে ৫৬ " দিলেহেঁতেন, মই এই পাষণ্ডৰ লাওখোলা উৰুৱাই দিলোহেঁতেন। তাৰ পিছত আৰু বৰ্ণালী ভাবিব নোৱাৰিলে। কেইজনমানে পাক ঘৰলৈ গৈ লাডু-পিঠা আদি মজিয়াত চতিয়াই দিলে আৰু মাক দেউতাকক কেইটামান সোধাই সিহঁত আতৰি গ'ল। দেউতাকে হঠাৎ এজনৰ মুখৰ পিনে চাই চিনি পাইছিল বৰ্ণালীক অত্যাচাৰ কৰা সেইজন হ'ল ৰাজীৱ দত্ত, সৈনিকৰ বেশধাৰী দানৱ।

কৌশিকৰ এতিয়া প্ৰথম কাম ৰাজীৱক বিচাৰি উলিওৱা। ৰাজীৱৰ বিষয়ে এইবোৰ চিন্তা কৰি থাকোতে দিশান্তই আহি কৌশিকক ক'লে - এই কৌশিক শুন ৰাজীৱ, সেই যে পাণ দোকানখন আছে তাৰে পিছফালে জুৱা খেলি আছে। কথা শুনি কৌশিক গৰম হৈ গ'ল। সি দিশান্তক ক'লে - এতিয়াই তই ৰাজীৱক মই মতা বুলি কগৈ যা। কিছু সময় পিছত ৰাজীৱ আহিল কৌশিকৰ ওচৰলৈ। দিশান্ত বাহিৰতে ৰ'ল। কৌশিক চিগাৰেট হুপাত মগ্ন। ৰাজীৱে ঠাট্টাৰ সুৰত কলে- হেৰ বিপ্লৱী যুৱক কিনো খৱৰ? ৰাজীৱৰ কথাত কৌশিকৰ খং উঠি গ'ল। কৌশিকে কলে - ৰাজীৱ মুখ চম্ভালি কথা কবি নহলে ...। নহলে, কি কৰিবি বুলি কৈ ৰাজীৱে পকেটৰ পৰা পিষ্টল উলিয়ালে। লগে লগে দিশান্তই দুৱাৰ মুখৰ পৰা মাত লগালে Relax Rajib Relax. যাৰ হাতত পিষ্টল চিলাই মেচিন চলা দিয়ে তাৰ হাতত আজি দুটা পিষ্টল, ভাবি চাবি কিমান ভয়ংকৰ হব পাৰে।

লগে লগে ৰাজীৱে পিষ্টলটো পকেটত ভৰাই ভাল লগাবৰ কাৰণে কৌশিকৰ ওচৰত বহি পৰিল। তাকে দেখি কৌশিকে কলে- তোক কোনে বহিব কলে? ৰাজীৱে কলে মই আজিলৈকে কাৰো অনুমতি বহা নাই। কৌশিকেও সমান স্বৰত ক'লে- মইও আজিলৈকে বিনা অনুমতিত কাকো বহিবলৈ দিয়া নাই। ৰাজীৱে আকৌ পিষ্টল উলিয়াই কৌশিকৰ পিনে টোৱালে। লগে লগে দিশান্তৰ পিষ্টলৰ গুলীয়ে ৰাজীৱৰ হাতত আঘাত কৰিলে। পিষ্টল গৈ কৰবাত পৰি থাকিল। তাৰ পিছত কৌশিকে পকেটৰ পৰা ছালফিউৰীক এচিডৰ বটলটো উলিয়াই ৰাজীৱৰ গোটেই শৰীৰত ঢালি দিলে। ৰাজীৱে কিছুসময় ছট্-ফটাই থাকি ঠাইতে পৰি থাকিল। ধুনীয়া পৃথিৱীখনে তাৰ মৃত্যুত যেন এটি ম্লান হাঁহি মাৰিলে। ৰাজীৱৰ আধাগলা দেহটোৰ পিনে চাই কৌশিকে আনন্দৰ হাঁহি মাৰি ক'লে - যিয়ে একেখন থালত ভাত খাই একেখন স্কুললৈ গৈছিলো, সিয়ে আজি এজনে আন জনৰ শত্ৰু হ'ব লগা হ'ল, সামান্য ভুলৰ বাবে। কৌশিকৰ দুচকুৰে দুটোপাল তপত অশ্ৰু বৈ আহি দুগাল তিয়াই সৰি পৰিল ৰাজীৱৰ নিঠৰ দেহত। কৌশিক বাস্তৱলৈ ঘূৰি আহিল আৰু দিশান্তৰ ফালে চালে এটি শব্দহীন হাঁহিৰে। কিবা কম বুলি ভাবি দুই ওঠ লৰালে, কিন্তু একো নক'লে।

লগে লগে দিশান্তই ক'লে, কৌশিক দা আপুনি যে মোক কৈছিল..... ও নহয় কৌশিক তই যে কৈছিলি এইবাৰ পূজাত তহঁতৰ ঘৰলৈ নিম বুলি আৰু তোৰ মৰমৰ ভনীজনীলৈ এটা এ-কে ৫৬ দিম বুলি।সেই কাৰণে মই এই এ-কে ৫৬ টো লৈ আহিছো। বল তহঁতৰ ঘৰত গৈ একেলগে পূজা চাম। কৌশিকৰ মন ইতি পূৰ্বে গৈ মাক - দেউতাক আৰু ভনীয়েকৰ ওচৰ পাইছেই। মনতে ভাব হ'ল কৌশিকৰ কি জানি এইবাৰ পিস্তল এটা দিলে মোৰ অভিমানী ভনীজনীৰ ভেম ভাঙেই।

তাৰ পিছত কৌশিক আৰু দিশান্ত আগ বাঢ়িলে কৌশিক হঁতৰ ঘৰৰ ফালে। সিহঁতক দেখি আকাশৰ সুৰুযেও যেন পশ্চিম দিগন্তত এখনি হালধীয়া - ৰঙা ওৰণিৰ আঁৰলৈ লাহে লাহে মুখ ঢাকিলে। পৃথিৱীলৈ সন্ধিয়া নামি আহিল। ক্ৰমে এন্ধাৰ ঘনৰ পৰা ঘন হ'বলৈ ধৰিলে। ■

—00—








# জীৱনৰ যাত্ৰা পথত

মনোজ কুমাৰ শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

শৰত কালৰ এটা সুন্দৰ বৌদ্ৰোজ্জল ৰাতিপুঁৱা। আহিন মাহৰ বাৰ তাৰিখমান হ'ব। পূৰ্ণ আড়ম্বৰৰ সৈতে শৰতক আদৰাৰ বাবে প্ৰকৃতিৰ নতুন ৰূপসজ্জা। তথাপি চাৰিওফালে যেন এটা গোমোঠা পৰিৱেশ। মানুহখিনিৰ যেন কোনো উৎসাহ-উদ্দীপনা নাই এইহেন আহিনৰ বতৰতো। এয়াযে শেৱালী ফুলাৰ বতৰ। কিন্তু এইবাৰ যেন এইবোৰৰ ব্যতিক্ৰম যোৰহাট নামৰ এই চহৰখন, ইয়াৰ মানুহবোৰ। অকল এই চহৰখনতে নহয়, সম্প্ৰতি গোটেই অসমতে এনে এটা পৰিস্থিতি বিৰাজমান।

এইবাৰ কথাকে মনত জুকিয়াই মই অৰ্থাৎ জয়ন্ত কলিতাই যোৰহাটৰ সৰু বাছ ষ্টেচনটোলৈ সোমাই গ'লো। ৰব, ঘটনাটো আৰম্ভ কৰাৰ আগতে মোৰ পৰিচয়টো দি লৈছো। মোৰ নামটো আপোনালোকে গম পালেই। ঘৰ পাটাছাৰকুছিত। যোৰহাটৰে চাহ বাগিছা এখনত চাকৰি এটাৰ বাবে ইণ্টাৰভিউ দিব আহিছিলো।

বাছ ষ্টেচনটোত সোমায়েই কোনোবা চিনাকি মানুহ ওলায় বুলি ইফালে-সিফালে চালো। নাই! এনেয়ে মোৰ ইয়াত চিনাকি মানুহৰ সংখ্যা তেনেই কম। ঘড়ীটোলৈ চালো, সাত বাজি পঞ্চল্লিচ মিনিট গৈছে। গাড়ী এৰিবলৈ এতিয়াও পোন্ধৰ মিনিট বাকী। একো কাম নথকাত গাড়ীত উঠি নিৰ্দিষ্ট আসনত আৰামেৰে বহি ল'লো। ক্ষন্তেক পিছতেই এগৰাকী গাভৰু ছোৱালী আহি মোৰ ওচৰৰ চিটটোত ধুপুচকৈ বহি পৰিলহি। মইও অলপ ভদ্ৰভাৱে বহি ললো আৰু আৰ চকুৰে গাভৰু গৰাকীক এবাৰ চাই ললো। পাতল হালধীয়া ৰঙৰ চুৰিদাৰ পিন্ধা যুৱতী গৰাকীৰ বয়স প্ৰায় ওঠৰ বিশ মানৰ ভিতৰত হ'ব। মিঠা বৰণৰ, লাহী দেহৰ, টনা টনা চকুযুৰিৰ সৈতে ছোৱালীজনী অত্যন্ত ধুনীয়া নহ'লেও ধুনীয়া বুলিয়েই ক'ব লাগিব। মুখখনো বেচ মৰমলগা, সৰল নিষ্পাপ। আজি-কালিৰ ছোৱালীবোৰৰ দৰে যুৱতীৰ মুখত কোনো প্ৰসাধন বা কৃত্ৰিমতাৰ প্ৰলেপ নাই। নুন্যতম কাজল বা লিপষ্টিক খিনিও---। অবিন্যস্ত মূৰৰ চুলি, চকুৰ গুৰিত কলা দাগ, এইবোৰৰ পৰা এনে লাগে যেন যুৱতীগৰাকী কোনো গভীৰ চিন্তাত নাইবা হতাশাত ভুগিছে। চিন্তাক্লিষ্ট মুখখনেও তাৰেই স্বাক্ষৰ বহন কৰিছে। যিয়েই নহওঁক, সহযাত্ৰী হিচাপে ধুনীয়া ছোৱালীজনীক পোৱাত মোৰ মনটো ভালেই লাগিল। কিছুসময় পিছত বাছখনে গতি ল'লে। কাৰো মুখত মাত এষাৰো নাই। বাছখনৰ ঘেৰঘেৰীয়া শব্দটোৰ বাহিৰে সকলো নিস্তব্ধ। মোৰ বাবে এটা যথেষ্ট অসহ্যকৰ পৰিৱেশ। পিছফালে ঘূৰি চালো। কেইজনমান যাত্ৰীয়ে বাতৰি কাকত, আলোচনীৰ পাতত মগ্ন, কেইজনমান বাছৰ খিৰিকিৰে বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰি গভীৰ চিন্তাত মগ্ন নাইবা প্ৰকৃতিৰ ৰূপ সুধা পান কৰাত ব্যস্ত, আৰু আন কেইজনমানে সময়ৰ অপব্যৱহাৰ নকৰি টোপনি গৈছে বা যাবলৈ চেষ্টা কৰিছে। ময়ো উপায় নেপাই বাছষ্টেণ্ডতে কিনা বাতৰি কাকতখন উলিয়াই ল'লো। একেই গতানুগতিক খৱৰ। হত্যা,লুণ্ঠন,ধৰ্ষণ,অপহৰণ........। এই ধৰণৰ খৱৰবোৰৰ বাহিৰে এই প্ৰকাণ্ড পৃথিৱীখনত বেলেগ খৱৰ নাই নেকি, কোনো সৃষ্টিমূলক কোনো..........। বিৰক্তিত কাকতখন জপাই থলোঁ। গাভৰুৰ মুখলৈ চালোঁ। সেই একেই নিৰলস ভাবে বহি আছে, চকুত উদাসীন দৃষ্টি। গাভৰু গৰাকীৰ লগত কথা পতাৰ খুউব ইচ্ছা হৈছিল। কিন্তু সাহে নুকুলালে। আগধৰি মাতি কথা পতাটো বাদেই, কোনোবা চিনাকী ছোৱালীৰ লগতো কথা পাতিব লগা হ'লে কাণ মূৰ ৰঙা হৈ গৈছিল।

এতিয়া অৱশ্যে অলপ সহজ হৈছো।

নিঃশব্দে সময়বোৰ আগবাঢ়িছিল। বাটত মাজতে সামৰিক বাহিনীৰ লোকে কেইবাৰমান গাড়ীখন তথা যাত্ৰীবোৰৰ তালাচী লৈছিল। এক সুদীৰ্ঘ পথ অতিক্ৰম কৰাৰ পিছত গাড়ীখন এঠাইত ৰ'ল। প্ৰায়বোৰ যাত্ৰীয়েই নামি গ'ল চাহ খাবলৈ। মইও নামি আহিলো। দোকান পোহাৰবোৰৰ সৈতে এটা সৰু ব্যস্ত অঞ্চল। দোকান পোহাৰবোৰৰ পৰা ভাহি অহা হিন্দী গীতৰ সুৰ, গাড়ী মটৰৰ শব্দ, চানাচুৰবালা ,ফেৰীৱালা আদিৰ বেসুৰা সুৰৰ চিঞৰ- বাখৰ আদিয়ে ঠাইডোখৰ জীৱন্ত কৰি ৰাখিছে। কেইদিন মানৰ পৰা গেষ্ট্ৰিক বেমাৰটো আকৌ বেচি হোৱাত চাহপানী নেখাই আপেল কেইটামান কিনি গাড়ীলৈ উভতিলো। গাভৰুৱে সেই একেই ভংগীতে বহি থাকি খিৰিকিৰে বাহিৰলৈ চাই আছে। এনে এটা বিৰক্তিকৰ যাত্ৰাৰ অলসতা দূৰ কৰিবলৈ অন্য যাত্ৰীসকল চাহ, ভাত নাইবা আন বেলেগ প্ৰকাৰে সতেজ হ'বলৈ যত্ন কৰিছে। তেনেস্থলত গাভৰু নিজৰ চিন্তাতে বিভোৰ। মধ্যাহ্ন সূৰ্য্যৰ প্ৰখৰ ৰ'দ গাভৰুৰ গালে-মুখে পৰিছিল। কিন্তু সেইবোৰলৈ গাভৰুৰ কোনো ভ্ৰুক্ষেপ নাই। মই মোৰ আসন অধিকাৰ কৰি ললো। অন্য যাত্ৰী সকলো দুই এজনকৈ গড়ীত উঠিব আৰম্ভ কৰিছিল। তেওঁলোকক কিছু সতেজ যেন লগা হৈছিল। একপ্ৰকাৰ মৰসাহ কৰিয়েই ভদ্ৰতাৰ খাতিৰত (নে আন কিবা কাৰণত) গাভৰুক আপেল এটা যাচিলো। ধন্যবাদ এটা দি গাভৰুৱে সেইটো গ্ৰহণ কৰিলে। সেইটো সুযোগকে গ্ৰহণ কৰি তেওঁ ক'লৈ যাব সুধিলো। গাভৰুৱে 'নলবাৰী'লৈ বুলি চমুকৈ উত্তৰটো দি থলে। লগতে নামটোও সুধিব খুজিছিলো, কিন্তু গাভৰুৰ গহীন-গম্ভীৰ মুখখন দেখি সাহ নহ'ল। কথা পৰ্বৰ সিমানতে সামৰণি পৰিছিল। ইতিমধ্যে গাড়ীৰ চকাও ঘূৰিছিল। এটা দীঘলীয়া যাত্ৰাৰ অন্তত বাছখন আহি নলবাৰী পাওঁতে সন্ধিয়া লাগিছিল । নলবাৰী বাছষ্টেচনৰ জনসমুদ্ৰ তথা অন্ধকাৰৰ মাজত তাই বিলীন হৈ গৈছিল। মই চকুৰে নেদেখা হোৱালৈ তাইক চাই আছিলো । যোৱাৰ সময়ত আহিলো বুলি চুটিকৈ মাত এষাৰ লগাই গৈছিল। প্ৰত্যুত্তৰত মই মাত্ৰ মুৰ দুপিয়াইছিলো।

এটা যথেষ্ট সৰু ঘটনা । লাহে লাহে এনেবোৰ সৰু-সুৰা কথা স্মৃতিৰ পটৰ পৰা মচ খাই গৈছিল সময়ৰ লগে লগে। মানুহবোৰেও লাহে লাহে অতীতক পাহৰি বৰ্ত্তমানৰ সৈতে মুখামুখি হোৱাৰ প্ৰস্তুতি চলাইছিল। এটি শৰতৰ পিছত পুনৰ এটি বসন্তৰ আগমন ঘটিল। বসন্তৰে কোনো এটা দিনত মোৰ বন্ধু ৰাতুল দাসৰ ঘৰলৈ গৈছিলো। ঘৰ নলবাৰীত, চহৰৰ মাজ মজিয়াতে। ৰাতুলক মোৰ এজন সাধাৰণ বন্ধু বুলি কলে ভুল হ'ব। বন্ধু মানে অভিন্ন হৃদয়ৰ বন্ধু। সি পাটাছাৰকুছিত স্কুলত পঢ়িব আহোতে লগ পাইছিলো তাক। একেখন স্কুলৰে একেটা শ্ৰেণীতে পঢ়িছিলো দুয়োয়ে। পঢ়াই শুনাই বেচ স্মাৰ্ট, সুন্দৰ সুঠাম ৰাতুলক প্ৰথম চিনাকিতে মোৰ ভাল লাগি গৈছিল। দিন যোৱাৰ লগে লগে আমাৰ বন্ধুত্ব ক্ৰমে গাঢ়ৰ পৰা গাঢ়তৰ হৈ গৈছিল। শেষত এনেকুৱা হৈছিল যে দুয়ো দুয়োকে এৰি থাকিব নোৱাৰা হৈছিলো। সি হোষ্টেলত আছিল যদিও হেষ্টেলতকৈ বেচিকৈ আমাৰ ঘৰতে আছিল। মুঠতে ভাষাৰে বৰ্ণাব নোৱাৰি। পঢ়া শুনাত বেচ ভাল আছিল বাবে সি অনায়াসে মেডিকেল কলেজত চিট পালে, মই বি. এ. ত নামভৰ্ত্তি কৰিলো। দুয়ো বন্ধু আঁতৰি যাব লগা হ'ল, কিন্তু আমাৰ অন্তৰংগতা কোনো পধ্যেই নকমিল। সি কিবা ট্ৰেইনিং লবৰ বাবে বিদেশলৈ গৈছিল। বহুদিন ধৰি লগ পোৱা নাছিলো তাক। আহি পায়েই মোলৈ ফোন কৰি মাতি পঠিয়াইছিল। বহুদিনৰ মূৰত লগ পাইছো ৰাতুলক। আগতকৈ স্বাস্থ্যতো আৰু ভাল হৈছে। সেই আগৰ দৰে ফূৰ্ত্তিবাজ, ঠিক সেই স্কুলীয়া দিনৰ চেঙেলীয়া ডেকাটোৰ দৰেই মোক দেখাৰ লগে লগেই গোটেই ঘৰখনতে কোৰ্হাল লগাই দিলে। বহুদিন ধৰি জমা হৈ থকা কিমান যে পাতিবলগীয়া-নেপাতিবলগীয়া কথাকে পাতিলো। মুঠতে তাত থকা দিন চাৰিটা ইমান সোনকালে পাৰ হৈ গ'ল যে মই গমেই নেপালো। চাৰিটা দিন হৈ হাল্লা, ফূৰ্ত্তি -ফাৰ্ত্তৰ মাজেৰে পাৰ হৈ গ'ল। পুনৰ আহিল বিৰহ-বিচ্ছেদৰ সময়। (অৱশ্যে আন্তৰিক নহয়, দৈহিক)। ৰাতুলে মোক বাছ ষ্টেচনলৈ আগবঢ়াই থব আহিছিল। বাছ ষ্টেচনলৈ আহি গম পালো যে বাছ কিছু পলমকৈ যাব। আমাৰ দেশৰ মানুহৰ বাবে ই কোনো নতুন কথা নহয়। বৰং সময়মতে যোৱাটোহে ব্যতিক্ৰম, এটা নতুন কথা.... । উপায়ন্তৰ হৈ ওচৰৰ ৰেষ্টুৰেন্ট এখনত চাহ মিঠাই আৰু চিগাৰেটৰ শ্ৰাদ্ধ কৰিব ধৰিলো..... । হঠাৎ মোৰ স্মৃতিৰ পটৰ পৰা যাব ধৰা সেই ছোৱালীজনীক দেখা পালো ৰেষ্টুৰেন্টৰ চুকৰ টেবুল এখনত। ছোৱালীজনীক দেখাৰ লগে লগে চিনি পালো..... মই তেনেদৰে চাই থকাত ৰাতুলে সুধিলে - কি চাইছ? মই ছোৱালীজনী দেখুৱাই দিলো। লগে লগে তাৰ মুখৰ ভংগী সলনি হৈ গ'ল। যথেষ্ট গহীন-গম্ভীৰ ভাবে সি মোক সুধিলে - কেনেকৈ চিনি পাৱ তাইক। মইও চমুকৈ তাক ঘটনাটো ক'লো, কেনেকৈ বাছত ছোৱালীজনীক লগ পাইছিলো। কিছুসময় তলমুৰকৈ কিবা ভাবি হঠাৎ সি ক'লে -





তাই এজনী বেশ্যা। কথাষাৰে মোক স্তব্ধ কৰি দিলে। মই নিজৰ অপ্ৰস্তুত ভাবটো ঢাকিবলৈ ব্যৰ্থ প্ৰয়াস কৰি ক'লো - নহয় মানে... ইমান সৰল নিষ্পাপ যেন লগা ছোৱালীজনী এনেকুৱা ........ । হয়তো এদিন তাই সৰল, নিষ্পাপেই আছিল। কিন্তু সময়ে তাইৰ এই সৰলতা পবিত্ৰতাৰ সুযোগ ললে। গহীন-গম্ভীৰ হৈ ৰাতুলে দাৰ্শনিকৰ দৰে কৈ যাব ধৰিলে।

তই তাইক চিনি পাৱ নেকি, তাই যদি ভালেই আছিল কেনেকৈনো এনেকুৱা হ'ব পালে। মই সুধিলো।

মোৰ উৎসুকতাৰ উমান পাই সি দুগুণ উৎসাহেৰে কৈ যাব ধৰিলে - বুজিছ জয়ন্ত, ঘটনা চক্ৰত পৰিহে তাই এনেকুৱা হ'ব বাধ্য হল। সি ঘড়ীটোৰ ফালে এবাৰ চাই কৈ যাব ধৰিলে - বাৰু শুন। আমাৰ নলবাৰী চহৰৰ ওচৰৰ গাঁওখনতে সিহঁতৰ ঘৰ আছিল। দেউতাক নাই, মাক ককায়েক দুজন আৰু বৌৱেক এজনীৰ সৈতে তাইৰ পৰিয়াল। নামটো কি আছিল ......... অ অ গীতিমা, গীতিমা দুৱৰা। আমাৰ সৰু ভনীৰ লগৰে। উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী আছিল। ওচৰৰ গাঁওৰে লৰা এজনৰ লগত বিয়া ঠিক হোৱা বুলিও শুনিছিলো। তাইৰ ডাঙৰ দাদাকজনে চাকৰি কৰে আৰু সৰু জন অসমৰ বিপ্লৱী সংগঠন এটাৰ উচ্চ পৰ্য্যায়ৰ বিপ্লৱী কৰ্মী আছিল। অলপ ৰৈ সি চিগাৰেটটোত কেইহোপামান মাৰি ললে। তাৰ কথাবোৰৰ প্ৰতি মোৰ আগ্ৰহ বাঢ়ি গৈছিল। সি আৰম্ভ কৰিলে- মিলিটাৰীয়ে উগ্ৰপন্থী ধৰাৰ নামত কেনেকুৱা অত্যাচাৰ কৰিলে তইতো জানই। ল'ৰা বুঢ়া, ছোৱালী কোনো সাৰি নগ'ল। তাতে তাইৰ সৰু ককায়েকজন বিপ্লৱী কৰ্মী। ককায়েকক বিচাৰি আহি মিলিটাৰিয়ে সিহঁতৰ গোটেই ঘৰ ওলট্-পালট্ কৰিলে। কিন্তু তাক পায় ক'ত। অৱশেষত সিহঁতে এদিন নিষিদ্ধ সংগঠনটোৰ লগত গীতিমাৰো যোগাযোগ আছে বুলি মনেসজা অভিযোগ কৰি সিহঁতৰ কেম্পলৈ লৈ গ'ল।

বাধা দিয়াৰ সাহস কাৰো নাছিল। দুই দিন ধৰি তাইক কেম্পত ৰাখি সেই নৰাধমবোৰে ধৰ্ষণ তথা মানসিক উৎপীড়ন চলালে। দুই দিনৰ সেই পাশৱিক অত্যাচাৰৰ পিছত তাইক এৰি দিয়ে আৰু হেনো ভাবুকি দিছিল সেইবোৰ কথা বাহিৰত প্ৰকাশ কৰিলে তাইক গুলিয়াই মাৰিব। এইবোৰ কথা গম পাই সিহঁতৰ ঘৰলৈ নেতা, সাংবাদিক আদিৰ সোঁত বৈছিল। সাংবাদিকবোৰে এটা গৰম খবৰ পাই তাৰ মুনাফা লুটাৰ চেষ্টা কৰিছিল। বিৰোধী পক্ষৰ নেতা সকলে শাসনাধিস্থ চৰকাৰক শলঠেকত পেলাবলৈ এটা সুযোগ বিচাৰি পাইছিল এই ঘটনাৰ যোগেৰে। বিভিন্ন ছাত্ৰ সংগঠনৰ নেতা সকলেও প্ৰথমতে সিহঁতৰ ঘৰলৈ আহি তাইক সান্ত্বনা দিছিল। খুউব তৰ্জন-গৰ্জন কৰিছিল যে ই সমগ্ৰ দেশৰ নাগৰিকৰ বাবে লজ্জাজনক ঘটনা। এনেবোৰ কাণ্ড-কাৰখানা দেখিয়েই গাঁওৰ সাধাৰণ মানুহ খিনিয়েও তাইৰ প্ৰতি যথেষ্ট সন্মান প্ৰদৰ্শন কৰিছিল। উপৰ্যুপৰি দুই দিনকৈ কৰা পাশবিক অত্যাচাৰৰ বাবে তাই মানসিক স্থিৰতা কিছু পৰিমাণে হেৰাই পেলাইছিল। সেইবাবেই প্ৰথম অৱস্থাত তাইৰ কথা বতৰাত যথেষ্ট অসংলগ্নতা দেখা গৈছিল।

সময় বাগৰিল। বহুতৰ মনৰ পৰা এনেকুৱা সৰু সুৰা (?) ঘটনাবোৰ মচ খাই গ'ল। তাইৰ প্ৰতি দেখুওৱা সহানুভূতিও কমিব ধৰিলে। বিপ্লৱী ককায়েকজন মিলিটাৰীৰ তপ্ত বুলেটৰ চিকাৰ হ'ল। তাইৰ ঠিক হৈ থকা বিয়াখনো ভাঙি গ'ল। দোষ মাত্ৰ এটাই তাই ধৰ্ষিতা। লাহে লাহে ঘৰত দাদাক-বৌৱেকৰ ব্যৱহাৰো ৰুক্ষ হৈ গৈছিল। গীতিমাৰ দুৰ্ঘটনাটো উপৰ্যুপৰি পুত্ৰ শোকে মাকক বোবা কৰি দিছিল। মাকজনী যেন এটা প্ৰস্তৰ মূৰ্ত্তিলৈহে ৰূপান্তৰিত হ'ল। লাহে লাহে গাওঁৰ মানুহবোৰে ক'বলৈ ধৰিলে যে তাই পা - পৰাচিত হৈ সমাজত উঠিব লাগে। তাই ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰি কৈছিল - 'মইতো কোনো দোষ কৰা নাই যে মই পৰাচিত হ'ম'। লাহে লাহে তাই অনুভৱ কৰিছিল যে ঘৰখনৰ বাবে, সমাজখনৰ বাবে তাই এটা বোজা হৈ উঠিছে। সেই ঘৰখনত, সমাজখনত তাইৰ আৰু কোনো প্ৰয়োজন নাই। সেয়ে এদিন তাই ঘৰ এৰি গুছি গৈছিল। বহুদিন ধৰি কোনো খবৰ পোৱা নগ'ল তাইৰ। আৰু হঠাৎ এদিন তাইৰ আৱিৰ্ভাৱ হ'ল। ইতিমধ্যে তাইৰ চাল-চলন, কথা-বতৰা বহুখিনি সলনি হৈছিল। আৰু বৰ্তমান তাই এজনী বেশ্যা। দেখিছ - জয়ন্ত এয়ে আমাৰ সমাজ, আমাৰ দেশৰ গণতান্ত্ৰিক শাসন ব্যৱস্থা........ ।

ইয়াৰ পিছতো সি অনৰ্গল কৈ গৈছিল। কথাবোৰ কওঁতে সি যথেষ্ট উত্তেজিত হৈছিল। কিন্তু তাৰ কোনো কথাই মোৰ কাণত সোমোৱা নাছিল। মাথো মোৰ চকুৰ সন্মুখত ভাহি উঠিছিল ছোৱালীজনীৰ সৰল নিষ্পাপ ধুনীয়া মুখখন।■

(বিঃ দ্ৰঃ মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত গল্প।)

# আইনা

নীলিম কুমাৰ
অতিথি কবি

মোৰ দাড়ি-চুলি কটাবলৈ
দেওবাৰটো আহিছিল
কিন্তু চেলুনখন আছিল শূণ্য
নাপিত নাছিল
আছিল কেবল আইনা
আৰু আইনা হ'ল
পৃথিবীৰ আটাইতকৈ জঘন্যতম বস্তু
ইমান জঘন্য ইমান জঘন্য যে
আইনালৈ পুতৌ হয়
পুতৌ কৰিলে ক্ষমাও কৰিবলগা হয়
আৰু সেইকাৰণে আইনা বাচি আছে
সেইকাৰণে এখন আইনা ভাঙিলে
আমি আন এখন আইনা কিনি আনো
আইনা বজৰুৱা বস্তু
আইনাক কিনিব পাৰো
আইনাই কিন্তু মোক কিনিব নোৱাৰে
অৱশ্যে বেচিব পাৰে
আৰু ময়ে মোক কিনো আইনাৰপৰা
এদিন আইনাই মোক বচাইছিলো
মই মোক কাৰোবাৰ হাতত এৰি থৈ আহোঁতে
আইনাই মোক বুটলি আনি
মোৰ হাততে গতাই দিছিল মোক
আইনা নহ'লে আমি থাকিব নোৱাৰোঁ
দিনটোত অন্ততঃ এবাৰ হ'লেও
আমাক আইনা লাগে
আইনা নাথাকিলে
আমি হেৰাই যাব পাৰোঁ
আইনা নাচালে
আমি আছোঁ নে নাই গমেই নাপাওঁ



আমি নাথাকিলেও কিন্তু আইনা থাকে
সেয়েহে আইনাক সমীহ কৰিব পাৰি
সমীহ নকৰিলেও চলে
কিয়নো আইনাৰপৰা একো ভয় নাই
আইনাই একো মনত নাৰাখে
আইনা নিৰ্বিকাৰ
আইনা স্মৃতিপৰায়ণ নহয়
আৰু এই যে স্মৃতি
ই বৰ বিপদজনক
কেবল পিছলৈ টানে
নহ'লে বুদ্ধৰ দৰে এবাৰ মাজনিশা
চাব পাৰিলোহেঁতেন
যশোধৰা আৰু ৰাহুলক এৰি থৈ...
ওহোঁ! এই স্মৃতিয়েই মায়া
আৰু মায়া থাকিলে
গুচি যাব নোৱাৰি
আৰু যাব নোৱাৰিলে ক'ত এই মুক্তি?
এৰিব নোৱাৰিলে ক'ত মুক্তি?
নাপাহৰিলে ক'ত মুক্তি?
অ' পাহৰিছিলোৱেই
মোৰ দাড়ি-চুলি কটাবলৈ
দেওবাৰটো আহিছিল
কিন্তু চেলুনখন আছিল শূণ্য
নাপিত নাছিল
আছিল কেবল আইনা
আৰু আইনাৰ বিষয়ে
ভাবি-ভাবি কটাবলৈ
দেওবাৰটো আছিল বৰ চুটি ■।

—00—



# মোক মাতা মোৰ সোণালী মৌ-মাখি

সমীৰ তাঁতী
অতিথি কবি

মই মোৰ বাবে নহয় আনৰ বাবেও নহয়
মাথোঁ আধা খাই পেলাই থৈ যোৱা এটা ফলৰ বাবে হুমুনিয়াহ

মোক সেই চৰাইবোৰৰ কথা নক'বা শূন্যত গলি যোৱা চৰাই
কি পাহাৰ কি নিৰ্জনতা কি শূন্যতাৰ মেলা

জোন জোন জোন মোৰ ওঁঠত গুণগুণাবা এদিন
মই গুণ গুণাম বানত উটি যোৱা গৰখীয়াৰ সোঁৱৰণিত

এটা ঘোঁৰা এখন বাট হেৰোৱা নৈৰ শোকৰ সমভাগী
দুপৰীয়াক চোবাই খাই চকুলো টুকি টুকি

এই শিলবোৰে জানে মোৰ ইচ্ছাৰ নাম বিষাদ
কোনফালে যাব বতাহ মোক দুৰ্দিনত নেওচা দি

নগৰ-মহানগৰ মহানাগৰিকৰ যাতনাত জ্বলে জুই
জানা জানো নিতৌ কাৰ ঘৰত বিনায় ৰাতি

মই এমুঠি ছাঁই বসন্তৰ তোৰণৰ মাজেৰে উৰি যাম
বৰফ হৈ যোৱা সেই জুৰিবোৰৰ শিতান হ'বলৈ

মোক মাতা, মোক মাতা মোৰ সোণালী মৌ-মাখি
মই ৰঙা সেউজীয়া ৰঙৰ দৰে ওলোমিব খোজো ছবিত

কোন কাৰ নাম হিয়াত যুগমীয়া কৰি যাব
যেতিয়া কোনেও কাকো শুনিবলৈ খোজা নাই
যোৱা যোৱা মোৰ মেঘ সন্ধিয়াৰ সিপাৰলৈ যোৱা
তিয়াই যোৱা এই ওঁঠ দুখন, এই মাটিৰ ওৰ নপৰা পিয়াহ
অ' বনৰীয়া ফুল মোক সৌ শিপাৰ অনুৰাগী কৰা
মই বনৰ বাটটি জোনাকী হৈ যাম

■

কলিজাত এই বুলেটবোৰ লৈ মই উভতিম জোনাকলৈ
তৰাবোৰে সেইদিনা নিৰলে চকুলো টুকিব।



# একোচিৰা ধানৰ দৰে

হীৰেণ ভট্টাচাৰ্য
অতিথি কবি

ধানদোৱা শেষ হ'ল
তোৰ ঘিলাচকলীয়া মুঠিত একোচিৰা ধানৰ দৰে
বিৰিঙি উঠিছে তেজ;
নিঠৰুৱা নৰাবোৰ
এথানি এবানি হৈ ৰ'দ কাচিয়লিত পৰি আছে

জাৰণিৰ সিপাৰে মাৰ গ'ল বেলি
নিজান পৰিল পথাৰ-

নিজান পথাৰখনত
এটা দুৰণিবটীয়া গানে লাহে লাহে পাঁহি মেলি দিছে
জাৰমালতী ফুলৰ দৰে
ৰমকজমক■



## দুপৰ বেলাৰ জোন

প্ৰাঞ্জল কলিতা
স্নাতক তৃতীয় বৰ্ষ

ৰাতিপুৱাৰ কেঁচা পোহৰে
মোক জগাই তুলিছিল
পাহৰিব ধৰা তোমাৰ স্মৃতিবোৰৰ পৰা।
মই চকু দুটি মেলিছিলো .........
এজাক কুঁৱলিৰ মাজেৰে
দেখিছিলো বহুশূন্যতাৰ মাজতো
জিলিকি থকা তোমাৰ চকুযুৰি।
মই জানিছিলো,
সেই দিগন্তত থকা মোৰ অতীত স্মৃতিৰ
গাঠি তুমি এদিন খুলিবা বুলি
কিন্তু মোৰ জীৱনৰ
দুপৰবেলাৰ আকাশত উঠা
আন এটি জোনৰ কথা
তোমাক কিদৰে জনাও
মই নাজানো।
তথাপিতো ইয়াৰ মাজতে
তোমাৰ প্ৰেমে মোক দিয়ে
বহু অসীম প্ৰেৰণা আৰু উৎসাহ।
জানা, তোমাৰ প্ৰেমৰ তৃষ্ণাই
এতিয়াও মোক ব্যাকুল কৰে
আৰু, তোমাৰ স্মৃতিবোৰে
এতিয়াও মোৰ হৃদয়ৰ কণত খেলা খেলে।
কিন্তু সেই দুপৰবেলা
মোৰ আকাশত উঠা জোনটো
মোৰ অনাগত জীৱনৰ যুগমীয়া যাত্ৰী-
আৰু তুমি ........!
বেদনাৰে ভৰা
পূৰতি নিশাৰ এমুঠি
সাতোৰঙী ... ■



## প্ৰেমৰ অস্তিত্বত

জোনালী শৰ্মা
উঃ মাঃ ২য় বৰ্ষ

মোৰ হৃদয় সাগৰৰ উজানত
তুমি আহা
ওখোৰা-মোখোৰা বাটতো
মই বাৰে বাৰে খেপিয়াই চাওঁ
জপাই থোৱা মোৰ সপোনৰ ভাঁজত
ব্যকুল হৃদয়ত তন্ময়তাত উটি যায় সময়
হৃদয় জুৰি স্নিগ্ধ সুবাস।
তথাপি অস্থিৰতা তোমাৰ মুখত
তোমাক বিচাৰো শৰতৰ ...
প্ৰেমৰ স্নিগ্ধ সুবাস
মই সোমাই পৰো গভীৰতালৈ
অনন্ত কালৰ প্ৰতিটো ক্ষণতে তোমাক চাওঁ।
সেন্দুৰীয়া বেলিটোৰ দৰে
তুমি হে পৰা উজ্জ্বল হৈ
শৰীৰ আলোড়িত ...ৰ!
কি জানিবা তোমাক হেৰুৱাও
তোমাৰ মুখৰ সৌন্দৰ্য্যখিনি দুচকুত
জীয়াই ৰাখিম
শূণ্যতাই হেঁচা দিলেও ----
মই হুমনিয়াহঃ বোৰ খেদাম
তোমাক দেখবাবলৈ। ■





## মোৰ হেৰোৱা অতীত

বিনীতা গোস্বামী
স্নাতক প্ৰথম বৰ্ষ

মোৰ সেই সোনোৱালী দিনবোৰ,
মোৰ বাবে এটা যেন সুমধুৰ স্বপ্ন!
মই তেতিয়া স্বাৰ্থপৰ নাছিলো,
সেয়ে মোৰ মণিকোঠাত উপচি পৰিছিল
অকৃত্ৰিম প্ৰেম।
এতিয়া মই জেদি, প্ৰচণ্ড স্বাৰ্থপৰ
অনুভৱী আৰু সুকোমল নহয় মোৰ অৱচেতন
নিৰিবিলি সমীৰণেও স্পন্দন
তুলিব নোৱাৰে মোৰ হৃদয়ত,
আৰু সেয়ে মই এতিয়া পৰিধী নোহোৱা
দুখৰ জলন্ত বাষ্পপিণ্ডত আৱদ্ধ।
ইয়াৰ বাবে দায়ী কোন?
মই তোমাক লগ ...াব লগা আছিল,
পথাৰৰ দাঁতিত থকা সৌ ...োপাৰ তলত
মই অপেক্ষা ...ৰিছিলো তোমাৰ বাবে,
বেলিটো লাহে লা...ৰ...
তুমি ... ...ছিলা,
এ... ...তক বিছাৰি
...গৰি পৰিছো,
আৰু ... ...মে জঠৰ হৈ পৰিছ
...মাৰ দুয়োখন ভৰি। ■



## এয়া কেনে মৃত্যু!

পুলক দেৱ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

এয়া কেনে ধৰণৰ মৃত্যু?
য'ত তুলসীৰ তলত চাকি নজ্বলিল;
যি মৃত্যুত কেতিয়াও শোক সভা নহ'ল
বিদ্যালয়, অফিচ প্ৰাঙ্গনত,
এক মিনিট নিৰৱতা নহ'ল।
কোৱা! এয়া কেনে মৃত্যু?
যত শ্বহীদৰ মৰ্যাদাৰে শ্বহীদ নহ'ল,
যাৰ মৃত্যুত মানুহ থাকে উদাসীনতাত প্ৰতিক্ষণ,
নাথাকে যত চকুৰ অশ্ৰু ভৰা সান্ত্বনা।
কোৱা! এয়া কেনে মৃত্যু?
য'ত ছাইৰেণ বজায় ইন্দ্ৰ সভাৰ ৰাজমন্ত্ৰীৰ
ফুল-মালাৰে নহ'ল দ্ৰুত আগমণ।
বাতৰি কাকতৰ এচুকত লিখি,
শোক প্ৰকাশৰ ব্যৱস্থা নহ'ল।
কোৱা! এয়া কেনে মৃত্যু?
যত মৃত্যু নিশব্দে আহে,
মিলি যায় স্মৃতিৰ সমস্ত আবেশ।
মান-অভিমানেৰে কোনো অভিযোগ নহ'ল
কোৱা! এয়া কেনে মৃত্যু? ■



## প্ৰতি সপোনৰ প্ৰতীক্ষাত

ৰাজু দাস
স্নাতক ৩য় বৰ্ষ

তোমাক সপোনত নেদেখাৰ
বহুদিন হ'লে
মোৰ আত্মাত ঘৰ কৰে দুখৰ জালে,
মাজে মাজে মোৰ মনে যেতিয়া
তোমাক সপোনত পাব বিচাৰে-
ব্যাকুল হৈ পৰে মোৰ হিয়া,
উচুপি উঠে মোৰ আত্মা।
———— এদিন এবাৰ মাত্ৰ
সপোনত দেখিলেই তোমাক
সেউজীয়া হয় মোৰ মন
উজ্বলি উঠে মোৰ প্ৰেমৰ জুপুৰি।
আৰু সেইবাবেই, মোক
তোমাৰ পোহৰেৰে উজ্বলোৱা এটি
সপোনৰ ঠিকনাৰ প্ৰয়োজন।
তালৈ পঠিয়াম মই মোৰ
ন পুৰণি সকলো বতৰা ———
—— তোমাৰ সপোনৰ ঠিকনাত
আঁকি আহিম মোৰ চকুলো ——
——— অথবা তোমাৰ স্তব্ধ উশাহত
গুজি আহিম এপাহি ৰঙা গোলাপ।
তোমাৰ সপোনৰ সপোন ৰচোতে
সেমেকি উঠে মোৰ দুচকু,
অভিমানৰ পাহাৰে তীব্ৰ কৰে
মোৰ বুকুৰ উশাহ।
উশাহৰ পথেৰে
বাহিৰ ওলোৱা দুখবোৰ মোৰ
অনুভৱ হয় যদি; তুমি
প্ৰতিনিশা ৰচিবা এটি সপোন।
এতিয়া যে, কেৱল সপোনতহে,
খুলিব পাৰিম মোৰ হিয়াৰ জোলোঙা।



## আশাৰ ফুল

[illegible]

মোৰ হৃদয় বাগিচা [illegible]
[illegible] তুমি [illegible]
দুখ-বেদনা [illegible] জীৱন [illegible]
জানো তুমি [illegible]
জানিব খোজা নেকি
মোৰ জীৱনৰ [illegible]
আহিবা [illegible]
[illegible]
বসন্ত [illegible] যদি [illegible]
আকৌ মোৰ [illegible]
তাৰবাবে তুমি [illegible]
[illegible]
মোৰ জীৱনৰ [illegible]
[illegible]
[illegible]

## সপোন

কৱিতা দেৱী
উঃ মাঃ ২ য় বৰ্ষ

আজি ৰাতি এটা সপোন দেখিম
মোৰ কোঠাৰ বেৰত দিয়া
'Snow White' দৰে তাৰ কেনভাছ
আৰু,
জ্বলি থকা বাল্বটোৰ দৰেই
সেউজীয়া হ'ব সপোনটো।
মই সপোনত পাহাৰ বগাই ভাল নাপাও
ভাল নাপাও সূৰ্য্যমুখী ফুল হ'বলৈ,
বুঢ়ি আইৰ সাধুৰ দৰেই কোমল
সপোন,
বোকাময় বাৰিষাৰ পথাৰত
তিতি থকা ৰোৱনীৰ সেউজীয়া গোছ।
এধানি জোনাকী পৰুৱা হোৱাৰ
সপোন দেখো মই
মেট্ৰ'পলিটান চহৰৰ হেল'জেন বাল্ব
আৰু
পদ পথত শুই থকা ভিখাৰীৰ সপোন
কেতিয়াও নেদেখো মই।
মই বাৰীৰ জাহীত গজা
তৰাৰ সপোন দেখো
আকাশৰ তৰাৰ চিকমিকনি
আৰু,
জোনৰ শেতা পোহৰ বোৰ
ভূৱা সপোনৰ নামান্তৰ মাথোঁ।
সপোন দেখিলে আজি মই
এখনি সেউজীয়া অৰণ্যৰ
কাজিৰঙা, মানাহ, পবিতৰা
আৰু,
ওৰাং অথবা জাতিংগাৰ
সপোন,
হে নিদ্ৰা দেৱী!
এটা মোক উপহাৰ দিয়া
সেউজীয়া সপোন
ঠিক,
কোঠাটোৰ বেৰৰ দৰে আৱৰণৰ
কোঠাটোত জ্বলি থকা
সেউজীয়া ৰঙৰ সপোন।



## আতংক

ভাস্কৰ ৰয়
স্নাতক ১ ম বৰ্ষ

বিকত চিএৰৰ .............
মোৰ চাৰিও ফালে
ছিটিকি আহিল,
"ৰক্তাক্ত"
মাংসৰ টুকুৰা,
মিলাই চালো
এটি এটিকৈ,
মোৰ সতীৰ্থৰ!
নে
প্ৰিয়জনৰ!
এক বিংশ শতিকাৰ
এয়া নেকি?
বিবেক বান
জীৱ শ্ৰেষ্ঠ মানুহৰ।

# আকাশ

বৰ্ণালী শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

জনঅৰণ্যৰ পৰা আঁতৰি আহি
কেতিয়াবা মই বহি পৰোঁ
অকলশৰে, নিশব্দে, নিৰবে
নিৰিবিলি আকাশৰ তলত।
আকাশৰ বিশালতা চাই
তন্ময় হৈ ৰওঁ মই।
মৌন মুহূৰ্তত
নীল আকাশে
সমিধান দিয়ে
বহুতো জটিল প্ৰশ্নৰ।
সন্ধিয়াপৰত বতাহজাকে
মৃদু মৃদু নাচোনৰ
তালে তালে
কঢ়িয়াই নিয়ে
পৃথিৱীৰ সুখ-দুখৰ বতৰা।
যি বতৰাই
আকাশক কৰি তোলে
মেঘাচ্ছন্ন,
আৰু কেতিয়াবা
স্পষ্ট, নীলাযুক্ত, বৰ্ণময়।
আনন্দ-শোকৰ সমভাগী
নীল আকাশ
সচাঁকৈয়ে
চিৰ শাশ্বত, অনিন্দসুন্দৰ।



# শান্তি বিচাৰি

ভাস্কৰ দাস
স্নাতক প্ৰথম বৰ্ষ

ক'ত গ'ল আজি সেই
দেশপ্ৰেমৰ অহিংসা আন্দোলন,
যাৰ স্পন্দনত কঁপি উঠিছিল
গোটেই দেশ।
ক'ত গ'ল আজি
বিপ্লৱৰ স্বদেশী সেই নেতা,
যাক ৰোধ কৰিব পৰা নাছিল
বন্দুকৰ নলীয়েও।
চৌদিশে আজি মাথো
সন্ত্ৰাসৰ দেওনা,
মানৱতাক উলঙ্গ কৰি
দানৱতাৰ ৰূপ মাথো।
হে ডেকা বন্ধুবৰ
কাৰ পৰশত তোমালোকৰ এই দশা,
যাৰ বাবে হাতত তুলি ল'লা
বন্দুক-বাৰুদৰ দৰে মৰণাস্ত্ৰ।
পাৰে জানো বাৰুদৰ ধোঁৱাই
আমাক শান্তি দিবলৈ
পাৰে জানো বাৰুদৰ ধোঁৱাই
জনগণক একত্ৰিত কৰিবলৈ??
হাতত সময় চাই
বাতত শান্তি লৈ
আহা তোমালোক
মুল সুঁতিলৈ।
তেতিয়াহে গঢ়িব নতুন
সোণৰ অসম
উৰিব শান্তিৰ পাঁৰযোৰ
জিক্-মিক্ কৈ।।





# আত্মসমৰ্পণ

বৰ্ণালী বৰ্মন
উঃ মাঃ২য় বৰ্ষ

মোৰ দুখবোৰ কোনেও নুবুজে, যিদৰে
নুবুজে মোৰ সুখ।
মোৰ তিনিশ পঞ্চাশ টকীয়া কামিজটোলৈ
ঈৰ্ষাৰেহে চালা,
কামিজটোৰ ভিতৰৰ ক্ষয় যাব ধৰা মোৰ
বুকুৰ কলিজাটো দেখা পালা জানো?
গোন্ধটো মই খুবেই ভাল পাইছিলো -
কেচাঁ মাটিৰ, কেচাঁ ঘামৰ, সৰল সেউজীয়া
মৰমৰ গোন্ধ।
সিহতে নুবুজিলে তুমিও নুবুজিলা-
আজি কালি চাৰিওপিনে কঁপি কঁপি অহা
জেচ্‌মিন আৰু লিভেণ্ডাৰৰ ফাকে ফাকে
গেলা মৰাশৰ উৎকট গোন্ধ।
কোনেও নুবুজে-
মই যে উশাহ লোৱাত কিমান কষ্ট পাওঁ।
মোৰ তেজৰ সহজ সোঁতত
কৃত্ৰিম গতি দিব খুজি
তুমিতো নেদেখিলা-
মোৰ কলিজাত হোৱা গৰাখহনীয়া-
সময়ৰ অগস্থি যাত্ৰাত নিৰুপায় মোৰ
সেয়ে আজি উদাস প্ৰত্যয়।



# শৃংখলিত প্ৰহৰ

বন্দনা ৰয়
স্নাতক ২য় বৰ্ষ

আকৌ আৰম্ভ কৰিম
নিজৰ মাজতে নিজক বিচাৰি
জীৱনৰ শুভযাত্ৰা।
পথৰ অন্তহীন শূণ্যতা অতিক্ৰমি
আসন্ন মৃত্যু ভয় পাহৰি
হৃদয়ৰে আলিংগন কৰিম
সুখতো দুখতো প্ৰেমৰ আদিপাঠ।
নিৰ্জন অতীতৰ ধোবাচাঙত তুলি থম
হেৰোৱা সপোনৰ কৰুণ স্মৃতি,
পুনৰ মাটিয়ে পানীয়ে বিয়পাই দিম
ফুলবছা হেঁপাহৰ ফল্গুধাৰা।
সৰ্বত্ৰ বিচাৰি চলাথ কৰিম
কিজানিবা আছে ক'ৰবাত
নিৰুদ্দেশ প্ৰেমৰ সঠিক ঠিকনা
এতিয়া বুজিছো-----------
সাগৰৰ দৰে আকাশৰ দৰে
কি উদাৰ বিশাল নিৰ্মল!
মানৱীয় প্ৰেমৰ বৰ্ণময় নদীটি
যি নদীৰ পাৰত সকলো উছ্‌ৰতে থাকে
ইজন সিজনকৈ সহস্ৰজনৰ
হৃদয় দাপোনৰ প্ৰতিফলিত উপলব্ধি
যিয়ে গঢ়ে দুঃসময়ৰ আৱৰ্ত ভঙাৰ প্ৰস্তুতি
জীৱন যাত্ৰাৰ বাটে-পথে
কেৱল প্ৰেমহে উজ্জীৱিত কৰে নিৰন্তৰে
সুহৃদ হৃদয়ৰ কাংক্ষিত অমল প্ৰাৰ্থনা
শৃংখলিত প্ৰহৰৰ বিকশিত চেতনা।

## স্বপ্ন-সমাধি

অনুপ ডেকা
স্নাতক ২য় বৰ্ষ

মই নিজেই ক'ব নোৱাৰো
প্ৰকৃততে মই কোন
কিয়, নিজৰ নামটোও পাহৰি গৈছোঁ নেকি?
অপৰিষ্কাৰ বেশভূষাত নিজকে প্ৰতিষ্ঠা কৰি
সন্দেহ হয় মোৰ
কুৰি শতিকাৰ ময়েই নগণ্য মানৱ নেকি?
কামনা- বাসনা সকলো পিঠি দি
আছো জীয়াই শিলামূৰ্তী হৈ
নিৰ্মল আকাশৰ ময়েই অমানিশা নেকি?
হৃদয়ৰ চাবিপাত তোমাতেই সপিলো
সময় পালে খুলি চাবা
বেদনাৰ জুই জ্বলিছে নেকি?
মৰমৰ কঠিয়া হৃদয়ত সিঁচি
মিলন সাঁকো গঢ়িব খুজি
অজানিতে ভুল কৰিছো নেকি?
তোমালৈ দিয়া কাগজবোৰ
কেতিয়াবা খুলি চাবা
আখৰবোৰ মচা গ'ল নেকি?
মোৰ জীৱনটো মাথোঁ তোমাৰেই
এদিন থমকি চাবা
উশাহবোৰ স্তব্ধ হ'ল নেকি?
পাৰিলে আহিবা জীৱিত কালতে
চেনেহৰ চাতুৰি বাই
সুধিবা মই সলনি হ'লো নেকি?
শেষ সমাধিস্থলত মোৰ
মাথোঁ এবাৰ গৈ চাবা
মই জীয়াই আছোঁ নেকি?
অন্তহীন অপেক্ষাৰ শংকা আৰু
উদ্বিগ্নতাৰ হেঙুলি ৰেখা
কোনোদিনে আঁতৰি নাযাব নেকি?





## মানৱতাৰ চৰম বিপৰ্য্যয়

মণি কলিতা
স্নাতক প্ৰথম বৰ্ষ

জনসাধাৰণৰ দ্বাৰা গঠিত
জনসাধাৰণৰ এইয়া
বিশিষ্ট গণতান্ত্ৰিক চৰকাৰ
যি চৰকাৰত চলিছে
অন্যায় আৰু ভ্ৰষ্টাচাৰ।

পবিত্ৰ শিশুৰ দৰে সৃজন
কৰিলে সৃষ্টিকৰ্তা ব্ৰহ্মাই
কিন্তু কাৰ পৰশত! মানৱৰূপী
সন্তানসকলে দানৱলৈ
ৰূপান্তৰিত হ'ল।

অসংখ্য নৰখাদকৰ পুঞ্জীভূত
কামনাৰ বলি হৈ
নাবালিকাই কঢ়িয়াব লগা হৈছে
কি কৰুণ মাতৃত্বৰ বোজা
যাৰ কামনাৰ বলি হৈ নৱছবীয়া
বৰ্ণালীয়ে ললে মৃত্যুক
সাবটি, এইয়া বাৰু আজিৰ
মানৱৰ বিপৰ্য্যয় নহয়নে?

আজিৰ সুসভ্য শিক্ষিত সমাজে
কাপোৰ পৰিধান কৰিও
কিয়? পৰোক্ষভাৱে নাঙঠৰূপে
দেখা দিছে জনতাৰ মাজত।

প্ৰকৃততে কোন কাৰ,
সকলোতোদুদিনৰ,
কিন্তু মানৱৰূপী
সন্তানসকলে দানৱৰ
বিপৰ্যয় লীলাৰে
মানৱক বশীভূত কৰিছে কিয়?
আকৌ আৰু বেষ্টনিৰ বেষ্টনী ভাঙি
জগৎ মুকলি হোৱাৰ
শেষ পোহৰৰ ৰেঙনিও
যেন আজি আৰু নাই।।



## শৰৎ

দেবজিৎ কলিতা।
স্নাতক তৃতীয় বৰ্ষ।

জোনাকৰ দৰে জিলমিল কৰে
ধৰালৈ যেতিয়া শৰৎ নামে।
গাঁৱলীয়া কৃষকজন বোকা পোতা ধুই
যেন গাত তেল চটিয়াই
আকাশৰ ৰং নীলাৰে আৱৰে
তৰাৰ জিলিকনি যেন
এখোপ চৰে
ধৰালৈ যেতিয়া শৰৎ নামে।
নিৰ্মল আকাশ, নিৰ্মল মন
শৰতে কৰে আজৰি
খেতিয়কজন (ৰ)
ধৰালৈ যেতিয়া শৰৎ নামে।
স্বচ্ছ হয় জল, মলিনতা নাই
মনতো কোনো কলুষতা নাই।

## অনুভৱ

জুনুমা ৰয়
স্নাতক প্ৰথম বৰ্ষ

তুমিটো নুবুজিলা মোৰ হৃদয়ৰ ভাষা
মই তেনেই এজনী দৰিদ্ৰ যুৱতী
যাৰ বুকুত অলেখ আঘাতৰ ঘা
মোৰ হৃদয়ৰ চৌপাশে এতিয়া মৃত্যুৰ জৰুৰী আহ্বান।
তুমিটো এবাৰো নাভাবিলা গাভৰু জীৱনৰ সেউজীয়া
মনটোৰ কথা.......
যাৰ বুকুৰ ছনপৰা পথাৰতো নানা শইচৰ উল্লাস
যিয়ে আপোনজনৰ আগতো প্ৰকাশ কৰিব নোৱাৰে
অশ্ৰুসিক্ত বেদনাবোৰ.....
তথাপি নিজেই পান কৰো বন্ধ কোঠাৰ ভিতৰত
তোমাৰ বুকুৰসেউজীয়াবোৰ....
তুমিটো অনুভৱ নকৰিলামোৰ যৌৱনৰ মাদকতাবোৰ,
অনাহুত আকাংক্ষাবোৰ,
য'ত লুকাই আছে বিমৰ্ষতাৰ চিহ্ন আৰু উদ্বিগ্ন
চকুৰ ভাষাৰ লগতে ঠেহ অভিমান আৰু প্ৰতিক্ষাৰ
ভাৱাক্ৰান্ত মন........।
এই সকলোবোৰ সংজ্ঞা তোমাৰ বিবেকত তুচ্চ হ'ব পাৰে
ভুল নুবুজিবা প্ৰেমৰ প্ৰস্তাৱ দি ফুৰা মই কোনো
পাগল প্ৰেমিক নহয়। ■



## এটি কবিতা – নিৰীহ জনতাৰ

মনোজ কুমাৰ শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

এতিয়া আৰু মই কবিতা নিলিখো
নিলিখো নিৰীহ জনতাৰ
বেদনাসিক্ত ক্ৰন্দন ধ্বনিবোৰ
লিখিলেই বা হ'ব কি?
ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ
কেতিয়াবাই
পঞ্চাশ বছৰ পাৰ হ'ল
কিন্তু শেষ নহ'ল শোষক
নৰখাদক বোৰৰ হাতত শোষিত জনতা
নিৰ্বিঘ্নে সহি গৈছে শাসনবোৰ
হে ভাৰত মাতা! তুমি জাগা
হে জনতা! তোমালোক জাগা
তোমালোকৰ একতা, ঐক্যই
পৰাজিত কৰিব এই নৰখাদক বোৰক
আৰু তেতিয়া
মই এটি কবিতা লিখিম
মুক্তিৰ কবিতা...........................।
একতাৰ কবিতা .........................। ■





## অনুভৱ- মাথো মোৰ স্মৃতি

তৰালী দেৱী
স্নাতক প্ৰথম বৰ্ষ

অনুভৱ,
এবাৰ উভতি চাব খোজা নে অতীত
যি অতীত
তোমাৰ পাহৰণিৰ গৰ্ভত।
স্তিমিত হৈ মাথো জিলিকি আছে
মোৰ মাথো মোৰ
মন দাপোনত সোতৰতা বসন্ত জুৰি
কেতিয়াবা যদি মনত পৰে
তেতিয়াই মনত পৰিব
স্নিগ্ধ জোনাকৰ তলত
কোনোবাই প্ৰতিশ্ৰুতি দিছিল
আজীৱন এক হোৱাৰ
এটি পূৰ্ণিমাৰ সন্ধিয়া
হিয়াত অশেষ আশা
হেজাৰ মৰম সাঁচি
ৰৈ আছিল কোনোবাই
গাঁওৰ মূৰৰ কেঁকুৰিত
বহাগৰ প্ৰথম
পুঁৱাত।
তুমি খুউব
আত্মাভিমানী
অনুভৱ!
সিদিনা এবাৰ ভাবিব লাগিছিল
এখন হিয়াৰ কথা।
এবাৰ হ'লেও চাব লাগিছিল চকুলৈ
হিয়াৰ বেদনাক পৰিণত কৰা
নয়নৰ কোণৰ পানীৰ কণিকালৈ।
সুখত থোৱা অনুভৱ!
খুউৰ সুখী হোৱা
মই আৰু তোমালৈ
বাট চাব নোৱাৰিম্।
কাবোবাৰ সহানুভূতি
মোৰ এতিয়া
জীৱন লগৰী
হয়তো তেৱেঁ হ'ব
প্ৰজাপতিৰ নৱ যাত্ৰী
মোৰ জীৱনৰ। ■



## পৰিৱৰ্ত্তন

হৰেশ্বৰ ৰাজবংশী
উঃ মাঃ ১ম বৰ্ষ

মোৰ কলমটোৱে কিবা লিখিব ললেই
এতিয়া নিগৃত হয়
হত্যা,ধৰ্ষণ, অত্যাচাৰ
বিস্ফোৰণ জাতীয় কিছুমান
ভয় লগা শব্দ, যিবোৰ
শব্দই এতিয়া অসমৰ আকাশত
ক'লা ধোঁৱাৰ দাগ বহুৱায়
আৰু একোটা অঞ্চললৈ নমাই আনে
সন্ত্ৰাস, বিভীষিকা;
কোনোবা পুত্ৰহাৰা মাতৃৰ
হিয়া ধাকুৰা কান্দোন অথবা
কোনোবা গাভৰু বোৱাৰীৰ উকা কপালখন,
দেখিলে মোৰ কলমটো
থমকি ৰয় কিছু ক্ষোভত,
আৰু যাৰ বাবে আজি মোৰ
কলমটোৱে কবিতাবোৰ লিখিবলৈ
পাহৰিবলৈ ধৰিলে, আৰু নিগৃত হয়
মাথোন পৰিৱৰ্ত্তণশীল জনতাৰ
প্ৰতিবাদী শ্লোগান। ■

# Baro-Bhuya: It's role in formation of economic structure of Assam upto sixteenth century. A. D.

**Tapan Kalita**
Sr. Lect. Dept. of History

**Baro-Bhuya and it's origin :**

After the fall of Palas, a class of new rulers called Bhuyans rose into considerable prominence following the disintegration of the ancient Kingdom of Kamrupa. These chiefs are well remembered in Assam legends as the "Baro (twelve) Bhuya", a title which was formerly supposed to indicate a connection with the aboriginal tribe of the same designation in chota Nagpur. This of courses is not the case; and the late Dr. Wise has clearly shown. In connection with Eastern Bengal, there was also in former times a group of chiefs bearing the same title. The word "Bhuya" has nothing to do with caste, but is merely the sanskrit equivalent of the Persian word "Zamindar". It is not clear why the number "twelve" should always be associated with them, both in Bengal and Assam. Whenever they are enumerated, twelve persons are always mentioned, but the actual names very, just as in the case of Muhammadan "punch Pir", different saints are counted by different people. It seems to have been the practice in this part of India for kings to appoint twelve advisors or governors. Nar-narayan had twelve ministers of state; twelve chiefs of dolois administered the hilly portion of the Raja of Jaintia's Dominions, and these were twelve state councillors in Nepal. The number may thus have become connected in the minds of the people with all dignitaries ranking next to a Raja, and so have come to be used in a purely conventionasence.

The word "Bhuyan" means a land lord which is synonymous with the Persian equivalent Zamindar and Sanskrit Bhaumika. Sri Sankardeva who himself was a great Bhuyan used the word "Bhowmik" as a synonymn of the term "Bhuyan". The Bhuyas were therefore petty chiefs exercising practically real authority over small tracts when the central authority of the Klings of Kamrupa were strong, these Bhuyas were feudal lords over districts. They commonly ruled some strips of the area of the old Nowgong and Darrang district of present Assam during early and late medieval times. When this central authority grew weak the Bhuyas became the rulers.

The Bhuyas or local chiefs, though independent one another, occasionally formed some confederacy with a Siromani or Gomosta as their leader with a view to warding off external aggressions, viz. muslims or armed raids from the Bhutanese or the Kacharis. Chandibar, a forefather of Sankardev was a Siromani Bhuya.

There is tradition that the Bhuyas were either Brahmins or Kayasthas by caste. but, according to author of the "Darrang Raj Vansavali" there were Bhuyas chiefs who were Ganaks by caste and who flourished about the beginning of the sixteenth century before the rise of the Koch King Viswa Singha.

**Bhuya's contribution in uplift of the "Medieval Assam's" economy :**

There are number of evidence from which we know that Aassam had close relation with the North Indian agragrian civilization from the ancient period. If we exclude the epic age, than also we found that from the Ganga-valley a large number of emigrant entered in Assam in various time in different circumstances. Anyhow, among the emigrants group who came was the "Baro Bhuiyan" were the last batch of agragrian warrior class.

This Bhuya of Ganga Valley civilization entering Assam were succeeded to establish same Kingdoms defeating local tribe of weastern Assam. Even some of emigrant were succeeded to establish their Estates without any war. In fact when this emigrant entered in the Assam they were comparatively develop than other indigenious race. And we can reasonably believed that among the hordes of Bhuya emigrant, some were theologist, some were expert in administration and revenue collection, some were farmar with advance technology and so on.

প্ৰতিবেদনৰ আৰাম্ভণিতে যিসকল বীৰঙ্গনাই স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ আহুতি দি চিৰদিনলৈ আঁতৰি গ'ল সেই মহান শ্বহীদসকললৈ নিবেদিছো অশ্ৰুসিক্ত অঞ্জলি আৰু লগতে তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। লগতে যিসকল মহান ব্যক্তিয়ে এই পৱিত্ৰ শিক্ষানুষ্ঠানটিৰ জন্ম দিলে আৰু যিসকলে ব্যক্তিগত অমূল্য সময় বিনিয়োগ কৰি এই মহান অনুষ্ঠানটোৰ জন্ম লগ্নৰে পৰা বৰ্ত্তমান অৱস্থাত পৰিণত কৰাত অৰিহণা যোগালে সেইসকল মহান মনিষীলৈ যাছিছো গভীৰ শ্ৰদ্ধা আৰু ভক্তি। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ যিসকলে মোক ২০০২-২০০৩ ইং বৰ্ষৰ নিৰ্মল হালৈ মপাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ নিচিনা এক দায়িত্বপূৰ্ণ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ সেৱা কৰাৰ সুযোগকণ দিলে।

ছাত্ৰ একতা সভা গঠন হোৱাৰ কেইদিনমান পিছত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। খেল-ধেমালীবোৰ সুকলমে চলাই নিয়া হৈছিল। কিছুমান খেল আমাৰ খেল পথাৰৰ অভাৱৰ বাবে পাটাছাৰকুছি বিদ্যাপীঠৰ খেলপথাৰত চলোৱা হৈছিল। এই সুবিধাকণ দিয়াৰ বাবে বিদ্যাপীঠৰ অধ্যক্ষ তথা স্কুল কৰ্ত্তপক্ষক ধন্যবাদ জনাইছো। মহাবিদ্যালয়ত ইয়াৰোপৰি নৱাগত আদৰণি সভা, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, শ্বহীদ দিৱস, গণৰাজ্য দিৱস, গান্ধী জয়ন্তী, আদি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল।

মহাবিদ্যালয়ত ভোটৰ তালিকাত নাম দিয়াৰ দিনৰে পৰা কিছুমান কথা মোৰ লক্ষ্যত পৰিছে। ভোটৰ প্ৰাৰ্থীসকলক কিছুমানৰাজনীতিৰ লগত জড়িত ব্যক্তিয়ে প্ৰলোভন দেখুওৱাই কিছুমান পাৰ্টীৰ হৈ ভোট খেলিবলৈ নিৰ্দেশ দিয়ে যিসকল ব্যক্তি মহাবিদ্যালয়ৰ লগতে ওতঃপ্ৰোতভাৱে জড়িত। আৰু যদিহে এনেদৰে মহাবিদ্যালয়ত নিৰ্বাচন আৰম্ভ হয় তেতিয়াহলে মহাবিদ্যালয়তো পাৰ্টীৰ চিহ্নত ভোট খেলিবলৈ বেছি বছৰ নালাগিব। সেয়ে মহাবিদ্যলয় কৰ্ত্তপক্ষ তথা পাটাছাৰকুছিবাসী ৰাইজ সতৰ্ক হোৱা উচিত যাতে এই ছাত্ৰাৱস্থাতে ছাত্ৰৰ মনত ৰাজনীতিৰ ভাৱ উপস্থাপন হব নোৱাৰে। আৰু লগতে যিসকল ব্যক্তিয়ে মহাবিদ্যালয়ৰ লগত জড়িত থাকি ৰাজনীতিটো লিপ্ত হৈছে তেখেতসকলক তুৰন্তে যিকোনো এটি কৰ্ম ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

যোৱা দুটি বছৰত মহাবিদ্যালয়ৰ বহুতো উন্নয়ণমূলক কাম কৰা হৈছিল। এয়াই নহয় আৰু বহুতো হ'লহেতেন যদিহে এজনক গোটা ইটা, কোনোবাক ভঙা ইটা, কোনোবাক কাঠ, কোনোবাক শিল, কোনোবাক বালি আদি অনাৰ দায়িত্ব নিদিলেহেতেন যোৱা দুটা বছৰ ছাত্ৰ একতা সভাৰ পদৰীত থাকিও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ (প্ৰাগ্জোতি) খন কোনো এটা বছৰতে সময়মতে উলিয়াব নোৱাৰিলো।তাত আমাক দোষাৰোপ কৰি কোনো লাভ লাই। ভিতৰুৱা বিভিন্ন খেলি মেলিৰ কাৰণে আলোচনীখন উলিওৱাত পলম হয়। তাৰ বাবে আলোচনী সম্পাদক কোনোপধ্যে দায়ী নহয়।

মহাবিদ্যালয় এখনত বহুতো অভাৱ -অভিযোগ থাকে ।আৰু এই অভাৱ অভিযোগ পূৰণৰ বাবে ম হাবিদ্যালয় কৰ্ত্তপক্ষই অহৰহ চেষ্টা চলাই আছে । সকলোৰে অভিযোগ একেদিনাই পূৰাব নোৱাৰি তথাপিও তলত দিয়া অভিযোগ কেইটা অনতি পলমে পূৰাবলৈ মহাবিদ্যালয় কৰ্ত্তপক্ষক অনুৰোধ জনালো

১। খেলপথাৰখন খেলপথাৰ হিচাবে গঢ়ি তোলা।
২। ছাত্ৰ-ছাত্ৰী সকলে পুথিভঁৰালৰ ভিতৰতে পঢ়িব পৰাকৈ (Reading Room) ৰ ব্যৱস্থা কৰা ।
৩। নিঃ হাঃ মঃ ৰ ছাত্ৰ হিচাপে সকলো ঠাইতে পৰিচিত হোৱাৰ বাবে Uniformবাধ্যতামূলক কৰি দিয়া ।
৪। শিক্ষা বিভাগৰ ব্যৱহাৰিক (Practical ) বস্তুবোৰৰ যোগান ধৰা ।
৫। প্ৰত্যেকটো বিভাগৰ একোটাকৈ পুথিভঁৰাল খোলা । ইত্যাদি ।

মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন কাৰ্য্যসূচীত মোৰ গাৰ চাৰ দৰে থাকি মোৰ বিশেষভাৱে সহায়ৰ হাত আগবঢোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ,তথা লগতে ছাৰ বাইদেউসকল বন্ধুবৰ - কিশোৰ, সঞ্জয়, বাবুল, ৰুবুল, বুবুল, মনোজ, মৃদুল, ধনজিৎ, ৰজত, বনমালী, অনন্ত, ললিতা, ধীৰামনি, অঞ্জু । আপোনালোকলৈ যাচিছো হিয়াভৰা মৰম আৰু ধন্যবাদ ।

সদৌ শেষত মোৰ কাৰ্য্যকালছোৱাত অজানিতে কৰা ভুল ক্ৰুটি সমূহৰ মাৰ্জনা বিচাৰি, নিৰ্মল হালৈ মহাবিদ্যালয়ৰ আগন্তুক 'ৰূপালী জয়ন্তী' বৰ্ষৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ধন্যবাদেৰে
জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়,
গোপাল ডেকা
ছাত্ৰ একতা সভা





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে মোৰ অসমী আইৰ বুকুত, অসমীয়া জাতিৰ অস্তিত্ব, নিজৰ ভাষা, শোষিত নিস্পেষিত জনসাধাৰণৰ স্বকীয় অস্তিত্বৰ হকে মাত মাতোতে যি সকল অসমৰ সন্তানে প্ৰাণ বিসৰ্জন দিলে সেই সকল জাতীয় বীৰ শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিৱেদিছোঁ।

২০০২ - ২০০৩ ইং বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে যিসকল শুভাকাঙ্খী ছাত্ৰ - ছাত্ৰীয়ে মোক প্ৰত্যক্ষ নিৰ্বাচনেৰে জয় যুক্ত কৰি পবিত্ৰ অনুষ্ঠানটিৰ দায়িত্বৰ লগতে সেৱা কৰাৰ সুবিধা কণ দিলে তেখেতসকলক কৃতজ্ঞতাৰে সুঁৱৰিছোঁ আৰু মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বৃহত্তৰ পাটাছাৰকুছি অঞ্চলত নিৰ্মল হালৈ মহাবিদ্যালয় হ'ল কলেজীয়া শিক্ষা লাভ কৰাৰ একমাত্ৰ অনুস্থান। এইখন মহাবিদ্যালয়ত বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ - ছাত্ৰীয়ে উচ্চ শিক্ষা লাভৰ বাবে ভিৰ কৰে যদিও এই অনুষ্ঠানটোৱে ছাত্ৰ - ছাত্ৰীৰ সকলোবোৰ অভাৱ সম্পূৰ্ণৰূপে পূৰণ কৰিবলৈ সমৰ্থ হোৱা নাই।

তথাপি নানা ঘাত-প্ৰতিঘাট আৰু ভুল ক্ৰটিৰ মাজেৰে অতিবাহিত কৰি অহা কাৰ্য্য-কালৰ চমু আভাস এটি দাঙি ধৰিলো। মহাবিদ্যালয় সপ্তাহ, মহাবিদ্যালয়ৰ খেলা-ধূলা, কুইজ, কেৰ'ম আদিৰ প্ৰতিভা থকা ছাত্ৰ - ছাত্ৰী সকলক প্ৰতিভা বিকাশৰ উদ্দেশ্যে আৰু মানসিক তথা শাৰীৰিক উৎকৰ্ষ সাধনাৰ্থে চলি অহা মহাবিদ্যালয় সপ্তাহ এই বেলিও বিভাগীয় তত্বাৱধায়ক আৰু বিভাগীয় সম্পাদক সকলৰ সু - পৰিচালনাত পৰিচালিত কৰা হয়।

শ্ৰমদান কাৰ্য্যসূচী অথবা "সমাজ সেৱা আচনি" ( N.S.S..) শিক্ষাৰে এটা অপৰিহাৰ্য্য অঙ্গ। অকল পুঠিগত শিক্ষাৰ মাজত আৱদ্ধ নাথাকি শ্ৰমদান কাৰ্য্যসূচীৰ জৰিয়তে সামাজিক জীৱনৰ উৎকৰ্ষ সাধন কৰাতো সকলো ছাত্ৰ - ছাত্ৰী আৰু সামাজিক লোকৰ কৰ্তব্য।

অদমনীয় উচ্চ শিক্ষা লাভৰ অভিলাস বাস্তৱত ৰূপায়িত কৰাৰ আশাৰে আৰু নিজকে সু - নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ৰখা লক্ষ্য উদ্দেশ্য সুদৃঢ় কৰাৰ মানসেৰে আমাৰ মহাবিদ্যালযত পদাৰ্পণ কৰা ন ৱাগত ছাত্ৰ - ছাত্ৰী সকলক আনুষ্ঠানিক ভাৱে আদৰণি জনাবলৈ "নৱাগত আদৰণি" সভাখন ১/ ৯/ ২০০৩ ইং তাৰিখে অনুষ্ঠিত কৰা হয়।

আমাৰ বিদ্যালয়খন চালুকীয়া অনুষ্ঠান। গতিকে এই বিদ্যালয়ত নানা অভাৱে জুমুৰি ধৰাটো স্বাভাবিক। মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়ৰ দুটা এটা অভাৱ পূৰণ কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ জৰিয়তে স্থানীয় বিধায়ক মহোদয়লৈ দুই দফীয়া দাবী সম্বলিত চনদ এখন প্ৰেৰণ কৰিছিলোঁ। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে স্থানীয় বিধায়ক দেৱে সেই দুই দফীয়া দাবীৰ এটিও দাবী পূৰণ কৰিব পৰা দেখা নগ'ল। সেইটো হ'ল ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মহাবিদ্যালয়ৰ সংযোগী পথটোৰ আধৰুৱা কামখিনি সম্পুৰ্ণ কৰাৰ লগতে মহাবিদ্যালয়ৰ চৌহদটো পকীকৰণৰ বাবে এই চনদ খন প্ৰেৰণ কৰা হৈছিল।

ছাত্ৰ - ছাত্ৰীৰ অভাৱ- অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা অধ্যক্ষ ড° মহোদয়লৈ সাত দফীয়া চনদ এখন প্ৰদান কৰিছিলো সেয়া হ'ল -

(১) ছাত্ৰ - ছাত্ৰী সকলৰ স্থানীয় খেল পথাৰৰ অভাৱ।
(২) ছাত্ৰৰ প্ৰস্বাৱগাৰটো মেৰামতি কৰা।

(৩) মহাবিদ্যালয়ৰ চৌহদটো চাফাই কৰি তাত ফুলৰ বাগান নিৰ্মাণক ৰণ।
(৪) প্ৰতিটো শ্ৰেণী কোঠাত বিজুলী বাতিৰ লগতে পাঙ্খাৰ ব্যৱস্থা কৰা।
(৫) ছাত্ৰ একতা সভাৰ কাৰ্য্যলয়টো মেৰামতি কৰাৰ লগতে ছাত্ৰ - ছাত্ৰীৰ চাইকেল ষ্টেণ্ডটো মেৰামতি কৰা।
(৬) Reading Room ৰ অভাৱ।
(৭) মহাবিদ্যালয়ৰ মূল তোৰণ খন ৰং কৰাৰ বাবে ব্যৱস্থা কৰা।
কিন্তু দুৰ্ভাগ্যৰ বিষয় যে সাত দফীয়া দাবীৰ আটাই কেইটা দাবী পূৰণ কৰা নহ'ল।
আমাৰ অভাৱ- অভিযোগ অলেখ সঁচা কিন্তু মই ন দি কব পাৰো যে আন দিশত অভাৱথাকিলেও শিক্ষাৰ দিশত
আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীয়ে কোনো অভাৱ আৰু অসুবিধা পোৱা নাই। শিক্ষাৰ মানদণ্ড ৰক্ষা কৰাৰ ক্ষেত্ৰত আমাৰ
বিদ্যালয়খনে আন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দই যি চৰম ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি হলেও মহাবিদ্যালয়
. খনৰ অগ্ৰসৰৰ পথত আগুৱাই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছে তাৰ বাবে তেখেত সক ল চিৰনমস্য আৰু শ্ৰদ্ধাৰ পাত্ৰ।
আমাৰ এই কাৰ্য্যকালৰ সময়ছোৱাত কেইবাগৰাকীয়ো স্বনামধন্য ব্যক্তিৰ মৃত্যুত শোকসভা অনুষ্ঠিত কৰা হয়। হে
মোৰ মৰমৰ ছাত্ৰ - ছাত্ৰী, বন্ধু - বান্ধবীসকল, আপোনালোকক অনুৰোধ জনাও যে এই জ্ঞানৰ মন্দিৰত এগছি বন্তি জ্বলাবলৈ
আপোনালোক আহিছে বহুদুৰ অতিক্ৰম কৰি, যত দেশৰ সামগ্ৰিক চিন্তা চৰ্চা হৈছে অকল্পনীয় ভাতৃত্বৰ এনাজৰী;
সুস্থিৰ চিন্তা, একাত্মবোধ, গভীৰ অধ্যয়ন আৰু আত্ম বিশ্বাস আগত ৰাখি আমি আটাইয়ে আগুৱাব লাগিব, কাৰণ আমাৰ
দেশৰ গুৰু দায়িত্ব এদিন আমিয়ে মূৰ পাতি লব লাগিব।
মহাবিদ্যালয়ৰ স্বাৰ্থত দু আযাৰ কবলৈ যাওঁতে কেতিয়াবা আবেগৰ বশবৰ্ত্তী হৈ ভুলো কৰিব পাৰো তাৰ বাবে
মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষক কৰ্মচাৰীৰ ওচৰত ক্ষমা মাগিছো। মোৰ কাৰ্য্যকালৰ সময় ছোৱাত বিভিন্ন দিহা -পৰামৰ্শ দি
মোক উৎসাহিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সন্মানীয় শ্ৰীযুত মাণিক চন্দ্ৰ দাস; শ্ৰীযুত নিৰ্মল শইকীয়া দেৱলৈ মোৰ বিশেষ
কৃতজ্ঞতা থাকিল।
অৱশেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ দৰে এটা পবিত্ৰ শিক্ষানুষ্ঠানত সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত কৰি মোৰ
কাৰ্য্যকাল ছোৱাত দেহে- কেহে সহায়- সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ সতীৰ্থ যথাক্ৰমে সৰ্বশ্ৰী - কমল, মণ্টু,চাইফুদ্দিন,
আব্দুল, তাকিদুল, আনাৰ,বাবুল, নিপম(মাইকেল), জয়শ্ৰী, ৰিংকু, আব্দুল হঁতলৈ ধন্যবাদ জনাইছো-।
সদৌ শেষত অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অনাগত
ভৱিষ্যৎৰ প্ৰতিটো পলত অংশীদাৰ হোৱাৰ আশিষ বিচাৰি বিশ্ব বিখ্যাত নাট্যকাৰ ছেক্সপীয়েৰৰ ভাষাত প্ৰতিবেদনৰ সামৰণি
মাৰিছো।

"FRAIL CREATURES WE ARE ALL
TO BE THE BEST
THE FEWEST FAULTS TO HAVE"

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

ধন্যবাদেৰে
মঃ ৰাজীৱ আলী
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা





## সহ ঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ মুখবন্ধত শ্ৰদ্ধা নিবেদিছোঁ বিশ্বৰ সেইসকল খ্যাত অখ্যাত মহান কৰ্মীলৈ যি সকলে বিভিন্ন
সময়ত ছাত্ৰ তথা স্বাৰ্থ ৰক্ষাৰ হেঁতু নিজ শোণিতেৰে সংগ্ৰামৰ অক্ষয় বন্তি উজ্বল কৰাত অমূল্য বৰঙণি আগবঢ়ালে।
কৃতজ্ঞতা যাচিছো সেই সকল মহান ব্যক্তিলৈ যি সকলৰ অক্লান্ত শ্ৰম, ত্যাগ আৰু সহযোগিতাত গঢ়ি
উঠিছে এইখন পবিত্ৰ বিদ্যামন্দিৰ -"নিৰ্মল হালৈ মহাবিদ্যালয়।"
২০০২ - ২০০৩ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহ ঃ সাধাৰণ সম্পাদক হিচাপে মোক বিনা প্ৰতিদণ্ডিতাৰে
জয় লাভ কৰিবলৈ সুবিধা কণ দিয়াৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক মৰম তথা
ধন্যবাদ জ্ঞাপন কৰিলো।
মই কাৰ্য্যভাৰ গ্ৰহণ কৰা দিনৰ পৰাই মোৰ সাধ্য অনুযায়ী সকলো কামেই নিয়াৰিকৈ কৰাৰ বাবে চেষ্টা
কৰিছিলো কিন্তু মোৰ এই চেষ্টা কাৰ্যত কিমানদূৰ সফল হৈছে সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।
কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি সমূহ সকলো শিক্ষাগুৰু আৰু
ছাত্ৰ - ছাত্ৰীৰ সহযোগিতাত অতি আনন্দৰ মাজেৰে অনুস্থিত কৰা হয়। অৱশ্যে সহকাৰী সাধাৰণ সম্পাদক হিচাপে
মোৰ কাৰ্য্যভাৰ সীমিত। তথাপি মোৰ সাধ্য অনুসৰি সকলো কামতে সাধাৰণ সম্পাদক আৰু আন আন বিভাগৰ
সম্পাদক সকলক সহায়ৰ হাত আগ বঢ়াই গৈছিলো। ইয়াৰ উপৰিওঁ মহাবিদ্যালয় সপ্তাহৰ মূকলি অধিৱেশন অনুস্থিত
কৰা মঞ্চ সজ্জাৰ দায়িত্ব সাধাৰণ সম্পাদকে মোৰ ওপৰত অৰ্পন কৰিছিল। মই এই গুৰু দায়িত্বটো মোৰ লগৰীয়া
সকলৰ সহযোগিতাত সমাপন কৰিছিলোঁ।
মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰতে সহায় কৰা বন্ধু -বান্ধৱী সকললৈ মোৰ হিয়াভৰা মৰম আৰু পূজনীয়
শিক্ষাগুৰু সকললৈ আন্তৰিক শ্ৰদ্ধা নিৱেদিছো।
প্ৰতিবেদন সমাপ্তিত অজানিতে হোৱা ভূল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ
উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

ত্ৰৈলোক্য শীল
সহঃ সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা

# এবছৰীয়া স্বীকাৰোক্তি



মোৰ মৰমৰ নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ,বন্ধু-বান্ধৱী সকল, সময়ত আমাৰ এক অন্যতম শিক্ষানুষ্ঠান

প্ৰাৰম্ভিক ক্ষণত যি সকল মনীষীয়ে অক্লান্ত ত্যাগ পৰিশ্ৰম আৰু চিন্তাৰে বৰ্তমান সময়ত আমাৰ এক অন্যতম শিক্ষানুষ্ঠান হিচাপে নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ জ্ঞানৰ দুৱাৰ মুকলি কৰি দি খ্যাতি ৰাখিলে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। সুহৃদ সতীৰ্থৰ আন্তৰিক মৰম, শুভকামনা, একান্ত ব্যক্তিগত ইচ্ছাত নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ ২০০২ - ২০০৩ বৰ্ষৰ 'প্ৰাগ্‌জ্যোতি'ৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুবিধাকণ দিয়া বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ,বন্ধু- বান্ধৱীলৈ কৃতজ্ঞতা যাচিছোঁ।

সম্পাদক হোৱাৰ যোগ্যতা আছে নে নাই তাৰ বিশ্লেষণ আপোনালোকৰ হাতত। আলোচনী এখন সম্পাদনা কৰা অতি কঠিন যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে। আমিও অনভিজ্ঞ, তথাপি সকলো ফালৰ পৰা চেষ্টাৰ ত্ৰুটি কৰা নাই। আলোচনী খন ছপা কৰি উলিওৱাত যথেষ্ট পলম হোৱা বাবে মই বৰ দুঃখিত। কাৰণ আলোচনী খন প্ৰস্তুত কৰাৰ বাবে যিখিনি লিখনি আৰু ফটোৰ প্ৰয়োজন হয়, সেইখিনি সময়মতে পোৱা নগ'ল। ইয়াৰ উপৰি আলোচনী এখন প্ৰকাশ কৰি উলিওৱাৰ বাবে অধিক অৰ্থৰ প্ৰয়োজন। ইয়াৰ তুলনাত নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ বাজেটৰ পৰিমাণো সন্তোষজনক নহয়। পূৰ্ণাংগ আলোচনী এখন সুন্দৰভাৱে প্ৰকাশ কৰিবলৈ মাত্ৰ ১৪ হেজাৰ টকাৰে সম্ভৱ নহয়। এই বিষয়ত কলেজ কৰ্তৃপক্ষৰ লগত আলোচনা কৰিলো যদিও পূৰ্বৰ বাজেটখিনিও দিবলৈ মান্তি নহ'ল। যি আশাৰে আলোচনীখন ছপাব খুজিছিলোঁ সেই ইচ্ছা পূৰণ নহ'ল।

সম্পাদক হিচাপে মহাবিদ্যালয় সপ্তাহৰ আলোচনী বিভাগৰ প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে চলাইছিলো। মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগত থিতাতে লিখা গল্প প্ৰতিযোগিতা, থিতাতে লিখা কবিতা প্ৰতিযোগিতা, অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা, ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। নৱাগত আদৰণি সভাত আলোচনী বিভাগৰ দ্বাৰা এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি উলিওৱা হয়। প্ৰাচীৰ পত্ৰিকা খনৰ নাম ৰখা হয় 'কাদম্বৰী'। বেটুপাত আৰু স্কেচ্ অংকণ কৰে ভাতৃ প্ৰতীম অঞ্জন শৰ্মাই, অলংকৰণত মোৰ লগত সহায় কৰে বন্ধু প্ৰাঞ্জল (প্ৰণৱ) কলিতাই। এই চেগতে মই তেওঁলোক দুজনলৈ ধন্যবাদ জনাইছো।

মোৰ কাৰ্য্যকালৰ সময় ছোৱাত সৎ উপদেশ আৰু উৎসাহ দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, উ পাধ্যক্ষ ,তত্বাৱধায়ক, শিক্ষাগুৰু প্ৰণৱ দাস ছাৰ,ড° প্ৰবোধ চন্দ্ৰ গোস্বামী ছাৰ আৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যাপক / অধ্যাপিকা সকললৈ শ্ৰদ্ধা প্ৰণিপাত আৰু কৃতজ্ঞতাপন কৰিছোঁ। আনহাতে কাৰ্য্যকালৰ আৰম্ভণিৰে পৰা বিভিন্ন বিষয়ত মোক সহায়- সহযোগিতা আগবঢ়োৱাৰ লগতে সু-পৰামৰ্শ দান কৰা বন্ধু প্ৰতীম অগ্ৰজ অনুজ - বনমালী, গিৰীন্দ্ৰ, বুবুল, বাবুল, আনো, মৃদুল, সঞ্জয়, অপূৰ্ব, ৰাজু, সুৰজিত, ৰাজীৱ, ত্ৰৈলোক্য, ৰাতুল, ধীৰাজ,মণ্টু, দীপক দা, ধনজিত, ভৱজ্যোতি, ইন্দ্ৰজিৎ, চন্দন, ৰজত, কুশল, কিশোৰ, অনন্ত, শৈলেন, ভূপেন, প্ৰণৱ, গুণজিৎ, গৌতম, দিগন্ত দা, হেমন্ত দা, অনুপম দা, উৎপল দা, হিতেশ দা, উপেন দা, গিতালী, ৰুমী, লভিতা, কিংকু, গিতুস্মিতা, কৰবী, দীপা, পুলমা, নিতু, জোনালী, গীতা, অৰ্চনা, মঞ্জু, ফুলমণি, সোণমণি, ৰুমী, লীনা, মণিকাবা, বিনীতাবা, শেৱালীবা আৰু অনিচ্ছাকৃত ভাৱে বৈ যোৱা সহায় কৰোঁতা ইত্যাদি সকলো আন্তৰিক ধন্যবাদৰ পাত্ৰ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আৰু কাৰ্য্যকালৰ সময়ছোৱাত ভু ল -ত্ৰুটি হোৱাতো স্বাভাবিক। আলোচনীখনৰ সফলতা কিমান সেইটো বিচাৰ্য আপোনালোকৰ। আশা ৰাখিলোঁ, আপোনাসৱৰ গঠনমূলক মন্তব্য আৰু পৰামৰ্শই মোক ভৱিষ্যতৰ বাট দেখুৱাব।

সদৌ শেষত নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ গৌৰবোজ্জ্বল ভৱিষ্যত কামনাৰে-

জয়তু নিৰ্মল হাঁলে মহাবিদ্যালয়

মনোজ কুমাৰ শৰ্মা
সম্পাদক, আলোচনী বিভাগ
ছাত্ৰ একতা সভা।





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



**শ্ৰদ্ধাঞ্জলি ঃ-** এই স্কুলৰ প্ৰতিষ্ঠাপক স্বৰ্গীয় 'নিৰ্মল হাঁলে দেৱক' গভীৰ শ্ৰদ্ধাঞ্জলি যাঁচি মই মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ। এই চেগতে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকলে তেজৰ ইতিহাস লিখিলে তেওঁলোকলৈ মোৰ শ্ৰদ্ধা প্ৰণাম। "হে শ্বহীদ, প্ৰণামো তোমাক"।

**মোৰ কাৰ্য্যকাল আৰু নিজা অনুভৱঃ-** 'শিক্ষাজগতৰ বুকুত নিৰ্মল হাঁলে মহাবিদ্যালয় এটি উজ্বল নক্ষত্ৰ'। নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ স্বৰ্ণবেদীৰ সেৱকৰূপে নিজকে পোৱাৰ স্বপ্ন এদিন সাৰ্থক হোৱাত মই নথৈ আনন্দ লভিছো। ২০০২ - ২০০৩ ইং বৰ্ষত নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদকৰ পদত প্ৰতিদ্বন্দিতা কৰি বিপুল ভোটত জয়লাভ কৰিবলৈ দিয়া নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰী, ছাৰ - বাইদেউ তথা মই মোৰ বন্ধু বৰ্গক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

'অসমীয়া সংস্কৃতি বাৰে বৰণীয়া সংস্কৃতি'। লুইতৰ দৰে বিশাল এই সংস্কৃতিৰ এবছৰীয়া কাৰ্য্যকালৰ অভিজ্ঞতাৰ পৰা পৰিতাপেৰে উল্লেখ কৰিব লগা হৈছে যে গৌৰবোজ্বল এই শিক্ষা মন্দিৰৰ সাংস্কৃতিক দিশ এতিয়াও যথেষ্ট অৱহেলিত হৈয়েই আছে। নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ কলা আৰু সাংস্কৃতিক দিশ সিমান উচ্চখাপৰ নহয়। অৱশ্যে এনে ক্ষেত্ৰত প্ৰয়োজনীয় অন্তঃগাঠনিৰ প্ৰধান অন্তৰায় হিচাপে থিয় দিছে। বিশেষকৈ প্ৰয়োজনীয় সা - সঁজুলিৰ অভাৱ, নিয়মীয়া অনুশীলনৰ ওপৰত গুৰুত্বহীনতা, আৰ্থিক দুৰ্বলতাই ব্যতিক্ৰমী ভাৱে কাৰ্য্যসূচী আগবঁঢ়াব খোজাৰ ক্ষেত্ৰত বাধা হিচাবে পৰিগণিত হয় যিয়ে নেকি উৎসাহী জনকো নিৰুৎসাহী কৰি তোলে। তাৰোপৰি আটাইতকৈ লজ্জাজনক কথা সাংস্কৃতিক কাৰ্য্যসূচী চলোৱা নিৰ্মল হাঁলে মহাবিদ্যালয়ত এটি প্ৰেক্ষাগৃহও নাই। যিওবা এটি কোঠাত কাৰ্য্যসূচী চলোৱা যায় তাত সীমিত আসনৰ ব্যৱস্থাইও কাৰ্য্যসূচী চলোৱাৰ ক্ষেত্ৰত বিশৃংখলতাই দেখা দিয়ে। আশা ৰাখিছো পৰবৰ্ত্তী প্ৰত্যেক বিভাগীয় সম্পাদকে তথা বিশেষকৈ স্কুল কতৃপক্ষই এই ক্ষেত্ৰ অলপ ভালদৰে গুৰুত্ব দিয়ে যেন।

এনেবোৰ সীমাবদ্ধতা থকা স্বত্বেও গৌৰৱেৰে উল্লেখ কৰিব পাৰি যে বিগত বৰ্ষত পৰম্পৰাগত ভাৱে চলি থকা গীত - মাত, কৌতুক ,ভেশচন আদিৰ লগতে একাংক নাট প্ৰতিযোগিতা আদি কাৰ্য্যসূচীবোৰত শ্ৰেষ্ঠতম প্ৰদৰ্শন দাঙি ধৰিব বিচৰা হৈছিল। স্কুল সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাবোৰতে সাংখ্যিক আৰু গুণগত উভয় দিশতে উৎসাহ জনক আছিল।

কাৰ্য্যসূচী সম্পাদনাৰ ক্ষেত্ৰত মোৰ তত্বাবধায়ক শ্ৰীজিতেন ভাগৱতীতকৈও উপদেশ তথা প্ৰেৰণা দিছিল মোৰ শ্ৰদ্ধাৰ মাননীয়া শ্ৰীসাবিত্ৰী বেজবৰুৱা বাইদেউ আৰু মোৰ বন্ধুবৰ্গই। সমূহ শুভাকাংখী বন্ধু - বান্ধৱী তথা বাইদেউৰ প্ৰেৰণাই মোৰ কাৰ্য্যকালত উৎসাহ আৰু উদ্দীপনা যোগাইছিল। কৃতজ্ঞতাৰ তুলাচনীত তুলি এই প্ৰেৰণাক লঘু কৰাৰ মানসিকতা মোৰ নাই।

বিভিন্ন সময়ত মোৰ কামক নিজৰ কামৰ দৰে একাগ্ৰতাৰে কৰি দিছিল বন্ধু - বুবুল, সঞ্জয়, গিৰীন্দ্ৰ, অনন্ত, মনোজ, বনমালী, ৰাজীৱ, বাবুলা হতে। যাৰ সহায়ৰ কথা পাহৰিব নোৱাৰি।

সামৰণিঃ- সদৌ শেষত নিৰ্মল হাঁলে মহাবিদ্যালয় চিৰদিন জিলিকি থাকক শিক্ষাজগতত এটি উজ্জ্বল নক্ষত্ৰ হিচাপে এই আশা বুকুত বান্ধি কাৰ্য্যকালৰ সময়ছোৱাত কৰা অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদন সামৰিছোঁ।

।। জয়তু নিৰ্মল হাঁলে মহাবিদ্যালয় ।।

ৰুবুল গোস্বামী
সাংস্কৃতিক সম্পাদক
নিৰ্মল হাঁলে মহাবিদ্যালয়

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



যি সকল ব্যক্তিৰ অক্লান্ত শ্ৰম ত্যাগৰ ফলত ১৯৭৯ ইং চনত
প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল মহান ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জনাইছো। যি সকল ব্যক্তিৰ অক্লান্ত শ্ৰম ত্যাগৰ ফলত ... লগতে অসমীয়া ভাষা সংস্কৃতিৰ
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ জন্ম হয়। যি অনুষ্ঠানে আদিতে সগৌৰৱে বিভিন্ন জনক জ্ঞান চক্ষু মুকলি কৰি দিছে, লগতে অসমীয়া ভাষা সংস্কৃতিৰ
বেদীত জীৱন আহুতি দিয়া পূৰ্ব পুৰুষ সকলৰ পবিত্ৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণিপাত জনাই প্ৰতিবেদনৰ দ্বাৰ মুকলি কৰিছো।

মানুহে জীৱনত আত্মা প্ৰতিষ্ঠা কৰিবলৈ হলে শিক্ষাৰ অতি প্ৰয়োজন, শিক্ষায়ে উন্নতিৰ আটাইতকৈ শক্তিশালী মাপকাঠী। ছাত্ৰ-ছাত্ৰী সকলেও শিক্ষাৰ মাজেদি প্ৰথম জীৱনটো সু-প্ৰতিষ্ঠিত কৰি সমাজ আৰু জাতিক আগুৱাই নিব লাগিব। এখন দেশৰ এখন সমাজ এটা জাতিৰ জনসাধাৰণে সচেতনতাৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থাকে। সেই দেশ বা সেই সমাজ বা সেই জাতিৰ অস্তিত্ব । জনসাধাৰণৰ সচেতনতাই যে দেশখন, জাতিটো বা সমাজখনৰ সুস্থ পৰিচালনাত সহায় কৰে, তাক বহলাই কোৱাৰ প্ৰয়োজন মই অনুভৱ কৰা নাই। এইবোৰ ক্ষেত্ৰত ছাত্ৰ সমাজৰ যথেষ্ট গুৰুত্বপূৰ্ণ কৰণীয় কাম আছে।

ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি খুব কমদিনৰ ভিতৰত 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰিব লগীয়া হয়। সেয়েহে অপৰিপক্ক জ্ঞানেৰে মোৰ কাৰ্য্যকাল কিমান দূৰ সফলতাৰে সম্পন্ন কৰিব পাৰিছো, সেয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েহে বিচাৰ কৰিব।

নিৰ্মল হালৈ মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৰ কম নহয়। এই বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন বৰ কম নহয়। এই বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন আৰু অভাবো বহুখিনি। বহু অসুবিধাৰ মাজতো আমাৰ কাৰ্য্যকালছোৱাত বন্ধু সকলৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক সমাধানৰ চেষ্টা কৰিছিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতে অনুষ্ঠিত হৈছিল ২০০২-০৩ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ বিভাগীয় প্ৰতিযোগিতা সমূহ সুন্দৰভাবে অনুষ্ঠিত কৰিবলৈ ক্ৰটি কৰা নাছিলো। সেৰেঙা প্ৰতিযোগিৰ মাজত আকস্মিক বৰ্ক্তৃতা, কুইজ আৰু তৰ্ক প্ৰতিযোগিতা সমূহ সুন্দৰভাবে তথা সুচাৰুৰূপে চলাই নিছিলো। তৰ্ক প্ৰতিযোগিতাৰ বিষয় বস্তু আছিল সদনৰ মতে — 'শিক্ষাৰ মাধ্যম অসমীয়া হোৱা উচিত'। সদনৰ সপক্ষে প্ৰতিদ্বন্দী হিচাপে যুক্তি দৰ্শাই প্ৰথম স্থান অধিকাৰ কৰিছিল শ্ৰী উপেন ডেকাই। শ্ৰী ডেকাক এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছো। যি কোনো পৰিস্থিতিতেই যুক্তি তৰ্ক কৰিব পাৰি কিন্তু যুক্তি তৰ্কবোৰ সদায় গঠন মূলক হোৱা উচিত বুলি ভাবো। কাৰণ ধ্বংসাত্মক যুক্তি তৰ্কই এক বাস্তৱ সত্য উদ্‌ঘাটন কৰে। সদৌ অসম আন্ত : মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতালৈ প্ৰতিদন্দিতা কৰাৰ কাৰণে আমাৰ মহাবিদ্যালয়ৰ পৰা দল লৈ যাবলৈ ওলাইছিলো। কিন্তু বিশেষ কাৰণবশত সেয়া সম্ভৱপৰ নহ'ল।

কাৰ্য্যকাল ছোৱাৰ ভিতৰত বিভিন্ন দিশত সু-পৰামৰ্শ দি মোৰ কৰণীয় খিনি ,সুচাৰুৰূপে পালন কৰা মাননীয় শ্ৰী যুত মণিকান্ত দাস অন্যান্য বন্ধুসকল সৰ্বশ্ৰী উপেন, কিশোৰ, দ্বিপেন, হৰেন, কমল, গুণজিত, গৌতম, মনোজ, ত্ৰৈলোক্য, ৰুবুল, লাচিত আৰু কমল ৰয়কো আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে শ্ৰদ্ধেয় মাননীয় শ্ৰী যুত তৰুণ ভাগৱতী চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ ভুল ক্ৰটিবোৰৰ বাবে ক্ষমা বিচাৰি লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি শ্ৰদ্ধেয় শিক্ষাগুৰুসকললৈ কৃতজ্ঞতা আৰু প্ৰণিপাত সাঁচি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

ধন্যবাদেৰে
গৌতম দাস
সম্পাদক, তৰ্ক আৰু আলোচনী চক্ৰ বিভাগ।





# ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা প্ৰতিবেদন



**পাঠ্য গ্ৰহণ অবসাদ আৰু জিৰণি ঃ-** জীবনৰ সামগ্ৰিক ভাবে পূৰ্ণ আৰু পৈনত ৰূপত গঢ় দিয়াৰ বাবে আখৰা কৰাৰ একমাত্ৰ বিজ্ঞান সম্মত তথা প্ৰয়োগিক অনুষ্ঠান। বিদ্যালয়, মহাবিদ্যালয় সমূহত পাঠ গ্ৰহনৰ কালছোৱাত ছাত্ৰ - ছাত্ৰী সকলে পোৱা ক্লান্তি অৱদান আতৰোৱাৰ বাবে জিৰণি কোঠা হ'ল অতি অপৰিহাৰ্য্য আৰু উপাদেয় এক অংগ। শিক্ষা গ্ৰহণৰ দ্বাৰা দেশ, জাতি সামাজ, সভ্যতাৰ উজ্বল অংগ তথা জাতিস্কৃত কৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি কৰা ছাত্ৰ জীৱনৰ নৈতে এনেবোৰ অংগ অনুষ্ঠানৰ প্ৰতক্ষ ভূমিকা অনস্বীকাৰ্য্য। কিয়নো আমাৰ জীবনৰ চৰ্য্যৰে পুণৰ গঠনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আৰু জিৰণিৰ যোগেৰে শাৰীৰিক, মানশিক, বৌদ্ধিক দিশৰ পূৰ্ণ গঠন বহুল ভাৱে সম্ভব হৈ উঠে।

আজিৰ প্ৰতিযোগিতা আৰু প্ৰতিদ্বন্দিতাৰ যুগতো মোক বিনা প্ৰতিদ্বণ্ডিতাৰে ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা ৰূপে মনোনীত কৰি মহাবিদ্যালয় খনৰ প্ৰতি সেৱা আগবোঢ়োবাৰ সুযোগ কণ দিয়াৰ বাবে মই সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকাল ছোৱাত মহাবিদ্যালয় সপ্তাহত আয়োজিত নানা ধৰণৰ খেলৰ প্ৰতিযোগিতা বোৰত যি সকল ছাত্ৰীয়ে উৎসাহ উদ্দিপনাৰে সফল হৈছে সেই সকল ছাত্ৰীকে মই আন্তৰিক ধন্যবাদ জনাইছো।

ছাত্ৰীৰ জিৰণী কোঠাৰ খেলৰ সজুলিবোৰ কিছুমান ছাত্ৰীয়ে ঘৰলৈ লৈ যায়। ছাত্ৰী সকলে যাতে তেনে নকৰে তাৰ বাবে মোৰ অনুৰোধ থাকিল । ছাত্ৰী সকলক ইউনিৰ্ফম আনিবলৈ কলেওঁ আনিবলৈ অৱহেলা কৰে গতিকে সেইবোৰ ছাত্ৰীয়ে জানো মহাবিদ্যালয়ৰ নিয়ম কানুন ৰক্ষা কৰা নাই ? ছাত্ৰী সকলে যাতে আগৰ দিনকেইটাত ইউনিৰ্ফম পৰিধান কৰি কলেজলৈ আহে তাৰ বাবে মই বিনম্ৰ অনুৰোধ জনালো।

মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা ক্ষেত্ৰত পোন প্ৰথমে "ছাত্ৰী জিৰনী কোঠা" বিভাগৰ তত্বাৱধায়িকা মাননীয়া শ্ৰীযুতা নিৰ্মালী মহন্ত চৌধুৰী বাইদেউকো মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে অন্যান্য চাৰ বাইদেউ সকলৈওঁ মোৰ আন্তৰিক আভিনন্দন থাকিল। আৰু লগতে মোৰ বান্ধবী লিপিকা, হেমন্তী, সবিতা, স্বপ্না, আদি সকলো বান্ধবীলৈ মোৰ হিয়া ভৰা শুভেছা থাকিল।

মোৰ কাৰ্য্যকালত অজানিতে কৰা ভুল ভ্ৰান্তিৰ বাবে শিক্ষক শিক্ষয়ত্ৰী তথা কৰ্মচাৰী সকলৰ ওচৰত মাৰ্জনা বিছাৰিছো। সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ভবিষ্যত উজ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰনি মাৰিলো।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

পূৰবী দাস।
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ শুভাৰম্ভতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দি শ্বহীদ হোৱা বীৰ- বীৰাঙ্গণালৈ
অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদি সমূহ বন্ধু- বান্ধৱীলৈ ওলগ জনালো।" বৈপ্লবিক অভিনন্দনেৰে "।

২০০২- ২০০৩ ইং বৰ্ষত লঘুখেল বিভাগৰ সম্পাদক হিচাপে বিনাপ্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি দায়িত্ব গ্ৰহনৰ এই কণ সুবিধা দিয়াৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ- ছাত্ৰী তথা সমূহ অধ্যাপক - অধ্যাপিকাক শ্ৰদ্ধাৰে সোঁৱৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আৰম্ভ হৈছিল 'মহাবিদ্যালয় সপ্তাহ '। এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ খেল -ধেমালি অনুস্থিত কৰা হৈছিল। লঘু- খেল বিভাগৰ সম্পাদক হিচাপে মই বিভাগটোৰ দায়িত্ব গতানুগতিকতাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো।

যি হওঁক আমাৰ মহাবিদ্যালয়ৰ সীমিত খেলৰ যিকণ সা- সুবিধা আছে তাৰো যথাৰ্থ অনুশীলনৰ অভাৱ। সেয়েহে আন্তঃ মহাবিদ্যালয় তথা উচ্চ- মানদণ্ডৰ প্ৰতিযোগিতামূলক খেলত যোগদান কৰি আমাৰ খেলুৱৈ সকলে কৃতকাৰ্য্য হোৱাৰ সম্ভাৱনা ক'ম। গতিকে সম্ভাৱনা পূৰ্ণ খেলুৱৈ বন্ধু সকললৈ অনুৰোধ, যাতে এই বিষয়টোৰ প্ৰতি তেখেত সকলে বিশেষ নজৰ দিয়ে।

মোৰ এবছৰীয়া কাৰ্য্যকালত সীমাবদ্ধ সা - সুবিধাৰ মাজত কি কৰিব পাৰিলো, নোৱাৰিলো সেইটো ছাত্ৰ- ছাত্ৰী সকলৰ বিচাৰ্য্য, লগতে খেল আদি চলোৱাত যি সকল বন্ধু - বান্ধৱীয়ে সাহায্য আগবঢ়ালে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

লঘুখেল বিভাগৰ তত্বাৱধায়ক পৰম শ্ৰদ্ধেয় অধ্যাপক শ্ৰী যুত তপন কলিতা ছাৰলৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ, লগতে সৎ উপদেশেৰে আগবঢ়াই দিয়া শিক্ষাগুৰু সকললৈ মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত হোৱা অজ্ঞাত ভুল- ক্ৰটি সমূহৰ বাবে ক্ষমা- বিছাৰিছোঁ। লগতে মহাবিদ্যালয়খনিৰ উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

ধন্যবাদেৰে
অঞ্জন কলিতা
সম্পাদক
লঘু খেল বিভাগ





## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



"মৃত্যুৰ সতে কোনে কাজিয়া কৰে, ...............
মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।"

জাতীয় অস্তিত্ব ৰক্ষাৰ নামত প্ৰাণ আহুতি দিয়া সমূহ জ্ঞাত অজ্ঞাত শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মই মোৰ প্ৰতিবেদন মুকলি কৰিলোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক ছাত্ৰ একতা সভাৰ (২০০২-২০০৩ ইং) নিৰ্বাচনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক জয়ী কৰি বিভাগটোলৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমাজসেৱা বিভাগৰ সম্পাদকৰ দায়িত্ব লোৱাৰ পিছতে মই বিদ্যালয়ৰ চাফ-চিকুন কৰা, বৃক্ষৰোপন কৰা, বিদ্যালয়ৰ লগতে চৌপাশত থকা আনুষ্ঠানিক স্তম্ভবোৰত ৰং কৰা ইত্যাদি বিভিন্ন কাম হাতত লৈছিলো। তাৰোপৰি মই বিদ্যালয়ত এখন ফুলৰ বাগিছা পাতিম বুলি মনস্থ কৰিছিলো যদিও মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱাৰ বাবে সেইটো সম্পূৰ্ণ হৈ নুঠিল। মোৰ তত্বাৱধায়ক সদা দাস চাৰে মোক সকলো কামতে দিহা পৰামৰ্শ দিছিল। আৰু মই সকলোৰে কামত সহায় কৰা মোৰ বন্ধু নৱজিৎ শৰ্মাৰ প্ৰতি আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষক আৰু সহপাঠীসকলৰ উদ্‌গনিৰ প্ৰতি অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্ব ল কামনা কৰি মই মোৰ প্ৰতিবেদন সমাপ্ত কৰিলোঁ।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়।

ধন্যবাদেৰে
ইন্দ্ৰজিৎ পাটগিৰী
সম্পাদক
সমাজসেৱা বিভাগ

'The Supreme mission of art is to rally people around the truth'

'জনগণক সত্যৰ মুখামুখি কৰোৱাটোৱেই শিল্পৰ চৰম লক্ষ্য'। — কিন্তু সত্য ? সত্যতো কোনো নিৰপেক্ষ শাশ্বত বস্তু নহয়। তেনেহ'লে ? সত্যৰ ৰূপ বেলেগ বেলেগ হয় ? কোনবিধ সত্যৰ মুখামুখি কৰিব শিল্পই মানুহক ? — সমাজ সত্যৰ বা শ্ৰেণী সত্যৰ।

টলষ্টয়


মহাবিদ্যালয়